www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

□ PRGI REGD. NO. : ASASS/25/A2361

অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সপোন তেতিয়ালৈকে সপোন হৈ নাথাকে যেতিয়ালৈকে তুমি সফল হ'বলৈ টোপনি নাযোৱা। - এ. পি. জে. আব্দুল কালাম

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

□ প্ৰথম বছৰ □ সংখ্যা- ২৪১ □ শুকুৰবাৰ □ ১০ জুলাই, ২০২৬ চন □ Volume/Year- I □ Issue- 241 □ Friday □ 10th July, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page-8

অখিল গগৈৰ বিৰুদ্ধে গোচৰৰ সংখ্যা ৩২ নে ১৬৫?

বিধানসভা সচিবালয়ৰ জৰুৰী পত্ৰ, ১৩ জুলাইৰ ভিতৰত তথ্য দাখিলৰ নিৰ্দেশ

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জুলাইঃ শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন থানাত ৰুজু হৈথকা গোচৰৰ বিষয়টোৱে এতিয়া বিধানসভা সচিবালয়ত গুৰুত্ব লাভ কৰিছে। বিধায়কগৰাকীৰ বিৰুদ্ধে থকা গোচৰৰ সম্পূৰ্ণ তথ্য সংগ্ৰহ কৰিবলৈ অসম বিধানসভাৰ সচিবে ৰাজ্যৰ অতিৰিক্ত মুখ্য সচিবলৈ এক জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। সচিবালয়ে বিষয়টোক 'অতি জৰুৰী' বুলি গণ্য কৰি অহা ১৩ জুলাইৰ ভিতৰত আৰক্ষীৰ হাতত থকা প্ৰকৃত গোচৰৰ তালিকা দাখিল কৰিবলৈ অনুৰোধ জনাইছে। উল্লেখযোগ্য যে, যোৱা ৬ জুলাইত অসম বিধানসভাৰ চলিত অধিৱেশনৰ প্ৰশ্নোত্তৰ শিতানত বিধায়ক অখিল গগৈ আৰু জলসম্পদ তথা সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাৰ মাজত গোচৰৰ সংখ্যাক লৈ এক তীব্ৰ বাক-বিতণ্ডাৰ সৃষ্টি হয়। সদনত মন্ত্ৰী পীযুষ হাজৰিকাই অভিযোগ উত্থাপন কৰি কয় □ ৬ পৃষ্ঠাত

৩০ হাজাৰৰো অধিক পদ খালী; বিধানসভাত উদ্বেগজনক তথ্য উপস্থাপন

শিক্ষকৰ সংকটত ৰাজ্যৰ বিদ্যালয়

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জুলাই ঃ অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ শিক্ষক সংকট যেন দিনে দিনে গভীৰতৰ হৈ পৰিছে। চলিত বিধানসভাৰ বাজেট অধিৱেশনত বৃহস্পতিবাৰে শিক্ষা বিভাগে দাখিল কৰা তথ্যই ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ এক উদ্বেগজনক চিত্ৰ ফুটাই তোলাৰ লগতে ৰাইজৰ মাজত যথেষ্ট প্ৰশ্নৰ সৃষ্টি কৰিছে। বিৰোধী দলপতি ৰাজেদ আলী চৌধুৰীৰ লিখিত প্ৰশ্নৰ উত্তৰত বিদ্যালয় শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে নিশ্চিত কৰে যে বৰ্তমান অসমৰ সমগ্ৰ বিদ্যালয়সমূহত মুঠ ৩০, ০৩২টা অনুমোদিত শিক্ষক পদ খালী হৈ আছে। ইয়াৰ ভিতৰত প্ৰাথমিক স্তৰতে ১৮,৮০১টা পদ খালী-যি সংখ্যা অতি ভয়াবহ। বিভাজন অনুসৰি, নিম্ন প্ৰাথমিক বিদ্যালয়ত ১১, ৬৬২টা আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত ৭, ১৩৯টা পদ খালী। অন্যহাতে, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত মুঠ ১১, ২৩১টা অনুমোদিত শিক্ষক পদ খালী আছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। সমগ্ৰ ৰাজ্যতে সকলো স্তৰৰ বিদ্যালয়ত অনুমোদিত শিক্ষক পদৰ মুঠ সংখ্যা □ ৬ পৃষ্ঠাত

গুৱাহাটী পানী যোগান প্ৰকল্পৰ ৯৬.৭৫ শতাংশ ভৌতিক কাম সম্পূৰ্ণ

মন্ত্ৰী কৌশিক ৰায়ৰ বিধানসভাত ব্যয়-স্থিতিৰ খতিয়ান

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জুলাই ঃ গুৱাহাটী মহানগৰীৰ দীৰ্ঘদিনীয়া খোৱাপানীৰ সমস্যা সমাধানৰ বাবে ২০১২ চনতে হাতত লোৱা জাপান আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সংস্থা (JICA)ৰ সাহায্যপ্ৰাপ্ত পানী যোগান প্ৰকল্পসমূহ এতিয়াও সম্পূৰ্ণ হোৱা নাই। অসম চৰকাৰে আজি ৰাজ্যিক বিধানসভাত এই কথা উল্লেখ কৰি প্ৰকল্প দুখন ২০২৬ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত শেষ কৰাৰ নতুন সময়সীমা নিৰ্ধাৰণ কৰা বুলি অৱগত কৰে। বিধানসভাৰ মজিয়াত এক প্ৰশ্নৰ উত্তৰ দি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী কৌশিক □ ৬ পৃষ্ঠাত

ৰাজ্যসভাৰ সাংসদ পদ ত্যাগ কৰাৰ এমাহ এখনৰ পাছতে কলকাতাত যোগদান

তৃতীয় ৰাজনৈতিক পদাৰ্পণ; গেৰুৱা শিবিৰত যোগদান সুস্মিতা দেৱৰ

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৯ জুলাই ঃ পশ্চিমবংগৰ ৰাজনীতিত এক নতুন মেৰপাক। তৃণমূল কংগ্ৰেছৰ প্ৰাক্তন ৰাজ্যসভা সাংসদ সুস্মিতা দেৱে বৃহস্পতিবাৰে আনুষ্ঠানিকভাৱে ভাৰতীয় জনতা পাৰ্টি শ্চবিজেপিগ্ন যোগদান কৰে। কলকাতাত অনুষ্ঠিত এক বিশেষ □ ৬ পৃষ্ঠাত

সাত লোকসভা সমষ্টিৰ নিৰ্বাচনী ফলাফল বিশ্লেষণ, ৰতন কছাৰী পথৰ নাম সলনিৰ প্ৰতিবাদ

গৌৰৱ গগৈৰ অধ্যক্ষতাত ৰাজীৱ ভৱনত পৰ্যালোচনা বৈঠক

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জুলাই ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈৰ অধ্যক্ষতাত আজি ৰাজীৱ ভৱনত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনৰ ফলাফলৰ প্ৰেক্ষাপটত আয়োজিত এই বৈঠকত ৰাজ্যৰ সাতটা লোকসভা সমষ্টিৰ অন্তৰ্গত □ ৬ পৃষ্ঠাত

এক্ট ইষ্ট পলিচি এফেয়াৰ্ছ বিভাগে কোনো স্বতন্ত্ৰ প্ৰকল্প ৰূপায়ণ নকৰে ঃ মন্ত্ৰী বিমল বড়া

২০২২ চনৰ পৰা সন্মিলন আদিত ১.৭০ কোটি টকা ব্যয়; বাংলাদেশৰ প্ৰতিনিধি দল ভ্ৰমণৰো তথ্য

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জুলাই ঃ অসম চৰকাৰে বিধানসভাত এক গুৰুত্বপূৰ্ণ তথ্য দাখিল কৰি জানিবলৈ দিছে যে এক্ট ইষ্ট পলিচি এফেয়াৰ্ছ বিভাগে কোনো স্বাধীন আন্তঃগাঁথনি বা উন্নয়নমূলক প্ৰকল্প ৰূপায়ণ কৰা নাই। ফলস্বৰূপে, প্ৰকল্পভিত্তিক পুঁজি আবণ্টন বা ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কীয় কোনো প্ৰতিবেদন দাখিল কৰিবলগীয়া নাই বুলিও সদনত অৱগত কৰা হয়। বৃহস্পতিবাৰে কংগ্ৰেছ নেতা তথা বিধায়ক ৰাজেদ আলী চৌধুৰীয়ে উত্থাপন কৰা এক প্ৰশ্নৰ উত্তৰত এক্ট ইষ্ট □ ৬ পৃষ্ঠাত

সাত দিনৰ ভিতৰতে ক্ষয়ক্ষতিৰ বুজ ল'বলৈ আহিল কেন্দ্ৰীয় দল

লখিমপুৰৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কেন্দ্ৰীয় চৰকাৰৰ উচ্চস্তৰীয় প্ৰতিনিধি দলৰ

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৯ জুলাই ঃ যোৱা কেইদিনমানৰ প্ৰবল বানপানী আৰু খহনীয়াই লখিমপুৰ জিলাত ব্যাপক ধ্বংসলীলা চলাইছে। ক্ষয়ক্ষতিৰ প্ৰকৃত মূল্যায়ন কৰিবলৈ বৃহস্পতিবাৰে জিলাখনত উপস্থিত হয় কেন্দ্ৰীয় চৰকাৰৰ এটি উচ্চস্তৰীয় প্ৰতিনিধি দল। পুৱা জিলা আয়ুক্তৰ কাৰ্যালয়ত দলটোৱে আয়ুক্ত আৰু বিভিন্ন বিভাগৰ বিষয়াবৰ্গৰ সৈতে □ ৬ পৃষ্ঠাত

অসমত উদ্ধাৰ হোৱা অধিকাংশ জালনোটেই প্ৰিণ্টাৰত তৈয়াৰ কৰা নিম্নমানৰ ঃ মন্ত্ৰী পীযুষ হাজৰিকা

উত্তৰ প্ৰদেশৰ পৰা অসমলৈ দুষ্কৃতিকাৰী আহে সোণৰ নাও কিনিবলৈ!

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জুলাই ঃ গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিগত সময়ছোৱাত জালনোট উদ্ধাৰৰ প্ৰসংগত বৃহস্পতিবাৰে অসম বিধানসভাত তীব্ৰ আলোচনা অনুষ্ঠিত হয়। বাজেট অধিৱেশনৰ শূন্যকালীন ঘণ্টাত বিৰোধী দলপতি ৰাজেদ আলী চৌধুৰীয়ে এই বিষয়টো উত্থাপন কৰি দেশৰ অৰ্থনীতি ধ্বংস কৰা অসাধু ব্যৱসায় বন্ধ কৰাৰ দাবী জনায়। ইয়াৰ উত্তৰত গৃহমন্ত্ৰী পীযুষ হাজৰিকাই বিস্তাৰিতভাৱে অসমত জালনোট কেনেদৰে প্ৰচলিত হৈ আছে, তাৰ কাৰণ আৰু চৰকাৰে লোৱা পদক্ষেপৰ বিষয়ে সদনত অৱগত কৰে। তেওঁ জনায় যে গুৱাহাটীত সংঘটিত দুটা পৃথক ঘটনাত আৰক্ষীয়ে □ ৬ পৃষ্ঠাত

উন্নয়ন-কৰ্মসংস্থাপন-কল্যাণকামী বাজেটৰ সম্ভাৱনা

পূৰ্বৰ বাজেটৰ ৯০' সফল ব্যৱহাৰ, এইবাৰ ১০০' ব্যৱহাৰৰ লক্ষ্য

নিউজ ডেস্ক, অসম বাৰ্তা, ৯ জুলাই ঃ যোৱা ৬ জুলাইত অসম বিধানসভাৰ যোড়শ অধিৱেশনৰ বাজেট অধিৱেশন আৰম্ভ হৈছে। অহা ৩১ জুলাইলৈ চলিবলগীয়া এই অধিৱেশনতে ২০২৬-২৭ বৰ্ষৰ পূৰ্ণাংগ বাজেট দাখিল কৰিব বিত্তমন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। নতুন চৰকাৰ গঠনৰ পাছত প্ৰথমবাৰৰ বাবে বিত্তমন্ত্ৰী হিচাপে দায়িত্ব লোৱা জয়ন্তমল্ল বৰুৱাই এইবাৰেই প্ৰথম সদনত পূৰ্ণাংগ বাজেট পেশ কৰিব। স্বাভাৱিকতে, নতুন বিত্তমন্ত্ৰীগৰাকীৰ প্ৰথম বাজেটখনক লৈ ৰাজ্যৰ ৰাইজৰ মাজত তীব্ৰ কৌতূহল আৰু □ ৬ পৃষ্ঠাত

ভাৰতলৈ ইউৰেনিয়াম ৰপ্তানিত সন্মতি অষ্ট্ৰেলিয়া মোদী-আলবাণীজ বৈঠকত ঐতিহাসিক সিদ্ধান্ত

শান্তিপূৰ্ণ উদ্দেশ্যত ব্যৱহাৰৰ বাবে আইএইএৰ তত্ত্বাৱধানত ৰপ্তানি

ইন্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ৯ জুলাই ঃ ত্ৰিদেশীয় ভ্ৰমণৰ অংশ হিচাপে অষ্ট্ৰেলিয়াত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী আলবাণীজৰ মাজত মেলবৰ্ণত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ বৈঠকত দুয়ো দেশে ইউৰেনিয়াম ৰপ্তানিৰ ক্ষেত্ৰত এক ঐতিহাসিক সন্মতিত উপনীত হয়। বৈঠকৰ পিছত প্ৰকাশিত যৌথ বিবৃতিত অষ্ট্ৰেলিয়াই □ ৬ পৃষ্ঠাত

ট্ৰেক্টৰত উঠি খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীৰ

"মই ৰাইজৰ বাবে উৎসৰ্গিত, ৰাইজৰ জীৱনতকৈ মোৰ জীৱন ডাঙৰ নহয়"

খহনীয়া স্থানৰ পৰাই বিধায়ক ভুৱন গামলৈ ফোন; জৰুৰীভাৱে শৈলস্পাৰ, মেগা জিঅ' টিউব স্থাপনৰ দাবী

অসম বাৰ্তা, উজনী মাজুলী, ৯ জুলাই ঃ ট্ৰেক্টৰত উঠিয়েই আজি নামনি মাজুলীৰ ভয়ংকৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে। বান আৰু খহনীয়াৰ কবলত দিশহাৰা হৈ পৰা ৰাইজৰ কাষত থিয় দিয়াৰ উদ্দেশ্যে আজি তেওঁ ট্ৰেক্টৰত উঠি কৰ্দৈগুৰি, মহৰিচুক, চাৰিঘৰীয়া আৰু শেষত ভকতচাপৰিৰ পদুমনি অঞ্চলত উপস্থিত হৈ ব্ৰহ্মপুত্ৰৰ ভয়ংকৰ আগ্ৰাসনৰ বাস্তৱ চিত্ৰ স্বচক্ষে পৰ্যবেক্ষণ কৰে। ব্ৰহ্মপুত্ৰৰ বুকুত প্ৰতিদিনে চপৰা চপৰকৈ মাটি খহি পৰা, কৃষিভূমি নদীগৰ্ভত বিলীন হোৱা আৰু বাসগৃহলৈকে ভাবুকি কঢ়িয়াই অনা পৰিস্থিতি দেখি গভীৰ উদ্বেগ প্ৰকাশ কৰে সত্ৰাধিকাৰগৰাকীয়ে। খহনীয়াৰ কাষতে উপস্থিত হৈ স্থানীয় □ ৬ পৃষ্ঠাত

চিণ্ডিকেটৰ বিৰুদ্ধে ঠেলা-প্লেকাৰ্ড লৈ বিধানসভা চৌহদত বিধায়ক অখিল গগৈ

মাছ, কণী, ব্ৰইলাৰ, চুপাৰীক লৈ প্ৰতিকী প্ৰতিবাদ মুখ্যমন্ত্ৰী-মন্ত্ৰী-বিটিচি প্ৰধানৰ বিৰুদ্ধে অভিযোগ

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জুলাই ঃ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ চতুৰ্থ দিনা বৃহস্পতিবাৰে সদনৰ বাহিৰত এক অভিনৱ প্ৰতিবাদমূলক কাৰ্যসূচী পালন কৰে বিধায়ক অখিল গগৈয়ে। ৰাজ্যত চিণ্ডিকেটৰ কবলত ভুক্তভোগী সাধাৰণ মানুহৰ লগত একাত্মতা প্ৰকাশ কৰি তেওঁ ঠেলাত মাছ, ব্ৰইলাৰ মুৰ্গী, কণী আৰু চুপাৰী সামগ্ৰী লৈ প্ৰতিবাদ সাব্যস্ত কৰে। লগতে

কাৰ্টুন আৰু প্লেকাৰ্ডৰ জৰিয়তে চিণ্ডিকেটৰ বাবে হোৱা অস্বাভাৱিক মূল্যবৃদ্ধিৰ চিত্ৰ দাঙি ধৰে। বিধানসভা প্ৰাংগণতে সংবাদ মাধ্যমৰ আগত অখিল গগৈয়ে স্পষ্ট ভাষাত কয়, "প্ৰতিটো নিত্যপ্ৰয়োজনীয় সামগ্ৰীতে চলি আছে চিণ্ডিকেট। যাৰ বাবেই দৈনন্দিন জিনিসৰ দাম আকাশচুম্বী হৈছে। বৰ্মাৰ পৰা অহা চুপাৰীৰ প্ৰতি কেজিত লোৱা হয় ৬০ টকাকৈ গুণ্ডাটেক্স। অসমীয়া চুপাৰীৰ ক্ষেত্ৰত □ ৬ পৃষ্ঠাত

সোণাপুৰৰ সমাধিস্থলীত পকী চাৰিসীমা নিৰ্মাণ আৰম্ভ; ৩১৯.৭৫ লাখ টকা অনুমোদন

জুবিন গাৰ্গৰ স্মৃতিত ৰাজ্যৰ প্ৰতিটো সমষ্টিত হ'ব অত্যাধুনিক প্ৰেক্ষাগৃহ-সাংস্কৃতিক কেন্দ্ৰ

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জুলাই ঃ অসমীয়া সংগীত জগতৰ প্ৰাণশিল্পী জুবিন গাৰ্গৰ স্মৃতিক চিৰঞ্জীৱ ৰাখিবলৈ ৰাজ্য চৰকাৰে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসমৰ প্ৰতিটো বিধানসভা সমষ্টিতে এখনকৈ অত্যাধুনিক প্ৰেক্ষাগৃহসহ সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰাৰ ব্যৱস্থা কৰা হ'ব বুলি বৃহস্পতিবাৰে বিধানসভাত ঘোষণা কৰে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়াই। বিধানসভাৰ বাজেট অধিৱেশনৰ চতুৰ্থ দিনা বিধায়িকা বেবী বেগমে উত্থাপন কৰা এক তৰাবিহীন প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই ঘোষণা প্ৰদান কৰে। তেওঁ কয় যে, প্ৰত্যেক বিধানসভা সমষ্টিত স্থাপিত হ'বলগীয়া এই সাংস্কৃতিক কেন্দ্ৰসমূহত □ ৬ পৃষ্ঠাত

বৰমপুৰ প্ৰেছ ক্লাবৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

"মত-বিনিময় অনুষ্ঠান"ত শতাধিক লোকৰ অংশগ্ৰহণ

অসম বাৰ্তা, পুৰণিগুদাম, ৯ জুলাই ঃ নগাঁও জিলাৰ সাংবাদিকতাৰ ক্ষেত্ৰখনত এক বিশেষ পৰিচয় বহন কৰা বৰমপুৰ প্ৰেছ ক্লাবৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱসটি কালি দিনজোৰা কাৰ্যক্ৰমণিকাৰে সফলতাৰে অনুষ্ঠিত হৈ যায়। উৰিয়াগাঁও অঞ্চলৰ গোমোঠা গাঁও প্ৰাথমিক বিদ্যালয় প্ৰাংগণত আয়োজিত এই অনুষ্ঠানত অঞ্চলটোৰ বহুসংখ্যক বিশিষ্ট ব্যক্তি, শিক্ষাবিদ, সাংস্কৃতিক কৰ্মী আৰু সাংবাদিক উপস্থিত থাকে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে সূত উন্নয়ন পৰিষদৰ অধ্যক্ষ তথা বিশিষ্ট সমাজকৰ্মী তৰুণ চন্দ্ৰ বৰাই। ইয়াৰ পাছতে বৰমপুৰ প্ৰেছ ক্লাবৰ সভাপতি যতীন্দ্ৰ কুমাৰ শইকীয়াই প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰে। পতাকা উত্তোলনৰ পাছতেই সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু অসমৰ জনপ্ৰিয় প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন তথা পুষ্পাঞ্জলি অৰ্পণেৰে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী পৰিচালনা কৰে গোমোঠাগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰত্নেশ্বৰ বৰা আৰু নাট্যকৰ্মী গোলাপ বৰাই। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি এক বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচী আনুষ্ঠানিকভাৱে মুকলি কৰে কঠীয়াতলি আঞ্চলিক বন বিষয়া গিৰীশ কুমাৰ বৰাই। বৃক্ষৰোপণ কাৰ্যসূচীত তেওঁক সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়াই বিশিষ্ট লেখক-কবি গোলাপ বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক দীপাংকৰ ভূঞা, সমাজকৰ্মী কিৰণ কুমাৰ নেওগ আৰু চন্দ্ৰকান্ত বৰাই। উল্লেখ্য যে, আটাইকেইটা প্ৰাৰম্ভিক কাৰ্যসূচী সুচাৰুৰূপে ৰূপায়ণ হোৱাৰ অন্তত বৰমপুৰ প্ৰেছ ক্লাবৰ সভাপতি যতীন্দ্ৰ কুমাৰ শইকীয়াৰ সভাপতিত্বত মত-বিনিময় সভা অনুষ্ঠিত হয়। বৰমপুৰ প্ৰেছ ক্লাৱৰ প্ৰাক্তন সভাপতি নিপুল বৰা আৰু প্ৰাক্তন সম্পাদক জয়ন্ত বৰাই যুটীয়াভাৱে আঁত ধৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে ভাৰপ্ৰাপ্ত সম্পাদক বৰুণ জ্যোতি নেওগে। উক্ত আলোচনাত অংশগ্ৰহণ কৰি নিজৰ বহুমূলীয়া দিহা-পৰামৰ্শ আৰু বক্তব্য আগবঢ়ায় অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী পুষ্প বৰুৱা, জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকা, হৰেশ্বৰ বৰা, নীলৰঞ্জন শৰ্মা, দেৱজিত হাজৰিকা, বিষয় শিক্ষক তথা লেখক নয়নজ্যোতি নেওগ, ক্ৰীড়া সংগঠক প্লাৱন বৰুৱা, বেংক বিষয়া ময়ূৰ ৰঞ্জন গোঁহাই, অৱসৰপ্ৰাপ্ত শিক্ষক থুলেশ্বৰ বৰা, ৰমেশ চন্দ্ৰ হাজৰিকা, মৃণাল কুমাৰ বৰা, সাহিত্যকৰ্মী প্ৰদীপ কুমাৰ শইকীয়া, সমাজকৰ্মী মাধৱ চন্দ্ৰ বৰা, সাংস্কৃতিক কৰ্মী দিলীপ দাস আৰু সমাজকৰ্মী ৰাতুল কুমাৰ বৰা আদিয়ে তেওঁলোকৰ ভাষণ প্ৰসংগত সমাজত সাংবাদিকতাৰ ভূমিকা, সত্য-শুদ্ধ বাতৰি পৰিৱেশনৰ ক্ষেত্ৰত সাংবাদিক সকলৰ কৰণীয়, সাংবাদিক সকলৰ নিৰপেক্ষ ভূমিকা, সমাজত সুস্থ বাতাৱৰণ গঢ়ি তোলাত সাংবাদিক আৰু জনসাধাৰণৰ কৰণীয়, সাংবাদিকসকলৰ ইতিবাচক-নেতিবাচক দৃষ্টিভংগী আদি বিভিন্ন আলোচিত হয়। প্ৰেছক্লাবৰ এই প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত বৰমপুৰ অঞ্চলৰ বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। তাৰ ভিতৰত বিশিষ্ট সমাজকৰ্মী নৰেন্দ্ৰ নাথ বৰা, অৱসৰপ্ৰাপ্ত বেংক বিষয়া কোষেশ্বৰ বৰা, নাট্যকৰ্মী সোণাৰাম বৰা, অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া গোলাপ নেওগ, অভিনেতা তথা পৰিচালক ৰাজেন ফুকন, সমাজকৰ্মী তোষেশ্বৰ কলিতা, উৰিয়াগাঁও পঞ্চায়তৰ সভানেত্ৰী ৰানু বৰা, উৰিয়াগাঁও আঞ্চলিক পঞ্চায়তৰ সদস্য জয়ন্ত কুমাৰ বৰা, গাঁওপ্ৰধান নিপাংকৰ শইকীয়া আৰু গণেশ চমুৱা প্ৰমুখ্যে অৰ্ধশতাধিক স্থানীয় ৰাইজ উপস্থিত থাকে।

অসম-নগালেণ্ড সীমা সমস্যাৰ স্থায়ী সমাধানৰ দাবীত সৰুপথাৰত উত্তাল প্ৰতিবাদ সাব্যস্ত

ধনশিৰি মহকুমা ছাত্ৰ সন্থা, অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু গোৰ্খা ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত প্ৰতিবাদ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৯ জুলাই ঃ অসম-নগালেণ্ড সীমা সমস্যাৰ স্থায়ী আৰু গ্ৰহণযোগ্য সমাধান, নগাৰ আগ্ৰাসন সম্পূৰ্ণৰূপে বন্ধ কৰা, অসমৰ ভূমিৰ অখণ্ডতা আৰু সীমাৰ সুৰক্ষা অক্ষুণ্ণ ৰখা, লগতে সীমান্ত অঞ্চলত বসবাস কৰা জনসাধাৰণৰ জীৱন-সম্পত্তিৰ নিৰাপত্তা নিশ্চিত কৰাৰ দাবীত বুধবাৰে সৰুপথাৰত এক ব্যাপক প্ৰতিবাদী বিক্ষোভ কাৰ্যসূচী অনুষ্ঠিত হয়। ধনশিৰি মহকুমা ছাত্ৰ সন্থা, অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু গোৰ্খা ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত তিনি শতাধিক ছাত্ৰ-যুৱক, বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি আৰু স্থানীয় ৰাইজে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে বিভিন্ন দাবীসম্বলিত প্লেকাৰ্ড আৰু বেনাৰ লৈ সৰুপথাৰ নগৰৰ ৰাজপথেদি সমদলেৰে সৰুপথাৰ সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত উপস্থিত হয়। প্ৰতিবাদকাৰী সকলে "অসম চৰকাৰ হায় হায়", "বিজেপি গ' বেক", "অতুল বৰা হায় হায়", "সদৌ অসম ছাত্ৰ সন্থা জিন্দাবাদ", "অসম চাহ জনজাতি ছাত্ৰ সন্থা জিন্দাবাদ", "গোৰ্খা ছাত্ৰ সন্থা জিন্দাবাদ", "অসম-নাগালেণ্ড সীমা সমস্যাৰ স্থায়ী সমাধান কৰিবই লাগিব" আদি বিভিন্ন শ্লোগানেৰে সমগ্ৰ সৰুপথাৰ নগৰৰ ৰাজপথ কঁপাই তোলাৰ লগতে সৰুপথাৰ সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত কেন্দ্ৰ চৰকাৰ আৰু অসম চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। প্ৰতিবাদস্থলীত অনুষ্ঠিত হোৱা সমাৰেশত ছাত্ৰ সংগঠন কেইটাৰ বিষয় ববীয়াসকলে কয় যে, অসম-নগালেণ্ড সীমা সমস্যা দীৰ্ঘদিন ধৰি অমীমাংসিত হৈ থকাৰ ফলত সীমান্ত অঞ্চলৰ সাধাৰণ ৰাইজে অনিশ্চয়তা, ভয় আৰু নিৰাপত্তাহীনতাৰ মাজত জীৱন অতিবাহিত কৰিবলৈ বাধ্য হৈছে। সময়ে সময়ে সংঘটিত হোৱা আগ্ৰাসনমূলক ঘটনাই সীমান্তবাসীৰ স্বাভাৱিক জীৱন-যাপন ব্যাহত কৰাৰ লগতে তেওঁলোকৰ কৃষিভূমি, বাসস্থান আৰু জীৱিকাৰ ওপৰতো গভীৰ প্ৰভাৱ পেলাইছে। এনে পৰিস্থিতিত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে সমস্যা সমাধানৰ ক্ষেত্ৰত অধিক দায়িত্বশীল আৰু ফলপ্ৰসূ ভূমিকা গ্ৰহণ কৰা উচিত বুলি তেওঁলোকে মন্তব্য কৰে। বক্তাসকলে অসমৰ ভূমিৰ এক ইঞ্চিও যাতে বেদখল নহয়, তাৰ বাবে চৰকাৰে কঠোৰ আৰু দৃঢ় পদক্ষেপ গ্ৰহণ কৰাৰ দাবী জনায়। লগতে সীমান্ত অঞ্চলত স্থায়ী শান্তি আৰু আইন-শৃংখলা বজাই ৰাখিবলৈ প্ৰয়োজনীয় নিৰাপত্তা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। সীমান্তবাসীৰ জীৱন, সম্পত্তি আৰু মৌলিক অধিকাৰৰ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে কোনো ধৰণৰ অৱহেলা প্ৰদৰ্শন কৰিব নালাগে বুলিও তেওঁলোকে স্পষ্টভাৱে মত প্ৰকাশ কৰে। প্ৰতিবাদকাৰীসকলে অভিযোগ উত্থাপন কৰে যে, সীমান্ত সমস্যাৰ দৰে এক গুৰুত্বপূৰ্ণ বিষয়ত অসম চৰকাৰ আৰু জিলা প্ৰশাসনে এতিয়ালৈকে সন্তোষজনক আৰু দৃশ্যমান পদক্ষেপ গ্ৰহণ কৰা নাই। চৰকাৰৰ এইনীৰৱ আৰু উদাসীন মনোভাৱৰ বাবেই সীমান্তবাসীৰ উদ্বেগ দিনক দিনে বৃদ্ধি পাইছে বুলি তেওঁলোকে উল্লেখ কৰে। সেয়েহে সমস্যা সমাধানৰ বাবে অবিলম্বে সময়বদ্ধ আৰু ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰাৰ দাবী উত্থাপন কৰে। কাৰ্যসূচীৰ অন্তত ধনশিৰি মহকুমা ছাত্ৰ সন্থা, অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু গোৰ্খা ছাত্ৰ সন্থাৰ প্ৰতিনিধিসকলে সৰুপথাৰ সমজিলাৰ আয়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীৰ উদ্দেশ্যে এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰত সীমান্ত সমস্যাৰ স্থায়ী সমাধান, অসমৰ ভূমিৰ সুৰক্ষা, সীমান্তবাসীৰ জীৱন-সম্পত্তিৰ নিৰাপত্তা নিশ্চিতকৰণ আৰু নগাৰ আগ্ৰাসন ৰোধৰ বাবে জৰুৰীভাৱে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী উত্থাপন কৰা হয়। ইফালে, কেইদিনমান পূৰ্বে অসমৰ সীমান্ত উন্নয়ন মন্ত্ৰী অতুল বৰাই সীমান্ত অঞ্চল পৰিদৰ্শনৰ সময়ত কঠাল চিঙি বাহনত তোলা ঘটনাক কেন্দ্ৰ কৰি প্ৰতিবাদকাৰীসকলে তীব্ৰ সমালোচনা কৰে। তেওঁলোকৰ মতে, সীমান্তবাসীৰ দীৰ্ঘদিনীয়া দুৰ্ভোগ, ভূমি বেদখল, নিৰাপত্তাহীনতা আৰু আগ্ৰাসনৰ দৰে জ্বলন্ত সমস্যাবোৰৰ বাস্তৱ সমাধানৰ পৰিৱৰ্তে এনে কাৰ্যই চৰকাৰৰ অগ্ৰাধিকাৰক লৈ জনমানসত প্ৰশ্নৰ সৃষ্টি কৰিছে। আনহাতে, দীৰ্ঘদিন ধৰি সীমান্ত অঞ্চলত বসবাস কৰি অহা অসমৰ খিলঞ্জীয়া লোকসকলৰ জীৱন, সম্পত্তি আৰু অধিকাৰ সুৰক্ষাৰ বিষয়টো এতিয়ালৈকে কোনো এজন স্থানীয় বিধায়কে ৰাজ্যৰ বিধানসভাত যথাযথভাৱে উত্থাপন নকৰাৰ অভিযোগ উত্থাপন কৰি প্ৰতিবাদকাৰীসকলে বিভিন্ন জনপ্ৰতিনিধিৰ ভূমিকাকো কটাক্ষ কৰে। সীমান্ত সমস্যাক ৰাজনৈতিক বক্তব্যৰ মাজতে সীমাবদ্ধ নাৰাখি, বাস্তৱভিত্তিক আৰু স্থায়ী সমাধানৰ দিশত সকলো পক্ষই আন্তৰিকতাৰে আগবাঢ়ি আহিবলৈ তেওঁলোকে আহ্বান জনায়। অনথ্যা আগন্তুক সময়ত তেওঁলোকে ইয়াতকৈও তীব্ৰ আৰু জংগী আন্দোলন কৰাৰ হুংকাৰ প্ৰদান কৰে।

কৃষি বিজ্ঞান কেন্দ্ৰ, নলবাৰীৰ উদ্যোগত "কৃষি সামগ্ৰী ব্যৱসায়ীৰ প্ৰশিক্ষণ" সম্পন্ন

অসম বাৰ্তা, নলবাৰী, ৯ জুলাই ঃ অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট আৰু ৰাজ্যিক কৃষি বিভাগ, অসমৰ যৌথ উদ্যোগত বুধবাৰে কৃষি বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ দ্বাৰা পোন্ধৰ দিনীয়া এক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈ যায়। কৃষি বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ কৃষি বিশেষজ্ঞ হোমেশ্বৰ মজুমদাৰে আঁতধৰা অনুষ্ঠানটোত উপস্থিত থাকি ভাষণ আগবঢ়াই নলবাৰী জিলা কৃষি বিষয়া দিবাকৰ ডেকাই কয় যে- এই ধৰণৰ প্ৰশিক্ষণে কৃষক ৰাইজক যথেষ্ট পৰিমাণে উপকৃত কৰিব। বীজ, কীটনাশক দ্ৰব্যৰ ব্যৱহাৰৰ লগতে বিজ্ঞানসন্মত ভাৱে কেনেকৈ খেতিৰ লগত জড়িত হব পাৰি, সেই বিষয়তো তেওঁলোকক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। উক্ত অনুষ্ঠানটোত উপস্থিত থাকি মহকুমা কৃষি বিষয়া ৰমনী কান্ত শৰ্মা, কৃষি বিজ্ঞানী অংকুৰ ৰাজবংশী, নাচিমা ফাৰহানা আলি, লখোপুৰৰ উদ্যান শস্য মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক সঞ্জীৱ শৰ্মা, কৃষি বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ ভাৰপ্ৰাপ্ত মুৰব্বী অম্বিকাচৰণ শৰ্মা, বিষয় বস্তু বিশেষজ্ঞ ভূপেন কুমাৰ বৈশ্যও সুন্দৰ ভাৱে বক্তব্য আগবঢ়ায়। পোন্ধৰ দিনীয়া প্ৰশিক্ষণ শিবিৰৰ পিছতে নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অংশগ্ৰহণ কৰা পঞ্চাশজন প্ৰশিক্ষাৰ্থীক মান পত্ৰ প্ৰদান কৰা হয়। মানপত্ৰ গ্ৰহণ কৰি প্ৰশিক্ষাৰ্থী সকলৰ প্ৰচেষ্টাত কৃষি বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ চৌহদত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতি জীয়াই ৰাখিবলৈ নাহৰৰ পুলি ৰোপণ কৰে নলবাৰী জিলা কৃষি বিষয়া দিবাকৰ ডেকা আৰু কৃষি বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ ভাৰপ্ৰাপ্ত মুৰব্বী অম্বিকাচৰণ শৰ্মাই।

যান-বাহন আইন ভংগকাৰীৰ বিৰুদ্ধে সষ্টম পৰিবহণ বিভাগ আৰু মাকুম আৰক্ষী

অসম বাৰ্তা, মাকুম, ৯ জুলাই ঃ তিনিচুকীয়া জিলাৰ পৰিবহণ বিভাগৰ পথ সুৰক্ষা অভিযান অব্যাহত। সমগ্ৰ ৰাজ্যত পথ দুৰ্ঘটনা ৰোধ কৰাৰ উদ্দেশ্যৰে আৰম্ভ কৰা পথ সুৰক্ষা অভিযান অব্যাহত আছে তিনিচুকীয়া জিলা খনত। অনিয়ন্ত্ৰণ ভাৱে বাহন চলোৱা চালক সকল, সুৰাপান কৰি বাহন চলোৱা চালক সকল আৰু হেলমেট পৰিধান নকৰাকৈ মটৰচাইকেল চলোৱা মটৰচাইকেল আৰোহী সকলৰ বিৰুদ্ধে তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তত তিনিচুকীয়া পৰিবহণ বিভাগ আৰু স্থানীয় আৰক্ষী সকলে দিনেই-নিশাই অভিযান অব্যাহত ৰাখিছে। যি সকল চালক বা আৰোহীয়ে এই আইন ভংগ কৰিছে সেই সকলৰ বিৰুদ্ধে বিভাগীয় কৰ্তৃপক্ষই নিৰ্ধাৰিত জৰিমনা বিহিছে। তাৰ সমান্তৰাল ভাৱে নিশা মাকুম উৰণ সেতুৰ তলত আৰু মাকুম ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত অৱস্থিত মাকুম ট্ৰেফিক পইণ্টত তিনিচুকীয়া জিলা পৰিবহণ বিষয়া কানাই মহন্ত আৰু মাকুম আৰক্ষী থানাৰ পৰিদৰ্শক (inspector) হিচাপে নতুনকৈ দায়িত্ব গ্ৰহণ কৰা পুলক কুমাৰৰ উপস্থিতিত যান-বাহন আইনভংগকাৰী সকলৰ বিৰুদ্ধে অভিযান চলোৱা হয়। মাকুম উৰণ সেতুৰ তলত চলা অভিযান কালত কেইবাজনো সুৰাপায়ী চালকক তিনিচুকীয়া জিলা পৰিবহণ বিষয়া কানাই মহন্তৰ উপস্থিতিত জৰিমনা বিহা হয়। ইয়াৰ লগতে মাকুম ট্ৰেফিক পইণ্টত চলা অভিযান কালত কেইবাজনো হেলমেট পৰিধান নকৰা মটৰচাইকেল আৰোহীক মাকুম আৰক্ষী থানাৰ পৰিদৰ্শক পুলক কুমাৰৰ উপস্থিতিত জৰিমনা বিহা হয়। আমি কেৱলজন সাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থত এনেধৰণৰ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছোঁ, গতিকে এই আইন সকলোৱে মানি চলক, বুলি সকলো বাহন চালক সকলক উদ্দেশ্যি পৰিবহণ বিষয়া কানাই মহন্ত আৰু পৰিদৰ্শক পুলক কুমাৰে বাৰ্তা প্ৰেৰণ কৰে।

গ্ৰাম্য অঞ্চলৰ পৰা ইছৰোৰ মজিয়ালৈ নলবাৰীৰ মেধাৱী ছাত্ৰ সুদীপ্ত মিশ্ৰ; মহাকাশ বিজ্ঞানী হোৱাৰ সপোনেৰে আগবাঢ়িছে যুৱ বিজ্ঞানী

অসম বাৰ্তা, নলবাৰী, ৯ জুলাই ঃ শিশুকালৰে পৰাই মহাকাশ বিজ্ঞানী হোৱাৰ অদম্য সপোন বুকুত লৈ আগবাঢ়ি অহা নলবাৰী জিলাৰ ককয়া গাঁৱৰ মেধাৱী ছাত্ৰ সুদীপ্ত কুমাৰ মিশ্ৰই ভাৰতৰ সৰ্বোচ্চ মহাকাশ গৱেষণা সংস্থা ISRO ভ্ৰমণ কৰাৰ এক বিৰল সুযোগ লাভ কৰি গৌৰৱ কঢ়িয়াই আনিছে। গ্ৰাম্য অঞ্চলৰ পৰা গৈ দেশৰ অন্যতম শীৰ্ষ বৈজ্ঞানিক প্ৰতিষ্ঠানত উপস্থিত হৈ মহাকাশ বিজ্ঞানৰ বাস্তৱ অভিজ্ঞতা লাভ কৰা সুদীপ্তই ভৱিষ্যতে এগৰাকী মহাকাশ বিজ্ঞানী হোৱাৰ সপোনক আৰু অধিক দৃঢ় কৰি তুলিছে। ৰাজীৱ কুমাৰ মিশ্ৰ আৰু মণিকা দেৱীৰ একমাত্ৰ সন্তান সুদীপ্ত বৰ্তমান নলবাৰী জিলাৰ বানেকুছিস্থিত পিএম শ্ৰী জৱাহৰ নবোদয় বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ। ৰাজ্যৰ মাত্ৰ ১৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা এই বিশেষ সুযোগৰ অন্যতম আছিল সুদীপ্ত। ভ্ৰমণকালত ISRO-এ সুদীপ্তক 'যুৱ বিজ্ঞানী'ৰ প্ৰমাণপত্ৰ প্ৰদান কৰে। উল্লেখযোগ্য যে, সৰুৰে পৰাই মহাকাশ বিজ্ঞানৰ প্ৰতি গভীৰ আগ্ৰহী সুদীপ্তই ISRO-ৰ এক বিশেষ কাৰ্যসূচীৰ অধীনত আবেদন কৰিছিল। আবেদন, মূল্যায়ন আৰু বিভিন্ন পৰ্যায়ৰ নিৰ্বাচনী প্ৰক্ৰিয়া সফলতাৰে অতিক্ৰম কৰাৰ পাছত তেওঁ এই সন্মানজনক সুযোগ লাভ কৰে। ISRO-ৰ মুখ্য কাৰ্যালয়ত উপস্থিত হৈ সুদীপ্তই মহাকাশ অভিযানৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশ অতি ওচৰৰ পৰা প্ৰত্যক্ষ কৰে। বিজ্ঞানীসকলে চন্দ্ৰ অভিযান কেনেদৰে পৰিচালনা কৰে, মহাকাশচাৰী সকলৰ জীৱনযাপন, মহাকাশত তেওঁলোকৰ খাদ্য ব্যৱস্থা আৰু গৱেষণাৰ আধুনিক পদ্ধতিৰ বিষয়ে তেওঁ হাতে-কলমে জ্ঞান লাভ কৰে। কেৱল তাত্ত্বিক জ্ঞানেই নহয়, ISRO-ৰ বিজ্ঞানীসকলৰ তত্ত্বাৱধানত সুদীপ্তই ৰকেটৰ আৰ্হি নিৰ্মাণৰ দৰে জটিল কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ সুযোগো লাভ কৰে। নিজ হাতে ৰকেটৰ আৰ্হি নিৰ্মাণ কৰাৰ অভিজ্ঞতাক তেওঁ জীৱনৰ অন্যতম স্মৰণীয় মুহূৰ্ত বুলি অভিহিত কৰে। এই অভিজ্ঞতাই তেওঁৰ বিজ্ঞানী হোৱাৰ সপোনক অধিক দৃঢ়তা প্ৰদান কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। নলবাৰীৰ ককয়া গাঁৱৰ পৰা গৈ ISROৰ দৰে বিশ্বখ্যাত বৈজ্ঞানিক প্ৰতিষ্ঠানত উপস্থিত হোৱাৰ এই সাফল্যই এতিয়া সমগ্ৰ অঞ্চলৰ লগতে অসমবাসীৰ বাবে গৌৰৱৰ বিষয় হৈ পৰিছে। তেওঁৰ এই কৃতিত্বত বিদ্যালয়খন, স্থানীয় ৰাইজ, শিক্ষক-শিক্ষয়িত্ৰী আৰু পৰিয়ালৰ মাজত আনন্দৰ জোৱাৰ বৈছে। নিজৰ অনুভৱ ব্যক্ত কৰি সুদীপ্তই কয়, "বহুতে চিকিৎসক বা অভিযন্তা হোৱাৰ সপোন দেখে। কিন্তু বিজ্ঞানী হোৱাৰ সপোন দেখা শিক্ষাৰ্থীৰ সংখ্যা তুলনামূলক ভাৱে কম। মনত দৃঢ় ইচ্ছাশক্তি থাকিলে আৰু নিয়মীয়াকৈ অধ্যৱসায় কৰিলে কোনো কামেই কঠিন নহয়। লক্ষ্য স্থিৰ কৰি আগবাঢ়িলে সফলতা নিশ্চিত।" আনহাতে, পুত্ৰৰ এই সাফল্যত উৎফুল্ল পিতৃ ৰাজীৱ কুমাৰ মিশ্ৰই কয়, "সুদীপ্ত সৰুৰে পৰাই আৱিষ্কাৰমুখী চিন্তাধাৰাৰ আছিল। তাৰ পঢ়াৰ ধৰণো আনৰ পৰা অলপ বেলেগ। বিজ্ঞানৰ প্ৰতি থকা আগ্ৰহ দেখি সৰুৰে পৰাই বিজ্ঞানী হোৱাৰ লক্ষণ দেখিছিলোঁ। তাৰ পঢ়া-শুনাৰ ক্ষেত্ৰত কোনো অভাৱ হ'বলৈ দিয়া নাই।" গ্ৰাম্য অঞ্চলৰ পৰা অধ্যৱসায়, একাগ্ৰতা আৰু সপোনৰ বলত ISRO-ৰ দুৱাৰলৈ উপনীত হোৱা সুদীপ্ত কুমাৰ মিশ্ৰৰ এই সফল যাত্ৰাই অসমৰ বহু শিক্ষাৰ্থীক বিজ্ঞান আৰু মহাকাশ গৱেষণাক কেৰিয়াৰ হিচাপে বাছি ল'বলৈ নতুন প্ৰেৰণা যোগাব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে।

সৰুপেটাত ৰে'লৰে আৰক্ষীৰ মৃতদেহ উদ্ধাৰ

অসম বাৰ্তা, বৰপেটাৰোড, ৯ জুলাই ঃ বৰপেটাৰোডৰ ৰে'ল আৰক্ষীয়ে আজি সৰুপেটা ৰে'ল ষ্টেচনৰ ওচৰৰ ৰেল লাইনত পৰি থকা অৱস্থাত এগৰাকী অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ কৰে। আনুমানিক ৬০ বছৰ বয়সৰ বগা বৰণৰ মহিলা গৰাকীৰ পিন্ধনত ক'লা-হালধীয়া ৰঙৰ নাইটী আৰু উৰণি আছিল। আজি মৰণোত্তৰ পৰীক্ষাৰ পিচত মৃতদেহটি ৰেলৰে মৰ্গত ৰাখি থোৱা বুলি জনাইছে।

NAME CORRECTION

Sworn before Notary Public at Dhubri on 07-07-2026, I, Dipika Ray, D/O- Pabitra Ray, W/O- Mahadev Adhikary, resident of Village- Dakhin Tokererchara Part-I, P.O.- Golakganj, P.S.- Golakganj, Dist.- Dhubri, Assam, Pin-783334, declare that my correct name is DIPIKA RAY as recorded in my Aadhaar Card No. 5133 6834 8674, PAN Card No. EUCPR0806P, and EPIC (Voter ID) No. FSC1216097. Due to a bonafide error, my name is wrongly recorded as DIPIKA ADHIKARY in my Assam Gramin Vikash Bank Passbook (A/C No. 7147026012567, Golakganj Branch, IFSC: UTBI0RRBAGB). Both names refer to the same and one identical person. This is for information of the concerned authorities and general public.

AB-99/2026

NAME CORRECTION

I, BOJEN MUNDA, S/O.- Late Suresh Munda, R/O.- Harkina Gaon, P.O.- Peoliphukon, Dist.- Sivasagar, Assam, PIN-785685, do hereby declare that my father's correct name is SURESH MUNDA. Due to bonafide mistake, his name has been wrongly recorded in our Jamabandi Copy, Vide P.P. No.- 5, 94, situated at Harkina Gaon, Mouza Athkhel, Revenue Circle Nazira, Dist.- Sivasagar, Assam, as SUKURA MURA instead of SURESH MUNDA. Both names refer to the same and one person, i.e., my deceased father.

AB-100/2026

অভয়াপুৰীত জ্যোতি সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত গীতৰ প্ৰশিক্ষণ

অসম বাৰ্তা, অভয়াপুৰী, ৯ জুলাই ঃ বঙাইগাঁও জিলাৰ অভয়াপুৰী জ্যোতি সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত ৩, ৪ আৰু ৫ জুলাইত তিনি দিনীয়াকৈ জয়ন্ত হাজৰিকাৰ গীতৰ কৰ্মশালা অনুষ্ঠিত হৈ যায়। একে দৰে উক্ত অনুষ্ঠানৰ উদ্যোগত ৭ আৰু ৮ জুলাইত জ্যোতি- বিষ্ণুৰ গীতৰ কৰ্মশালা অনুষ্ঠিত হয়। জয়ন্ত হাজৰিকাৰ গীতৰ কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে ডাঃ মিনাল দাস, যতিন চেতীয়া আৰু হেমন্ত নাথ। জ্যোতি বিষ্ণুৰ প্ৰশিক্ষক হিচাপে উপস্থিত থাকে অনাতাঁৰ শিল্পী কবিন দাস আৰু বিষ্ণু নাথে। জ্যোতি সাংস্কৃতিক অনুষ্ঠানৰ প্ৰশালাত অনুষ্ঠিত হোৱা কৰ্মশালাত অৰ্ধ শতাধিক প্ৰশিক্ষাৰ্থী উপস্থিত থাকে। জ্যোতিপ্ৰসাদ আগৰৱালা বিষ্ণু প্ৰসাদ ৰাভা আৰু জয়ন্ত হাজৰিকাৰ কালজয়ী অমৰ গীত সমূহ জীয়াই ৰখাৰ বাবে অভয়াপুৰী জ্যোতি সাংস্কৃতিক অনুষ্ঠানে লৈছে এনে পদক্ষেপ। অহা ১২ জুলাইত ল'ৰা-ছোৱালীৰ বিকাশৰ অৰ্থে বিষ্ণু ৰাভা দিৱসৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীৰ মাজত গীতৰ প্ৰতিযোগিতা আৰু কৱিতা প্ৰতিযোগিতাত অনুষ্ঠিত হ'ব বুলি অনুষ্ঠানটোৰ সভাপতি ধৰণি বনিক্য আৰু সম্পাদক দেৱ কুমাৰ দাসে জানিবলৈ দিছে।

আগিয়াত সাহিত্য একাডেমীৰ 'নাৰী চেতনা' অনুষ্ঠান; সমাজত নাৰীৰ স্থান পুৰুষৰ সমান হ'ব লাগিব বুলি মন্তব্য ড° পাৰুল নাথৰ

কেৱল অৰ্থনৈতিক স্বাৱলম্বিতাই নহয়, স্বতন্ত্ৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষমতাহে নাৰীৰ প্ৰকৃত মুক্তি ঃ শিৱানী বৰা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ৯ জুলাই ঃ কেৱল অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'লেই এগৰাকী নাৰী প্ৰকৃততে মুক্ত হ'ব নোৱাৰে, যদিহে তেওঁৰ নিজৰ জীৱনৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তবোৰ স্বতন্ত্ৰভাৱে লোৱাৰ অধিকাৰ নাথাকে। পৰিৱেশ আৰু পৰিস্থিতি অনুসৰি সঠিক সিদ্ধান্ত ল'ব পৰা নাৰীয়েহে সমাজক প্ৰকৃত দিশদৰ্শন কৰাব পাৰে। কালি সাহিত্য একাডেমীৰ উদ্যোগত আৰু পশ্চিম গোৱালপাৰা সমজিলা প্ৰেছ ক্লাবৰ সহযোগত আগীয়াৰ বালিজানা গাঁও পঞ্চায়তৰ সভাগৃহত অনুষ্ঠিত 'নাৰী চেতনা' বিষয়ক এক বিশেষ অনুষ্ঠানত এই মন্তব্য কৰে বিশিষ্ট শিশু উন্নয়ন প্ৰকল্প বিষয়া শিৱানী বৰাই। দিনৰ ১১ বজাত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক ড° পাৰুল নাথে কয়, "সমাজ এখন সুস্থভাৱে আগবাঢ়ি যাবলৈ হ'লে নাৰীৰ স্থান পুৰুষৰ সমকক্ষ হ'বই লাগিব।" তেওঁ বিজ্ঞানসন্মত দৃষ্টিভংগীৰে কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে মাত মাতিবলৈ নাৰী সমাজক আহ্বান জনায়। বিশিষ্ট সাহিত্যিক-সাংবাদিক ড° ভৱেশ দাসৰ সঞ্চালনাত অনুষ্ঠিত প্ৰথমটো অনুষ্ঠানত কবি হিৰণপ্ৰভা দেৱী, চিত্ৰা কলিতা মেধি আৰু অভিনেত্ৰী চিনা ৰাভাই নাৰী চেতনাৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ প্ৰান্তিক শিৰমৰ সঞ্চালনাত দ্বিতীয়টো কাৰ্যসূচী 'মুলাকাত' অনুষ্ঠিত হয়, য'ত যুৱ প্ৰজন্মক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি আকৰ্ষিত কৰাৰ সংকল্প লোৱা হয়। ইয়াত উদীয়মান কবি চাৰ্জন ৰাভা, মেগো আৰু ভাৰ্গৱজ্যোতি কলিতাই কবিতা পাঠ কৰে। ৰামপুৰ বাদুংদুপ্পা কলাকেন্দ্ৰৰ শিল্পী শ্যামেলী ৰাভাই ৰাভা গীত আৰু আকৰ্ষণীয় নাটকৰ সংলাপ পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানৰ আৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰে পশ্চিম গোৱালপাৰা সমজিলা প্ৰেছ ক্লাবৰ সভাপতি নাৰায়ণ চন্দ্ৰ কলিতাই। তেওঁ প্ৰেছ ক্লাবৰ গঠন আৰু ইয়াৰ সামাজিক ভূমিকাৰ খতিয়ান দাঙি ধৰে। উক্ত অনুষ্ঠানত চাৰুমোহন ৰাভা, শিৱচৰণ ৰাভা, জয়শ্ৰী দেৱী আদিকে ধৰি অঞ্চলটোৰ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। শেষত কবি ৰাধেশ্যাম নাথে এটি স্ব-ৰচিত কবিতা পাঠ কৰি সকলোকে শলাগৰ শৰাই যাচে।

মৰিগাঁৱৰ ভূৰবন্ধাত বিজ্ঞানসন্মত কৃষি প্ৰণালীৰ প্ৰশিক্ষণ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৯ জুলাই ঃ মৰিগাঁৱৰ ভূৰবন্ধাত বিজ্ঞানসন্মত কৃষি প্ৰণালীৰ প্ৰশিক্ষণ অনুষ্ঠিত মৰিগাঁও জিলাৰ ভূৰবন্ধা অঞ্চলত বিজ্ঞানসন্মত কৃষি প্ৰণালী সন্দৰ্ভত এটি গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ কাৰ্যসূচী সফলভাৱে অনুষ্ঠিত হয়। স্থানীয় কৃষকসকলক আধুনিক কৃষি পদ্ধতি, উন্নত বীজ ব্যৱহাৰ, মাটিৰ গুণাগুণ সংৰক্ষণ আৰু উৎপাদন বৃদ্ধি কৰাৰ বিভিন্ন কৌশল সন্দৰ্ভত অৱগত কৰাৰ লক্ষ্যৰে এই প্ৰশিক্ষণ আয়োজন কৰা হৈছিল। উক্ত প্ৰশিক্ষণত বিশেষকৈ প্ৰাকৃতিক কৃষি আৰু পান খেতি কি দৰে বিজ্ঞান সন্মত ভাবে কৰিব পাৰি তাৰে প্ৰশিক্ষণ আগবঢ়ায়। উক্ত কাৰ্যসূচীত কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী সৌৰভ বৰুৱাই কৃষকসকলক বিজ্ঞানসন্মত পদ্ধতিত কৃষিকাৰ্য কৰাৰ উপকাৰিতা বুজাই দিয়ে। তেওঁ বিশেষকৈ জল সংৰক্ষণ, মাটিৰ পৰীক্ষা আৰু জৈৱ সাৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কৃষি বিষয়া ড° সুকন্যা গগৈয়ে কৃষকৰ বাবে উপলব্ধ চৰকাৰী আঁচনি আৰু আধুনিক কৃষি যন্ত্ৰপাতিৰ ব্যৱহাৰ বিষয়ে বিশদভাৱে আলোকপাত কৰে। আনহাতে জিলা কৃষি বিষয়া লোনা বৰুৱাই কৃষি খণ্ডৰ সামগ্ৰিক উন্নয়ন আৰু কৃষকসকলৰ আয় বৃদ্ধি কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে অৱগত কৰে। এই কাৰ্যসূচীত অভিজিৎ বৰদলৈ আৰু আৰ্চিতা কুমবাংৰো উপস্থিত থাকি কৃষকসকলৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকৰ সমস্যাসমূহ শুনি সমাধানৰ পথ দেখুৱায়। প্ৰশিক্ষণত বহু সংখ্যক স্থানীয় কৃষকে অংশগ্ৰহণ কৰি আধুনিক কৃষি পদ্ধতিৰ বিষয়ে জ্ঞান আহৰণ কৰে। অংশগ্ৰহণকাৰীসকলে এই ধৰণৰ প্ৰশিক্ষণ আগন্তুক দিনতো অব্যাহত ৰাখিবলৈ আহ্বান জনায়। উল্লেখ্য যে, এইধৰণৰ বিজ্ঞানসন্মত প্ৰশিক্ষণে কৃষকসকলৰ মাজত নতুন চিন্তাধাৰা গঢ়ি তুলি কৃষিক্ষেত্ৰত উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

৩০ গৰাকী কবিৰ কবিতা পাঠ; অতিথি সকলক একোটা গছপুলি প্ৰদান

মাজুলীৰ চিতাদাৰ চুকৰ লুইতৰ পাৰৰ নান্দনিক পৰিৱেশৰ মাজত প্ৰতিভাবান কবি পপীদাসৰ “কবিতাৰ কৃষ্ণচূড়া” উন্মোচন

অসম বাৰ্তা, মাজুলী, ৯ জুলাই ঃ মাজুলীৰ উত্তৰ পাৰৰ চিতাদাৰ চুকৰ লুইতৰ পাৰৰ সেউজীয়া পৰিৱেশৰ মাজত ‘‘আয়াং অকুম”ৰ চোতালত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কবি-শিল্পীৰ উপস্থিতিত প্ৰতিভাবান কবি পপীদাসৰ কাব্য সংকলন ‘‘কবিতাৰ কৃষ্ণচূড়া” উন্মোচন কৰে সদৌ অসম কবি সন্মিলনৰ সম্পাদক পাৰিছিল হোছেইনে। ভাষণ প্ৰসংগত সদৌ অসম কবি সন্মিলনৰ প্ৰসংগৰে নবীন কবি পপীদাসৰ প্ৰচেষ্টাৰ শলাগ লৈ এক মনোজ্ঞ বক্তব্য আগবঢ়ায়। সভাত বিশিষ্ট অনাতাঁৰ শিল্পী অমিয় চিৰাঙৰ কণ্ঠৰ গীতে সভাস্থ সকলক অনুপ্ৰাণিত কৰে। আদৰণি ভাষণ আগবঢ়াই কাব্য সংকলনৰ স্ৰষ্টা পপী দাসে। আজি পপী দাসৰ জন্ম দিনৰ শুভেচ্ছা জ্ঞাপন কৰে কবিতা পাঠৰ মাধ্যমেৰে। কবিতা পাঠত অংশগ্ৰহণ কৰে ক্ৰমে ৰাজীৱ বৰুৱা, কৃষ্ণ দৈমাৰী, হৰেন দাস, নয়ন মনি দাস, দিপাংকৰ জ্যোতি বৰা, মনোৰঞ্জন দাস, প্ৰেজেছ দাস, যতীন্দ্ৰ নাথ মুদৈ, অশ্চিনী কলিতা, পিংকু মনি হাজৰিকা, ৰজনীকান্ত বৰদলৈ, লক্ষ্মী প্ৰসাদ ৰেগন, ধ্ৰুৱজ্যোতি বৰা, জয়ন্ত শইকীয়া, ত্ৰিপুৰাজ দলে, মল্লিকা বৰা, পম্পী হাজৰিকা, ৰেখা মুদৈ, কশৈল্যা বায়ন, স্বৰ্ণ মুদৈ, ৰশ্মি ৰেখা বৰা, কৃষ্ণা মেধি, কেশৱ দলে, কবিতা বৰা, গীতামনি শইকীয়া, লক্ষ্মীনাৰায়ণ শৰ্মা, ৰাজু কলিতা, পপী দাস, গৌতম দাস আদিয়ে। কেইবা গৰাকীয়ে পপীদাসৰ কাব্য সংকলনৰ পৰা কবিতা আবৃত্তি কৰি অনুষ্ঠানটো বাংময় কৰি তোলে। সভাত উপস্থিত থকা কবি সকলক একোটাকৈ গছপুলি প্ৰদান কৰা হয়। বিশিষ্ট অতিথিৰ আসনৰ পৰা অনুসুচীত জাতি পৰিষদৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক দেৱজিৎ হাজৰিকাই কয় সমাজখনৰ সকলো স্তৰৰ লোকৰ বাবে উন্নত মানৰ বীজ। এই বীজ মন্ত্ৰী সমাজখন ধৰি ৰাখিছে। মাজুলী জিলা কবি সন্মিলনৰ প্ৰাক্তন সম্পাদক জয়ন্ত হাজৰিকাই

সাংগঠনিক দিশৰ ওপৰত আলোকপাত কৰাৰ উপৰিও পপী দাসৰ প্ৰচেষ্টাৰ শলাগ লয়। জিলা কবি সন্মিলনৰ বৰ্তমানৰ সম্পাদক শ্যামন্ত পায়েঙে পপী দাসৰ প্ৰতিভা বিকাশৰ সংকল্প কেনেদৰে মূল্যায়ন হৈছে তাৰ ওপৰত আলোচনা কৰি কৃতজ্ঞতাৰ শৰাই আগবঢ়ায়। অনুষ্ঠানত ৰিজৰ্টৰ স্বত্বাধিকাৰী কৃষ্ণাদলে পায়েঙক আয়োজক সকলৰ তৰফৰ সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ আগেয়ে পুৱাৰ ভাগত বন্তি প্ৰজ্বলনৰ পাছতে বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে শ্ৰীৰাম বনমালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পদ্ম ধৰ শইকীয়াই। মাজুলী জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা কাব্য সংকলন উন্মোচনী সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে আউনীআটী বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ অধ্যাপক ৰঞ্জিৎ কুমাৰ ভূঞাই। সভাখনৰ আঁত ধৰে লক্ষ্মী নাৰায়ণ শৰ্মাই। সভাত শেষত সদৌ অসম কবি সন্মিলনৰ মধ্য কালীন অধিবেশনৰ ওপৰত আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰা হয়।

মানৱদৰদী চিকিৎসক ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়ালৈ চিকিৎসক প্ৰণাম আৰু মানৱহিতৈষী বঁটা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৯ জুলাই ঃ শিৱসাগৰৰ এগৰাকী মানৱদৰদী চিকিৎসক। নাম ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়া। শিৱসাগৰৰ সু সন্তান এইগৰাকী প্ৰচাৰবিমুখ ব্যক্তিজনে ছাত্ৰাৱস্থাতে শিৱসাগৰত স্কুলীয়া শিক্ষা সাং কৰি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ পৰা ১৯৭৭ চনত এম বি বি এছ পৰীক্ষাত উত্তীৰ্ণ হয়। অসমৰ বিভিন্ন জিলাৰ চিকিৎসালয়ত স্বাস্থ্য বিষয়া হিচাপে সুনাম অৰ্জন কৰাৰ পিছত ২০১৩ চনত অসম ৰাজ্যিক স্বাস্থ্য সেৱা সঞ্চালকালয়ত যুটীয়া সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰি জন্মস্থান শিৱসাগৰলৈ উভতি আহে। যি সময়ত অসমৰ বিভিন্ন জিলাৰ গৰিষ্ঠ সংখ্যক চিকিৎসকে অধিক ধন ঘটাৰ আশাত নাৰ্চিংহোম আদিত ৭০০ ৰ পৰা ১০০০ টকালৈকে ফিজ লৈ আছে, তেনে সময়তে জনদৰদী এই গৰাকী মহান চিকিৎসকে শিৱসাগৰ নগৰত এখন সাধাৰণ চেম্বাৰ নিম্নতম ফিজ লৈ সকলো শ্ৰেণীৰ ৰোগীৰ চিকিৎসা অব্যাহত ৰাখি জনসাধাৰণৰ মৰম বুটলিবলৈ সক্ষম হৈছে। বিশেষকৈ এইগৰাকী চিকিৎসকে দৰিদ্ৰ অভাৱগ্ৰস্ত ৰোগীৰ মৰ্মবেদনা উপলব্ধি কৰি বিনামূলীয়াকৈ চিকিৎসা প্ৰদানৰ লগতে বিনামূলীয়া ঔষধ আদিও প্ৰদান কৰি ৰোগী সকলৰ মাজত জনপ্ৰিয় হৈ পৰিছে। বিভিন্ন জটিল ৰোগত আক্ৰান্ত হৈ ব্যয়বহুল চিকিৎসা কৰোৱাব নোৱাৰা ৰোগীসকলে এই গৰাকী চিকিৎসকক অভিভাৱকৰ দৰে সন্মান প্ৰদৰ্শন কৰি আহিছে। অত্যন্ত অমায়িক স্বভাৱৰ এই গৰাকী চিকিৎসকৰ ওচৰত চিকিৎসা গ্ৰহণ কৰি কম দিনৰ ভিতৰতে আৰোগ্য লাভ কৰা ৰোগীসকলে তেখেতৰ ভদ্ৰ ব্যৱহাৰৰ বাবে মানসিক শান্তি লাভ কৰে বুলিও মন্তব্য কৰিছে। ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়া এগৰাকী সুদক্ষ চিকিৎসক হোৱাৰ লগতে তেখেতৰ আছে এটি শিল্পী সত্বা। শিৱসাগৰৰ সমাজ জীৱনৰ সৈতে সংপৃক্ত হৈ থকা প্ৰবুদ্ধ প্ৰসাদ চেতিয়া এগৰাকী জনপ্ৰিয় সংগীত শিল্পী আৰু অভিনেতা। জনপ্ৰিয় শিল্পী মানস ৰবীনৰ সৈতে তেখেতে বহুকেইটা অসমীয়া গীতত কণ্ঠদান কৰাৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰি জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। মানস ৰবীনৰ টেলিফ্লিম “লেফাফা”কে ধৰি বহুকেইখন চিৰিয়েলত তেখেতৰ ইতিমধ্যে কণ্ঠদান কৰাৰ লগতে পৰাগ চলিহাৰ-চাৰি হেজাৰ বছৰৰ অসম, পুণ্য দাসৰ - পিছফালৰ দুৱাৰেদি, আদি বহুকেইখন ছবি আৰু নাটকত অতি সুন্দৰ অভিনয়েৰে নিজৰ অভিনয় প্ৰতিভাৰ চিনাকি দিবলৈও সক্ষম হৈছে প্ৰবুদ্ধ চেতিয়াই। এইগৰাকী জনপ্ৰিয় শিল্পী আৰু মানৱদৰদী চিকিৎসকক এইবাৰ অসম সাহিত্য সভাই কেন্দ্ৰীয় কাৰ্যালয়ত অনুষ্ঠিত চিকিৎসক দিৱসত - “চিকিৎসক প্ৰণাম” সন্মান প্ৰদান কৰিছে। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়াক আনুষ্ঠানিক ভাৱে সাহিত্য সভাৰ তৰফৰ পৰা চিকিৎসক প্ৰণাম সন্মান প্ৰদান কৰে। আনহাতে অসমৰ এটা আগশাৰীৰ জাতীয় সংগঠন অসমীয়া যুৱ মঞ্চই ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়াক তেখেতৰ জীৱন যোৱা সাধনাৰ বাবে “মানৱহিতৈষী বঁটা” আগবঢ়াইছে। ইয়াৰোপৰি পাব্লিক প্ৰেছে এইগৰাকী প্ৰচাৰবিমুখ চিকিৎসক শিল্পীলৈ - সমাজহিতৈষী বঁটা, অসম সাংস্কৃতিক মহাসভাই ড° ভূপেন হাজৰিকা সোঁৱৰণী সমন্বয় বঁটাৰ উপৰিও নতুন দিল্লীত ইণ্ডিয়ান ইণ্টাৰনেছনেল চচাইটিয়ে ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়াক “গ্লৰী অৱ ইণ্ডিয়া”ৰ দৰে ইতিমধ্যে ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মান আগবঢ়াইছে। শিৱসাগৰৰ বিভিন্ন শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত জনদৰদী চিকিৎসক ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়াৰ বহুকেইটা তত্ত্বগধুৰ নিৱন্ধ অসমৰ বিভিন্ন কাকত আৰু আলোচনীত প্ৰকাশ পাইছে।

আমগুৰিৰ “স্বপ্নালয়”ৰ উদ্যোগত শিশু-কিশোৰৰ বাবে কবিতা প্ৰতিযোগিতা

অসম বাৰ্তা, চেলেংহাট, ৯ জুলাই ঃ শিৱসাগৰ জিলাৰ আমগুৰিৰ একমাত্ৰ শিশু সাহিত্য অনুষ্ঠান ‘‘স্বপ্নালয়”এ অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰথম মৃত্যু তিথি অহা ১৯ চেপ্তেম্বৰত অসমৰ নৱ প্ৰজন্মক অসমীয়া ভাষা সাহিত্যৰ প্ৰতি আগ্ৰহান্বিত কৰাৰ উদ্দেশ্যে পঞ্চম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত এখনি স্বৰচিত কবিতা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছে। কবিতাসমূহ জুবিন গাৰ্গৰ ওপৰত লিখা হোৱাটো বাঞ্ছনীয়। কবিতাৰ লগত জুবিন গাৰ্গৰ ফটো অংকন কৰি দিব পাৰিব। প্ৰতিযোগীসকলে সম্পূৰ্ণ নাম, ঠিকনা আৰু নিজৰ মা-দেউতা বা পৰিয়ালৰ যিকোনো এজন সদস্যৰ মোবাইল নম্বৰসহ একপি পাচপৰ্ট চাইজৰ ফটো তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰিব লাগিব। খামৰ ওপৰত “প্ৰতিযোগিতা লৈ” বুলি লিখিব। কবিতাসমূহ মণিমালা দত্ত, মুখ্য সম্পাদক, ‘‘স্বপ্নালয়” শিশু সাহিত্য গোষ্ঠী, আমগুৰি নগৰ, ১ নং ৱাৰ্ড, (২য় ৰেলগেটৰ সমীপত), ডাকঘৰ আমগুৰি, শিৱসাগৰ, অসম, পিন- ৭৮৫৬৮০, ফোন- ৮০১১৬৭২৬৭১, ৭৩৯৯৯১৭৯৬৬ ঠিকনাত প্ৰেৰণ কৰিব লাগিব। প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগীলৈ ডাকযোগে পুৰস্কাৰসমূহ প্ৰেৰণ কৰাৰ উপৰিও সকলো কবিতা সদৌ অসম মহিলা সমিতিৰ দ্বাৰা প্ৰকাশিত একমাত্ৰ শিশু কাব্যালোচনী ‘‘স্বপ্নালয়”ৰ বিশেষ সংখ্যাত প্ৰকাশ কৰা হ'ব। শিশু দিৱসৰ দিনা উক্ত কাব্যালোচনীখন উন্মোচন কৰা হ'ব বুলি সম্পাদক মণিমালা দত্তই জনাইছে। কবিতাসমূহ অহা ২৫ আগষ্টৰ ভিতৰত পঠিয়াব লাগিব। অসমৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে আলোচনীখনৰ কাৰণে স্বৰচিত কবিতা পঠিয়াব পাৰিব।

গহপুৰ সম-জিলাৰ বন্যাপীড়িত অঞ্চল পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ ল'লে আন্তঃমন্ত্ৰালয় কেন্দ্ৰীয় দলে

অসম বাৰ্তা, গহপুৰ, ৯ জুলাই ঃ ভাৰত চৰকাৰৰ দ্বাৰা গঠিত আন্তঃমন্ত্ৰালয় কেন্দ্ৰীয় দলে (Inter-Ministerial Central Team - IMCT) আজি বিশ্বনাথ জিলাৰ গহপুৰ সম-জিলাৰ অন্তৰ্গত বন্যাপীড়িত অঞ্চলসমূহ পৰিদৰ্শন কৰি শেহতীয়া বানপানীৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰে আৰু জনসাধাৰণৰ আন্তঃগাঁথনি তথা অন্যান্য সম্পত্তিৰ ওপৰত বানপানীৰ প্ৰভাৱৰ বুজ লয়। কেন্দ্ৰীয় দলটোৰ নেতৃত্ব দিয়ে ভাৰত চৰকাৰৰ যুটীয়া সচিব (কেন্দ্ৰশাসিত অঞ্চল) প্ৰবীণ কুমাৰ ৰায়ে। দলটোৰ আন সদস্যসকল আছিল মহেশ কুমাৰ, যুটীয়া সঞ্চালক, ফ্লাড কণ্ট্ৰ'ল ডিভিজন (FCD), ব্যয় বিভাগ, বিত্ত মন্ত্ৰালয় আৰু ড° এছ.ভি.এছ.পি. শৰ্মা, বিজ্ঞানী-এছএফ, নেচনেল ৰিম'ট ছেন্সিং চেণ্টাৰ (NRSC)। পৰিদৰ্শনকালত দলটোৱে বানপীড়িত কেইবাটাও স্থান পৰিদৰ্শন কৰি বানপানী আৰু আকস্মিক বাঢ়নী পানীৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বিস্তৃত মূল্যায়ন কৰে। জিলা প্ৰশাসনে দলটোক সাম্প্ৰতিক বান পৰিস্থিতি, গ্ৰহণ কৰা সঁহাৰি আৰু উদ্ধাৰ ব্যৱস্থাৰ লগতে ক্ষতিগ্ৰস্ত লোকসকলৰ সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে অৱগত কৰে। দলটোৱে গহপুৰ সম-জিলাৰ আলুপাৰা অঞ্চল পৰিদৰ্শন কৰি স্থানীয় বাসিন্দা আৰু বিষয়াবৰ্গৰ সৈতে মত-বিনিময় কৰে। পৰিদৰ্শনৰ সময়ত স্থানীয় লোকসকলে

বানপানীৰ সময়ত সন্মুখীন হোৱা বিভিন্ন সমস্যা, ক্ষতি আৰু প্ৰশাসনৰ দ্বাৰা গ্ৰহণ কৰা সাহায্য আৰু পুনৰসংস্থাপনমূলক ব্যৱস্থাৰ বিষয়ে দলটোক অৱগত কৰে। জিলা বিষয়াসকলে দলটোৰ আগত পথ, মথাউৰি, ৰাজহুৱা উপযোগী আন্তঃগাঁথনি, কৃষিভূমি, জলসম্পদ আৰু অন্যান্য গুৰুত্বপূৰ্ণ সম্পত্তিৰ ওপৰত হোৱা ক্ষয়-ক্ষতিৰ বিস্তৃত তথ্য উপস্থাপন কৰে। লগতে বান পৰিস্থিতিৰ সময়ত গ্ৰহণ কৰা তাৎক্ষণিক ব্যৱস্থা আৰু উদ্ধাৰ কাৰ্যৰ বিষয়েও দলটোক অৱগত কৰা হয়। পৰিদৰ্শনকালত দলটোৰ সৈতে উপস্থিত আছিল বিশ্বনাথ জিলাৰ জিলা আয়ুক্ত কৰবী শইকীয়া কৰণ, গহপুৰ সম-জিলাৰ ভাৰপ্ৰাপ্ত সম-জিলা আয়ুক্ত চম্পক ডেকা, হেলেমৰ ৰাজহ চক্ৰ বিষয়া জাহ্নৱী সোণোৱাল আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (ASDMA)ৰ মুক্তা ৰাম ডেকা তথা সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াবৰ্গ। জিলা প্ৰশাসনে দলটোক অৱগত কৰে যে বানপানীৰ সময়ত ক্ষতিগ্ৰস্ত লোকসকলক সুৰক্ষা প্ৰদানৰ উদ্দেশ্যে তৎপৰতাৰে উদ্ধাৰ আৰু স্থানান্তৰণ কাৰ্য, সাহায্য শিবিৰ পৰিচালনা, সাহায্য সামগ্ৰী বিতৰণ, যোগাযোগ ব্যৱস্থা পুনৰুদ্ধাৰ, অত্যাৱশ্যকীয় সেৱা অব্যাহত ৰখা আৰু বিপদজনক অঞ্চলসমূহৰ নিয়মীয়া নিৰীক্ষণ আদি ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। উল্লেখ্য যে, অসমৰ বানপানীজনিত ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰি উপযুক্ত সাহায্য, পুনৰুদ্ধাৰ, পুনৰ নিৰ্মাণ আৰু দীৰ্ঘম্যাদী দুৰ্যোগ প্ৰশমনমূলক ব্যৱস্থাৰ বাবে ভাৰত চৰকাৰক প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়োৱাৰ উদ্দেশ্যে এই পৰিদৰ্শন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। IMCTৰ পৰ্যবেক্ষণ আৰু অনুসন্ধানসমূহ এক বিস্তৃত প্ৰতিবেদনত সন্নিৱিষ্ট কৰি ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰা হ'ব। জিলা প্ৰশাসনে বন্যাপীড়িত লোকসকলৰ পুনৰবাসন আৰু ভৱিষ্যতে বানপানীজনিত বিপদৰ প্ৰতি অধিক সহনশীলতা গঢ়ি তোলাৰ ক্ষেত্ৰত নিজৰ প্ৰতিশ্ৰুতি পুনৰ ব্যক্ত কৰে।

নাহৰকটীয়াত গাঞ্জা জব্দ, এজনক আটক

অসম বাৰ্তা, নাহৰকটীয়া, ৯ জুলাই ঃ শেহতীয়াকৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত ড্ৰাগছৰ লগতে গঞ্জাৰ ব্যাপক হাৰত প্ৰচলন হোৱা পৰিলক্ষিত হৈছে। যাৰ ফলত একাংশ নৱপ্ৰজন্ম ৰ ভৱিষ্যত জীৱন অন্ধকাৰময় হৈ পৰিছে। আজি আবেলি নাহৰকটীয়াৰ ৰেলগেটৰ সমীপত নাহৰকটীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোৰঞ্জন ৰাজখোৱাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে গোপন সূত্ৰৰ পম খেদি গঞ্জৰ বিৰুদ্ধে এক অভিযান চলাই। এই অভিযান কালত আৰক্ষীয়ে এখন দিলুকানৰ পৰা প্ৰায় ১০০০ গ্ৰামটকৈ অধিক পৰিমাণৰ গাঞ্জা কুখ্যাত গাঞ্জা সৰবৰাহকাৰী পুলিন চাৰিঙীয়াৰ পৰা জব্দ কৰিবলৈ সক্ষম হয়। গাঞ্জা সহ জব্দ কৰা আটক যুৱ যুৱকজন চাচনিৰ কুৰৱিজান গাঁৱৰ বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে নিজৰ জিম্মাত ৰাখি শুদ্ধ পুছ অব্যাহত ৰাখিছে।

ভেৰগাঁও মহকুমা আৰক্ষী বিষয়া আৰু খৈৰাবাৰী আৰক্ষী চকীৰ সহযোগত খৈৰাবাৰীৰ ভিন্ন ঠাইত সজাগতামূলক সভা অনুষ্ঠিত

অসম বাৰ্তা, খৈৰাবাৰী, ৯ জুলাই ঃ ওদালগুৰি জিলাৰ বৃহত্তম খৈৰাবাৰীৰ অঞ্চলৰ একমাত্ৰ আগশাৰীৰ শিক্ষানুষ্ঠান খৈৰাবাৰী ব্ৰিলিয়েণ্ট চিনিয়ৰ চেকেণ্ডাৰী বিদ্যালয়ত যোৱা কালি ড্ৰাগছ, পথ সুৰক্ষা, আৰু বাল্য বিবাহৰ ওপৰত এখন সজাগতামূলক সভা অনুষ্ঠিত হৈ যায়। ভেৰগাঁও মহকুমা আৰক্ষী বিষয়া ভি, এছ ভাইফে আৰু খৈৰাবাৰী আৰক্ষী চকীৰ আৰক্ষী বিষয়া উদ্ৰেগ বসুমটাৰী, খৈৰাবাৰীৰ আৰক্ষী চকীৰ নাগৰিক সমিতিৰ অধ্যক্ষ জয়ন্ত চক্ৰবৰ্তী, নাগৰিক সমিতিৰ সদস্য পৰিতোষ চৌধুৰী, সদস্য বাপ্পী চৰকাৰৰ লগতে বিশিষ্ট সমাজ সেৱক ধ্ৰুৱ বড়োৰ সহযোগত খৈৰাবাৰীৰ ভিন্ন স্থানৰ ভিন্ন তাৰিখত তিনিখনকৈ ব্যক্তিগত বিদ্যালয় ক্ৰমে গ্ল'ৰেল চাইল্ড একাডেমী, এন, আৰ, ডি এছ চিনিয়ৰ ছেকেণ্ডাৰী, আৰু খৈৰাবাৰীৰ ব্ৰিলিয়েণ্ট চিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ত বিশেষ সজাগতা মূলক সভা অনুষ্ঠিত কৰে। প্ৰতিখন সজাগতামূলক সভা উদ্বোধন কৰে খৈৰাবাৰী আৰক্ষী চকীৰ অন্তগত নাগৰিক সমিতিৰ অধ্যক্ষ জয়ন্ত চক্ৰবৰ্তীয়ে। অন্যহাতে খৈৰাবাৰী ব্ৰিলিয়েণ্ট চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ অতুল বৰুৱাই আত ধৰা সজাগতা মূলক সভাত ভেৰগাঁও মহকুমা আৰক্ষী বিষয়া ভি এছ ভাইফে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলক ড্ৰাগছৰ ভয়াবহতা, হেলমেট পৰিধান নকৰাকৈ বাইক বা স্কুতি চলালে কেনেধৰণৰ বিপদৰ সন্মুখীন হব লগা হয় তাৰ পাছৰ পৰিণতি কি হয়, লগতে বাল্য বিবাহ এক সমাজৰ ব্যাধি বুলি বক্তব্য প্ৰদান কৰি ইয়াৰ নিৰ্মূলৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিব লাগে তাৰ বিষয়ে পৰ্যালোচনা কৰে। ইয়াৰ সমান্তৰাল ভাবে খৈৰাবাৰীৰ এন আৰ ডিএচ চিনিয়ৰ চেকেণ্ডাৰী বিদ্যালয়ৰ অধ্যক্ষ অনন্ত বড়ো উপস্থিতিত অনুষ্ঠিত হোৱা আৰু বিদ্যালয়ৰ শিক্ষক দিলীপ চৌহানে আত ধৰা সভাত ভেৰগাঁও মহকুমা আৰক্ষী বিষয়া গৰাকীয়ে ভাষণ প্ৰসঙ্গত কয় পৰিয়াল এটা ধংশৰ মুখলৈ নোযোৱাকৈ থাকিবলৈ হ'লে ড্ৰাগছ, পথত মানিবলগীয়া সতৰ্কতাৰ লগতে বাল্য বিবাহৰ দৰে প্ৰয়োভৰ সমূহৰ পৰা বিৰত থাকি তাক সঠিক ভাবে নিৰ্মূল কৰিব পাৰিলে সুন্দৰ সমাজ গঠনত সহায়ক হ'ব আৰু সেয়া একমাত্ৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ দ্বাৰাহে সম্ভৱ হ'ব বুলি তেওঁ বক্তব্য প্ৰদান কৰে। সজাগতামূলক সভাত খৈৰাবাৰী নাগৰিক সমিতিৰ সদস্য মামনি ডেকা, শিক্ষক টিংকু দেৱনাথ, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীৰ উপৰিও বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে। সজাগতা মূলক সভাত ড্ৰাগছ, বাল্য বিবাহ আৰু পথ সুৰক্ষাৰ ওপৰত গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰাৰ উপৰিও ভেৰগাঁও মহকুমা আৰক্ষী বিষয়াই ড্ৰাগছ, পথ সুৰক্ষা আৰু বাল্য বিবাহৰ ক্ষেত্ৰত সমাজত কেনেধৰণৰ বিৰোপ প্ৰভাৱ পৰে তাৰ ওপৰত সমাজত দৈনন্দিন ঘটি থকা ঘটনা সমূহৰ উদাহৰণেৰে বিতং ভাবে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিশ্লেষণ দাঙি ধৰে।

ছাগলীয়াৰ অসম-পশ্চিমবংগ সীমান্তৰ কথিত ছিণ্ডিকেটক লৈ তোলপাৰ, তদন্তৰ দাবী

অসম বাৰ্তা, গোলোকগঞ্জ, ৯ জুলাই ঃ ধুবুৰী জিলাৰ গোলকগঞ্জ সমজিলাৰ অন্তৰ্গত ছাগলীয়া অঞ্চলত কথিত ছিণ্ডিকেট কাৰ্যকলাপক লৈ ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। স্থানীয় একাংশ লোক তথা দল সংগঠনে অভিযোগ উত্থাপন কৰিছে যে আৰক্ষী তথা প্ৰশাসনৰ উপস্থিতিৰ মাজতেই নিষিদ্ধ বাৰ্মিজ চুপাৰি, কাঠ, বালি, শিল, চালানী মাছ, জীৱন্ত মাছ, তামুকপাত, ব্ৰয়লাৰ আৰু সোণালী কুকুৰাৰ অবৈধ সৰবৰাহ চলি আছে। ছাগলীয়াত ছিণ্ডিকেট বাহিনীৰ দপদপনি আৰক্ষী প্ৰশাসনৰ সন্মুখতে নিষিদ্ধ বাৰ্মিজ চুপাৰি লোৰ্ড আনলোৰ্ড। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ছিণ্ডিকেট বাহিনীক গৰিহণা। ছাগলীয়াত ছিণ্ডিকেট কৰি লাখপতি হৈছে ছিণ্ডিকেট মাফিয়া। উল্লেখ্য যে, ছাগলীয়া এতিয়া কথিত ছিণ্ডিকেট চক্ৰৰ এক গুৰুত্বপূৰ্ণ কৰিডৰ হিচাপে পৰিগণিত হৈছে। বহুমূলীয়া গছ কাটি বলেৰো পিক-আপ ভেনযোগে বহিঃৰাজ্যলৈ সৰবৰাহ কৰাৰ অভিযোগো উত্থাপিত হৈছে। ইফালে, বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই ৰাজ্যজুৰি কাঠ, বালি আৰু শিলৰ অবৈধ ছিণ্ডিকেটৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰাৰ পিছতো ধুবুৰী জিলাত এনে কাৰ্যকলাপ অব্যাহত থকাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগকাৰী সকলে প্ৰশ্ন উত্থাপন কৰিছে যে সংশ্লিষ্ট বিভাগসমূহে এই অভিযোগসমূহৰ বিৰুদ্ধে কিয় কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। স্থানীয় ৰাইজ তথা কৃষক মুক্তি ছাত্ৰ সংগ্ৰাম সংগঠনৰ জিলা সম্পাদক আখিৰ খানে সমগ্ৰ ঘটনাৰ নিৰপেক্ষ তদন্ত কৰি দোষীসকলৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

মৰিগাঁও জিলা চক্ৰ কাৰ্যালয় পৰিদৰ্শন কৰি কাৰ্যকলাপৰ পৰ্যালোচনা জিলা আয়ুক্তৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৯ জুলাই ঃ মৰিগাঁও জিলাৰ জিলা আয়ুক্ত অনামিকা তেৱাৰী, ACS আৰু জাগীৰোড সহ-জিলা আয়ুক্ত হৃদয় কুমাৰ দাস, ACS-এ আজি মৰিগাঁও জিলা চক্ৰ কাৰ্যালয় পৰিদৰ্শন কৰি কাৰ্যালয়খনৰ সামগ্ৰিক কাৰ্যকলাপৰ পৰ্যালোচনা কৰে। তেওঁলোকে ৰাজহ আৰু ভূমি প্ৰশাসনৰ বিভিন্ন বিষয় পৰ্যালোচনা কৰাৰ লগতে জনসাধাৰণলৈ দ্ৰুত, স্বচ্ছ আৰু ফলপ্ৰসূ সেৱা আগবঢ়োৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে অমীমাংসিত বিষয়সমূহ সময়মতে নিষ্পত্তি কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশনা প্ৰদান কৰে।

মৰিগাঁৱৰ ভূৰবন্ধাত জিলা কৃষি বিভাগৰ আত্মা আঁচনি উদ্যোগত বিজ্ঞানসন্মত কৃষি প্ৰণালীৰ প্ৰশিক্ষণ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৯ জুলাই ঃ মৰিগাঁও জিলাৰ ভূৰবন্ধা অঞ্চলত মৰিগাঁও জিলা কৃষি বিভাগৰ আত্মা আঁচনি উদ্যোগত বিজ্ঞানসন্মত কৃষি প্ৰণালী সন্দৰ্ভত এটি গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ কাৰ্যসূচী সফলভাৱে অনুষ্ঠিত হয়। স্থানীয় কৃষকসকলক আধুনিক কৃষি পদ্ধতি, উন্নত বীজ ব্যৱহাৰ, মাটিৰ গুণাগুণ সংৰক্ষণ আৰু উৎপাদন বৃদ্ধি কৰাৰ বিভিন্ন কৌশল সন্দৰ্ভত অৱগত কৰাৰ লক্ষ্যৰে এই প্ৰশিক্ষণ আয়োজন কৰা হৈছিল। উক্ত প্ৰশিক্ষণত বিশেষকৈ প্ৰাকৃতিক কৃষি আৰু পান খেতি কি দৰে বিজ্ঞান সন্মত ভাবে কৰিব পাৰি তাৰে প্ৰশিক্ষণ আগবঢ়ায়। উক্ত কাৰ্যসূচীত কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী সৌৰভ বৰুৱাই কৃষকসকলক বিজ্ঞানসন্মত পদ্ধতিত কৃষিকাৰ্য কৰাৰ উপকাৰিতা বুজাই দিয়ে। তেওঁ বিশেষকৈ জল সংৰক্ষণ, মাটিৰ পৰীক্ষা আৰু জৈৱ সাৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কৃষি বিষয়া ড° সুকন্যা গগৈয়ে কৃষকৰ বাবে উপলব্ধ চৰকাৰী আঁচনি আৰু আধুনিক কৃষি যন্ত্ৰপাতিৰ ব্যৱহাৰ বিষয়ে বিশদভাৱে আলোকপাত কৰে। আনহাতে ভূৰবন্ধা কৃষি চক্ৰ বিষয়া লোনা বৰুৱাই কৃষি খণ্ডৰ সামগ্ৰিক উন্নয়ন আৰু কৃষকসকলৰ আয় বৃদ্ধি কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে অৱগত কৰে। এই কাৰ্যসূচীত BTM অভিজিৎ বৰদলৈ আৰু ATM আৰ্চিতা কুমবাংৰো উপস্থিত থাকি কৃষকসকলৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকৰ সমস্যাসমূহ শুনি সমাধানৰ পথ দেখুৱায়। প্ৰশিক্ষণত বহু সংখ্যক স্থানীয় কৃষকে অংশগ্ৰহণ কৰি আধুনিক কৃষি পদ্ধতিৰ বিষয়ে জ্ঞান আহৰণ কৰে। অংশগ্ৰহণকাৰীসকলে এই ধৰণৰ প্ৰশিক্ষণ আগন্তুক দিনতো অব্যাহত ৰাখিবলৈ আহ্বান জনায়। উল্লেখ্য যে, এই ধৰণৰ বিজ্ঞানসন্মত প্ৰশিক্ষণে কৃষকসকলৰ মাজত নতুন চিন্তাধাৰা গঢ়ি তুলি কৃষিক্ষেত্ৰত উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

হাউলীত দুই চিলনী চোৰক কৰায়ত্ত

অসম বাৰ্তা, কুমুল্লী পৰা, ৯ জুলাই ঃ বৰপেটা জিলাৰ হাউলী অঞ্চলত চুৰি ঘটনাৰ সৈতে জড়িত সন্দেহত দুজন কথিত চিলনী চোৰক কৰায়ত্ত কৰা হৈছে। ধৃত দুয়োগৰাকী হৈছে ৰবিন্দৰ কুমাৰ আৰু অংকিত কুমাৰ বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, স্থানীয় লোকৰ তৎপৰতা আৰু আৰক্ষীৰ সহযোগিতাত দুয়োগৰাকীক কৰায়ত্ত কৰা হয়। যদিও ঘটনাটোৰ সম্পূৰ্ণ বিৱৰণ আৰু চুৰি সংঘটিত হোৱা স্থান সম্পৰ্কে এতিয়ালৈকে আনুষ্ঠানিকভাৱে অধিক তথ্য প্ৰকাশ কৰা হোৱা নাই। আৰক্ষীয়ে ধৃত দুয়োগৰাকীক সোধা-পোছা অব্যাহত ৰাখিছে। প্ৰাথমিক তদন্তৰ ভিত্তিত তেওঁলোকৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া চলি আছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, শেহতীয়া সময়ছোৱাত অঞ্চলটোত চুৰি আৰু চিলনী চুৰিৰ ঘটনা বৃদ্ধি পোৱাক লৈ স্থানীয় লোকসকলৰ মাজত উদ্বেগ বৃদ্ধি পাই ছিল। এনে পৰিস্থিতিত সন্দেহভাজন দুজনক কৰায়ত্ত কৰাটো আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য পদক্ষেপ হিচাপে বিবেচিত হৈছে। অৱশ্যে, আৰক্ষীৰ তদন্ত সম্পূৰ্ণ নোহোৱালৈকে অভিযুক্তসকলৰ বিৰুদ্ধে উত্থাপিত অভিযোগ আদালতৰ বিচাৰত প্ৰমাণিত হোৱা বাকি আছে।

সম্পাদকীয়

বৃদ্ধ পিতৃ-মাতৃৰ অৱহেলা আৰু পৈতৃক সম্পত্তিৰ অধিকাৰ

প্ৰাচীন কালৰে পৰা ভাৰতীয় সংস্কৃতিত পিতৃ-মাতৃক 'প্ৰথম গুৰু' ৰূপে গণ্য কৰা হয়। সন্তানে সৰুকালত পিতৃ-মাতৃৰ মৰম-যত্ন লাভ কৰে, আৰু পিতৃ-মাতৃয়ে বৃদ্ধকালত সন্তানৰ কাষত আশ্ৰয় আৰু স্নেহ বিচাৰে- এইটো আছিল আমাৰ সামাজিক জীৱনৰ অটুট সূত্ৰ। কিন্তু বৰ্তমান নগৰীয়া জীৱনশৈলী, অৰ্থনৈতিক স্বাৰ্থ আৰু সম্পত্তিৰ লোভে এই পবিত্ৰ সম্পৰ্কত ফাঁট মেলিবলৈ আৰম্ভ কৰিছে। বৃদ্ধ পিতৃ-মাতৃক নিজৰ ঘৰৰ পৰা উলিয়াই দিয়া, অৱহেলা কৰা বা আৰ্থিক সাহায্য দিয়াৰ পৰা বিৰত থকা ঘটনা এতিয়া বিচ্ছিন্ন নহয়, ই এক সামাজিক সমস্যা হিচাপে পৰিগণিত হৈছে। এই প্ৰেক্ষাপটত বম্বে উচ্চ ন্যায়ালয়ে শেহতীয়াকৈ প্ৰদান কৰা এক গুৰুত্বপূৰ্ণ ৰায়ে বৃদ্ধ নাগৰিকসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত এক নতুন দিগন্ত উন্মোচন কৰিছে।

ন্যায়ালয়ে স্পষ্টকৈ উল্লেখ কৰিছে যে কোনো সন্তানে যদি বৃদ্ধকালত পিতৃ-মাতৃৰ চোৱাচিতা আৰু যত্ন ল'বলৈ অস্বীকাৰ কৰে, তেন্তে পিতৃ-মাতৃয়ে সেই সন্তানক আগবঢ়োৱা পৈতৃক সম্পত্তি ঘূৰাই লোৱাৰ সম্পূৰ্ণ আইনী অধিকাৰ আছে। এই ৰায়ে কেৱল এটা গোচৰৰ সমাধানেই নিদিয়ে, ই সমগ্ৰ সমাজখনলৈ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে। 'পিতৃ-মাতৃ আৰু জ্যেষ্ঠ নাগৰিকৰ প্ৰতিপালন আৰু কল্যাণ আইন, ২০০৭' ইতিমধ্যেই এই অধিকাৰৰ কথা সন্নিবিষ্ট কৰিছিল, কিন্তু বম্বে উচ্চ ন্যায়ালয়ৰ এই সাম্প্ৰতিক ব্যাখ্যাই আইনখনক অধিক কাৰ্যকৰী কৰি তুলিছে। ইয়াৰ সবাতোকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল যে পিতৃ-মাতৃ আৰ্থিকভাৱে স্বাৱলম্বী বা নিজৰ উপাৰ্জন থকা ব্যক্তি হ'লেও এই আইন প্ৰযোজ্য হ'ব। অৰ্থাৎ, সম্পত্তি ঘূৰাই লোৱাৰ বাবে পিতৃ-মাতৃক নিৰাশ্ৰয় বা দুৰ্দশাগ্ৰস্ত হ'ব লগা নাই; কেৱল সন্তানে তেওঁলোকক প্ৰয়োজনীয় যত্ন আৰু সন্মান নিদিলেই এই অধিকাৰ প্ৰয়োগ কৰিব পাৰি।

এই ৰায়ৰ পিছত এটা ডাঙৰ প্ৰশ্নই মনত ঠাই পাইছে- সন্তানৰ বাবে সম্পত্তি দান কৰাটো এটা উপহাৰ নে এটা চুক্তি? ন্যায়ালয়ে এই প্ৰসংগত স্পষ্ট কৰি দিছে যে সম্পত্তি হস্তান্তৰ কৰোঁতে যদি সন্তানে পিতৃ-মাতৃৰ ভৱিষ্যৎ যত্ন লোৱাৰ নিহিত দায়িত্ব গ্ৰহণ কৰে, তেন্তে সেই সম্পত্তি দান বা অনুদান কোনো নিঃশৰ্ত উপহাৰ নহয়; ই এক পাৰস্পৰিক বুজাবুজি। যেতিয়া সন্তানে সেই দায়িত্বৰ পৰা আঁতৰি যায়, তেতিয়া সেই চুক্তি ভংগ হয়, আৰু পিতৃ-মাতৃয়ে পুনৰ নিজৰ সম্পত্তিৰ মালিক হোৱাৰ অধিকাৰ পায়। এই দৃষ্টিভংগীয়ে সম্পত্তিৰ মালিকীস্বত্বৰ ধাৰণাটোক এক নতুন অৰ্থ প্ৰদান কৰিছে— ই উপাৰ্জনকাৰী ব্যক্তিজনৰ জীৱনৰ শেষ সময়লৈকে তেওঁৰ আত্মসন্মান আৰু নিৰাপত্তা নিশ্চিত কৰাৰ এক সঁজুলি।

বিশেষকৈ অসমৰ দৰে ৰাজ্যত, য'ত পৰিয়ালৰ মৰ্যাদা আৰু পূৰ্বপুৰুষৰ সন্মানক অতি গুৰুত্ব দিয়া হয়, এই ৰায়ে বৃদ্ধ পিতৃ-মাতৃসকলক এক নতুন আশা যোগাইছে। ইয়াত বহু পৰিয়ালত যুৱ প্ৰজন্মই উচ্চ শিক্ষা আৰু কৰ্মসূত্ৰে বিদেশ বা দূৰৱৰ্তী চহৰলৈ পলায়ন কৰে, যাৰ ফলত পিতৃ-মাতৃ অকলশৰীয়া হৈ পৰে। যদিও আধুনিক যোগাযোগ ব্যৱস্থাৰ যুগত শাৰীৰিক দূৰত্ব এটা সাধাৰণ কথা, কিন্তু মানসিক অৱহেলা আৰু আৰ্থিক প্ৰত্যাখ্যান সন্তানৰ দ্বাৰা হ'লে সেইটো গ্ৰহণযোগ্য নহয়। আইনখনে স্পষ্টকৈ কয় যে সন্তানে পিতৃ-মাতৃৰ প্ৰাথমিক প্ৰয়োজনীয়তা পূৰণ কৰিব লাগিব— সেয়া খাদ্য, বাসস্থান, চিকিৎসা বা দৈনন্দিন জীৱনৰ সৰু সৰু প্ৰয়োজনীয়তাই হওক।

অৱশ্যে, যিকোনো আইনী ব্যাখ্যাৰ দৰেই এই ৰায়ৰো কিছুমান প্ৰত্যাহ্বান আছে। বহুতে সন্দেহ প্ৰকাশ কৰিব পাৰে যে ইয়াৰ অপব্যৱহাৰ হ'ব পাৰে নেকি? কোনো সন্তান যদি সঁচাকৈয়ে অক্ষমতা বা অন্যান্য কাৰণত পিতৃ-মাতৃৰ চোৱাচিতা কৰিব নোৱাৰে, তেন্তে তেওঁলোকৰ সম্পত্তি হেৰুওৱাৰ ভয় থাকিব পাৰে। কিন্তু ন্যায়ালয়ে এই ক্ষেত্ৰত সুস্থ বিবেচনাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে— কোনো সন্তানে যুদ্ধ, অসুস্থতা বা অনিবাৰ্য কাৰণত অসমৰ্থ হয়, তেন্তে আইনে তেওঁক শাস্তি নিদিয়ে। কিন্তু যি সন্তানে সম্পত্তি হাতত পাইও পিতৃ-মাতৃক ঘৰৰ পৰা উলিয়াই দিয়ে বা তেওঁলোকৰ প্ৰতি নিষ্ঠুৰ আচৰণ কৰে, তেওঁৰ বাবেই এই আইন সৰ্বাধিক প্ৰভাৱশালী।

শেষত, আইন যদিও শক্তিশালী, ইয়াৰ আঁৰৰ নৈতিক শিক্ষাটো অধিক গভীৰ। সম্পত্তি ঘূৰাই লৈ অহাৰ অধিকাৰে হয়তো পিতৃ-মাতৃৰ আৰ্থিক ক্ষতি পূৰণ কৰিব পাৰে, কিন্তু সন্তানৰ অৱহেলাই দিয়া মানসিক যন্ত্ৰণা কেতিয়াও মচি দিব নোৱাৰি। গতিকে প্ৰত্যেক সন্তানেই নিজৰ বিবেকক সুধি চাওক— আপোনাৰ পিতৃ-মাতৃয়ে আপোনাক যি অমূল্য মমতা আৰু সংস্কাৰ দিছে, সেইবোৰৰ সৈতে আপোনাৰ দিয়া নিস্তেজ সম্পত্তি দানৰ তুলনা হয়নে? বৃদ্ধ বয়সত পিতৃ-মাতৃৰ মুখত হাঁহি বিৰিঙাব পৰাটোৱেই আচল সম্পদ, যাৰ তুলনা পৈতৃক স্থাবৰ-অস্থাবৰ সম্পত্তিৰে সম্ভৱ নহয়। ন্যায়ালয়ে যদিও শাস্তিৰ পথ দেখুৱাইছে, তথাপি আমাৰ সমাজৰ আন্তঃগাঁথনি ইমান শক্তিশালী হওক যে কোনেও আইনী আশ্ৰয় ল'বলগীয়া নহয়— এইটোৱেই হওক আমাৰ প্ৰকৃত কামনা।

আধুনিক সমাজত নাৰী নিৰ্যাতন আৰু ইয়াৰ প্ৰতিকাৰ

প্ৰেম বৈষ্ণৱ

নাৰী নিৰ্যাতনৰ দৰে সামাজিক ব্যাধিক প্ৰতিৰোধ কৰিবলৈ প্ৰয়োজন সামগ্ৰিক সামাজিক বিপ্লৱ। সমাজৰ দৃষ্টিভংগী সলনি কৰাৰ দায়িত্ব প্ৰত্যেকজন নাগৰিকৰ। নাৰী নিৰ্যাতনৰ পাত্ৰ নহয়, তেওঁ এই সমাজৰ প্ৰতিষ্ঠাপক আৰু পৰিচালিকা। নাৰীৰ সুৰক্ষা মানে সমাজৰ সুৰক্ষা আৰু নাৰীৰ প্ৰগতি মানেই দেশৰ প্ৰগতি। আমি সকলোৱে লগ লাগি এনে এক পৰিৱেশ গঢ়ি তুলিব লাগিব য'ত নাৰীয়ে ভয়মুক্ত হৈ জীয়াই থাকিব পাৰে। নিজৰ অধিকাৰৰ প্ৰতি সচেতন হৈ নাৰীয়ে যিদৰে নিজৰ মাত উচ্চস্বৰূপ কৰিব লাগিব, একেদৰে সমাজৰ পুৰুষ সমাজেও নাৰীক সমমৰ্যাদা প্ৰদান কৰি হাতত হাত মিলাই আগবাঢ়িব লাগিব। সেই দিনটোৱেই হ'ব আমাৰ সমাজৰ প্ৰকৃত আধুনিকতাৰ প্ৰতীক যিদিনা কোনো নাৰীয়ে নিৰ্যাতনৰ ভয়ত নিজৰ জীৱন আৰু সপোনক বিসৰ্জন দিবলগীয়া নহ'ব। আমাৰ প্ৰতিশ্ৰুতি হওক - নাৰীৰ সুৰক্ষা আৰু সন্মান, সমাজৰ প্ৰধান লক্ষ্য। এনে এক সংকল্পৰ মাজেৰেই আমি ভৱিষ্যত প্ৰজন্মক নিৰাপদ আৰু ন্যায়পৰায়ণ পৃথিৱী উপহাৰ দিবলৈ সক্ষম হ'ম।

মানৱ সভ্যতাৰ অগ্ৰগতিৰ সৈতে সমাজৰ প্ৰতিটো স্তৰতে নাৰীৰ অংশগ্ৰহণ বৃদ্ধি পাইছে যদিও আধুনিক সমাজত নাৰী নিৰ্যাতনৰ ঘটনা এক গুৰুতৰ সামাজিক সমস্যা হিচাপে থিয় দিছে। একবিংশ শতিকাৰ প্ৰযুক্তিনিৰ্ভৰ সমাজত আমি যিমান আগুৱাই গৈছোঁ, তাৰ সমান্তৰালকৈ নাৰীৰ প্ৰতি থকা বৈষম্য আৰু হিংসা এক জটিল ৰূপত ধৰা দিছে। নাৰী নিৰ্যাতন শাৰীৰিক হিংসাত সীমাবদ্ধ নাথাকি মানসিক, সামাজিক, অৰ্থনৈতিক আৰু অনলাইন জগতলৈকে বিয়পি পৰিছে। এই সমস্যাটো কোনো এখন ৰাজ্য বা দেশৰ নাথাকি, এক বিশ্বজনীন চিন্তনীয় বিষয় হৈ পৰিছে। আমাৰ সমাজত নাৰী নিৰ্যাতনৰ মূল শিপা বিচাৰি উলিয়াই তাৰ প্ৰতিকাৰ কৰাটো আজিৰ সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। প্ৰাচীন কালত নাৰীক দেৱীৰ ৰূপত পূজা কৰা সমাজখনত আজি কিয় এনে অৱস্থা হ'ল, সেয়া গভীৰ বিশ্লেষণৰ দাবী ৰাখে। আমাৰ সমাজত নাৰীক সন্মান দিয়াৰ কথা কোৱা হয়, কিন্তু বাস্তৱত বহু ক্ষেত্ৰত তাৰ বিপৰীত ছবিখনহে প্ৰকাশ পায়।

নাৰী নিৰ্যাতনৰ প্ৰধান কাৰণসমূহৰ ভিতৰত অন্যতম হৈছে পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থা আৰু পুৰুষতান্ত্ৰিক মানসিকতা। যুগ-যুগ ধৰি চলি অহা এই মানসিকতাই নাৰীক পুৰুষৰ অধীনস্থ বুলি গণ্য কৰে। ঘৰৰ ভিতৰৰ পৰা সমাজৰ চৰম পৰ্যায়লৈকে নাৰীৰ ওপৰত কৰ্তৃত্ব চলোৱাৰ এই কু-অভ্যাসটোৱে হিংসাত্মক ৰূপ ধাৰণ কৰে। নাৰীক অৱনত কৰি ৰাখিব পাৰিলে পুৰুষৰ আধিপত্য অটুট থাকিব - এনে সংকীৰ্ণ চিন্তাৰ পৰাই নাৰী নিৰ্যাতনৰ জন্ম হয়। শিক্ষাৰ প্ৰসাৰ ঘটিছে যদিও সমাজৰ গভীৰত শিপাই থকা এই মানসিকতাৰ পৰিৱৰ্তন এতিয়াও সন্তোষজনক নহয়। ল'ৰা সন্তানক ঘৰত যি ধৰণৰ প্ৰাধান্য দিয়া হয়, সিয়ো পৰোক্ষভাৱে পুৰুষতান্ত্ৰিক অহমিকা বঢ়াত সহায় কৰে। সমাজৰ এনে এক ধাৰণা আছে যে পুৰুষ ঘৰৰ মুৰব্বী আৰু নাৰী নিৰ্দেশ পালন কৰিবলগীয়া এগৰাকী সহায়ক মাত্ৰ। এই ধাৰণাই নাৰীৰ মৌলিক স্বাধীনতা খৰ্ব কৰে। নাৰীৰ প্ৰতি থকা এই পুৰণি চিন্তাৰ পৰিৱৰ্তন অবিহনে সমাজৰ বিকাশ সম্ভৱ নহয়।

পাৰিবাৰিক হিংসা নাৰী নিৰ্যাতনৰ আটাইতকৈ ভয়ংকৰ দিশ। বহু নাৰীয়ে নিজৰ ঘৰতেই নিৰাপত্তাহীনতাত ভোগে। প্ৰায়ে দেখা যায় যে ঘৰৰ ভিতৰত হোৱা নিৰ্যাতনসমূহ লোকচক্ষুৰ আঁৰত থাকে আৰু সামাজিক মান-সন্মানৰ ভয়ত নাৰীয়ে সেই বিষয়ে মুখ খুলিবলৈ সাহস নকৰে। স্বামীৰ দ্বাৰা নিৰ্যাতন, যৌতুক প্ৰথা, আৰু পৰিয়ালৰ অন্যান্য সদস্যৰ দ্বাৰা হোৱা মানসিক প্ৰতাৰণা নাৰীৰ বাবে নৰক সদৃশ পৰিৱেশ সৃষ্টি কৰে। এই নিৰ্যাতনৰ ফলত নাৰীৰ মানসিক স্বাস্থ্যৰ ওপৰত যি নেতিবাচক প্ৰভাৱ পৰে, তাৰ প্ৰভাৱ সমগ্ৰ পৰিয়ালটোৰ ওপৰত পৰে। বিশেষকৈ ল'ৰা-ছোৱালীৰ মানসিক বিকাশত এই হিংসাত্মক পৰিৱেশে সুদূৰপ্ৰসাৰী কু-প্ৰভাৱ পেলায়। বহু ক্ষেত্ৰত দেখা যায় যে যৌতুকৰ বাবে নাৰীক মানসিকভাৱে অত্যাচাৰ কৰা হয়, যিটো সমাজৰ বাবে চৰম লজ্জাজনক বিষয়। ঘৰখন য'ত সুৰক্ষাৰ প্ৰতীৰূপ হ'ব লাগিছিল, তাত নিৰ্যাতনৰ বলি হোৱাটো সামাজিক বিসংগতি। পৰিয়ালৰ প্ৰতিটো সদস্যই নাৰীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিলেহে এই হিংসাৰ অন্ত পৰিব।

আধুনিক সমাজত চাইবাৰ অপৰাধৰ জৰিয়তে হোৱা নাৰী নিৰ্যাতন এক উদ্বেগজনক নতুন অধ্যায়। সামাজিক মাধ্যমৰ ব্যৱহাৰ বৃদ্ধি পোৱাৰ লগে-লগে নাৰীৰ চৰিত্ৰহনন, ব্লেকমেইলিং, আৰু অশ্লীল ফটো বা ভিডিঅ' প্ৰচাৰৰ দৰে ঘটনা দ্ৰুতগতিত বৃদ্ধি পাইছে। ইয়াৰ ফলত বহু নাৰীয়ে মানসিক হতাশাত ভুগি আত্মহননৰ দৰে চৰম সিদ্ধান্ত ল'বলৈ বাধ্য হয়। এইক্ষেত্ৰত আইনৰ প্ৰয়োগ আৰু প্ৰযুক্তিৰ অপব্যৱহাৰ ৰোধ কৰাটো বৰ্তমানৰ চৰকাৰ আৰু প্ৰশাসনৰ বাবে ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। অনলাইন জগতত নাৰীৰ গোপনীয়তা আৰু সুৰক্ষা আজিৰ যুগৰ আটাইতকৈ ডাঙৰ প্ৰশ্ন। ইণ্টাৰনেটত নাৰীৰ প্ৰতি অশালীন মন্তব্য বা হুমকি প্ৰদান কৰাটো মানসিক নিৰ্যাতন। এইক্ষেত্ৰত ভুক্তভোগীৰ সুৰক্ষাৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰা উচিত। আইনৰ প্ৰণয়ন কৰি অপৰাধীক বিচাৰি উলিয়াই দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰাটো প্ৰয়োজনীয়। মানুহে অনলাইন মাধ্যমক যিমান গঠনমূলক কামত ব্যৱহাৰ কৰিব পাৰে, অপৰাধীয়ে তাৰ সুযোগ লৈ নাৰীক হেয় প্ৰতিপন্ন কৰাৰ চেষ্টা চলায়।

অৰ্থনৈতিক নিৰ্ভৰশীলতাও নাৰী নিৰ্যাতনৰ গুৰুত্বপূৰ্ণ কাৰণ। বহুক্ষেত্ৰত অৰ্থৰ বাবে পুৰুষৰ ওপৰত নিৰ্ভৰশীল হৈ থকাৰ ফলত নাৰীয়ে নিৰ্যাতন সহ্য কৰিবলৈ বাধ্য হয়। যদি নাৰী অৰ্থনৈতিকভাৱে স্বাৱলম্বী হয়, তেন্তে তেওঁলোকে নিজৰ ওপৰত হোৱা অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ সাহস গোটাব পাৰে। কিন্তু দুৰ্ভাগ্যবশতঃ, এতিয়াও বৃহৎ সংখ্যক নাৰী কৰ্মক্ষেত্ৰৰ পৰা আঁতৰত বা পৰিয়ালৰ আৰ্থিক পৰিসীমাৰ ভিতৰতে আবদ্ধ হৈ আছে। অৰ্থনৈতিক স্বাধীনতা অবিহনে নাৰীৰ সামাজিক স্বাধীনতা সম্ভৱ নহয়। কৰ্মক্ষেত্ৰত নাৰীৰ প্ৰতি কৰা বৈষম্য যেনে - একে কামৰ বাবে কম পাৰিশ্ৰমিক দিয়া বা পদোন্নতিৰ ক্ষেত্ৰত বাধা দিয়াটো অৰ্থনৈতিক নিৰ্যাতনৰ অন্তৰ্ভুক্ত। এইক্ষেত্ৰত নাৰীক বিভিন্ন বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰি স্বাৱলম্বী কৰাটো চৰকাৰৰ দায়িত্ব। স্বাৱলম্বী নাৰীয়ে নিজৰ পৰিয়াল আৰু সমগ্ৰ সমাজখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

নাৰী নিৰ্যাতনৰ বিৰুদ্ধে প্ৰতিকাৰৰ বাবে আটাইতকৈ প্ৰয়োজনীয় পদক্ষেপ হৈছে সচেতনতা আৰু শিক্ষা। ল'ৰা আৰু ছোৱালীক শৈশৱৰ পৰাই সমমৰ্যাদাৰ শিক্ষা দিব লাগে। ঘৰৰ পৰিৱেশত যেতিয়া ল'ৰাই মাতৃ বা ভগ্নীক সন্মান কৰিবলৈ শিকে, তেতিয়া ভৱিষ্যতে তেওঁ নাৰীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ শিকিব। সমাজৰ পুৰুষতান্ত্ৰিক মানসিকতা সলনি কৰিবলৈ সুস্থ আৰু আধুনিক সমাজ গঢ়ি তুলিব লাগিব য'ত নাৰীক ব্যক্তি হিচাপে স্বীকৃতি দিয়া হয়। লিংগ বৈষম্য দূৰ কৰিবলৈ আমাৰ শিক্ষা ব্যৱস্থাত অধিক গুৰুত্ব দিব লাগিব। বিদ্যালয়ৰ পাঠ্যক্ৰমত নাৰীৰ অধিকাৰ আৰু সন্মানৰ বিষয়ে বিশেষ পাঠ অন্তৰ্ভুক্ত কৰা প্ৰয়োজন। পুথিগত বিদ্যাৰ সমান্তৰালকৈ ব্যৱহাৰিক জীৱনতো নাৰীক সমমৰ্যাদা দিয়াৰ অভ্যাস গঢ়ি তুলিব লাগিব। শিক্ষাৰ পোহৰ বিয়পি পৰিলে কু-সংস্কাৰসমূহ নিজে নিজে বিলুপ্ত হ'ব।

আইনৰ কঠোৰ প্ৰয়োগ নাৰী নিৰ্যাতন ৰোধৰ বাবে আন এক চৰ্ত। দেশত বহু আইন আছে, কিন্তু তাৰ সঠিক ৰূপায়ণৰ ক্ষেত্ৰত বিভিন্ন সীমাবদ্ধতা থাকে। নিৰ্যাতনকাৰীয়ে যাতে আইনৰ সুৰুঙাৰে সাৰি যাব নোৱাৰে, সেয়া নিশ্চিত কৰিব লাগিব। দ্ৰুত বিচাৰ প্ৰক্ৰিয়া আৰু দোষীৰ বাবে কঠোৰ শাস্তিৰ ব্যৱস্থা থাকিলে এনে অপৰাধৰ পৰিমাণ নিশ্চিতভাৱে হ্ৰাস পাব বুলি আশা কৰিব পাৰি। লগতে, আৰক্ষী আৰু প্ৰশাসনে নাৰীৰ অভিযোগৰ প্ৰতি অধিক সংবেদনশীল হ'ব লাগিব। বিশেষকৈ থানাত নাৰীৰ বাবে পৃথক মহিলা কোষ বা মহিলা আৰক্ষীৰ উপস্থিতি নিশ্চিত কৰিলে নাৰীয়ে নিৰ্ভয়ে অভিযোগ দাখিল কৰিব পাৰিব। আইনৰ প্ৰতি সাধাৰণ মানুহৰ আস্থা বৃদ্ধি কৰাটো প্ৰশাসনিক ব্যৱস্থাৰ কৰ্তব্য। আইনৰ শাসন যিমানে শক্তিশালী হ'ব, সমাজত ভয়াতুৰ পৰিৱেশ সিমানেই নাইকিয়া হ'ব।

নাৰীৰ আত্মৰক্ষাৰ প্ৰশিক্ষণ আজিৰ সমাজত অপৰিহাৰ্য। ছোৱালীসকলক স্কুল-কলেজৰ পৰাই আত্মৰক্ষাৰ প্ৰশিক্ষণ দিলে তেওঁলোকৰ আত্মবিশ্বাস বাঢ়িব। সমাজৰ সকলো স্তৰত নাৰীৰ সুৰক্ষাৰ বাবে হেল্পলাইন সেৱা আৰু কাউন্সিলিং কেন্দ্ৰৰ সংখ্যা বৃদ্ধি কৰিব লাগিব। যেতিয়া কোনো নাৰীয়ে অনুভৱ কৰিব যে তেওঁ অকলে নাই আৰু সহায়ৰ বাবে সমাজ আৰু প্ৰশাসন তেওঁৰ কাষত আছে, তেতিয়াই তেওঁ নিৰ্যাতনৰ বিৰুদ্ধে থিয় দিবলৈ সক্ষম হ'ব। ইয়াৰ উপৰিও, এনজিঅ' আৰু সামাজিক সংগঠনে গ্ৰাম্য অঞ্চলত নাৰীক তেওঁলোকৰ আইনী অধিকাৰ সম্পৰ্কে সজাগ কৰিব লাগিব। সমাজৰ সচেতন নাগৰিকসকলেও এনে কাৰ্যত হস্তক্ষেপ কৰি ভুক্তভোগীক সাহস দিব লাগে। আত্মৰক্ষাৰ কৌশল জানিলে নাৰীয়ে যিকোনো বিপদৰ সময়ত মানসিকভাৱে শক্তিশালী হৈ থাকিব পাৰে।

অসমৰ প্ৰেক্ষাপটত নাৰী নিৰ্যাতনৰ ধৰণটো কেতিয়াবা অতি জটিল হয়। পাহাৰীয়া বা চাহ বাগিচা অঞ্চলত মহিলাসকলে যি ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হয়, সেয়া চহৰীয়া অঞ্চলৰ পৰা সুকীয়া। আমাৰ ৰাজ্যত নাৰী নিৰ্যাতন ৰোধৰ বাবে থকা সামাজিক পৰম্পৰা বা ৰীতি-নীতিসমূহৰ ভুল ব্যাখ্যা দূৰ কৰিবলৈও প্ৰচেষ্টা চলোৱা উচিত। পৰম্পৰাৰ নামত নাৰীক কোনো কাৰণতে নিৰ্যাতন কৰাৰ অধিকাৰ কোনেও দিব নোৱাৰে। এই কথাটো সমাজৰ জ্যেষ্ঠসকলক বুজোৱাটো অতি জৰুৰী। অসমৰ গাঁওসমূহত মহিলা সমিতিৰ দৰে সংগঠনসমূহে এই ক্ষেত্ৰত এক শক্তিশালী ভূমিকা পালন কৰিব পাৰে। তেওঁলোকে তৃণমূল পৰ্যায়ত সজাগতা সভা পাতি নাৰীৰ অধিকাৰৰ বিষয়ে আলোচনা কৰিব পাৰে।

নাৰী নিৰ্যাতনৰ বিৰুদ্ধে এখন যুদ্ধৰ প্ৰয়োজন। এই যুদ্ধত নাৰীৰ লগতে প্ৰতিজন পুৰুষেও অংশগ্ৰহণ কৰিব লাগিব। সমাজৰ পৰা অন্ধবিশ্বাস আৰু কুসংস্কাৰ আঁতৰ কৰিব লাগিব যিবোৰক আজিও নাৰী নিৰ্যাতনৰ বাবে ঢাল হিচাপে ব্যৱহাৰ কৰা হয়। সংবাদ মাধ্যম আৰু ছ'চিয়েল মিডিয়াৰ দৰে শক্তিশালী মাধ্যমসমূহক ব্যৱহাৰ কৰি নাৰীৰ বিৰুদ্ধে হোৱা হিংসাৰ বিৰুদ্ধে জনমত গঠন কৰিব লাগিব। যিখন সমাজে নিজৰ নাৰীক সুৰক্ষা দিব নোৱাৰে, সেই সমাজ উন্নত হ'ব নোৱাৰে। আমাৰ সংস্কৃতিৰ মূল ভেটি হৈছে নাৰীৰ সন্মান আৰু এই সন্মান ৰক্ষা কৰাটো নৈতিক দায়িত্ব। প্ৰতিটো পৰিয়ালে নিজৰ ঘৰৰ পৰা সজাগতাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিলেহে সমাজৰ পৰা এই ব্যাধি দূৰ হ'ব।

আজিৰ সমাজত নাৰী নিৰ্যাতন ৰোধৰ বাবে চৰকাৰী আঁচনিসমূহ যেনে 'বেটি বচাও বেটি পঢ়াও' বা অন্যান্য মহিলা সুৰক্ষা আইনসমূহৰ বিষয়ে তৃণমূল পৰ্যায়ত প্ৰচাৰ চলাব লাগিব। চৰকাৰী পৰ্যায়ৰ লগতে ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহতো নাৰীৰ কৰ্মক্ষেত্ৰত সুৰক্ষাৰ বাবে শক্তিশালী নীতি প্ৰণয়ন কৰা প্ৰয়োজন। কৰ্মক্ষেত্ৰত নিৰ্যাতন ৰোধৰ বাবে প্ৰতিটো প্ৰতিষ্ঠানত এক অভিযোগ সুৰক্ষা সমিতি থকাটো বাধ্যতামূলক কৰিব লাগে। এই সমিতিত মহিলা প্ৰতিনিধিৰ উপস্থিতি নিশ্চিত কৰি তেওঁলোকৰ কথা শুনাৰ নিৰাপদ পৰিৱেশ সৃষ্টি কৰিব লাগিব। নাৰীৰ নিৰাপত্তা নিশ্চিত কৰাটো কেৱল চৰকাৰৰ কাম নহয়, এইয়া আমাৰ প্ৰত্যেকৰে সামাজিক দায়বদ্ধতা বুলি মানিব লাগিব।

নাৰীৰ মানসিক স্বাস্থ্যৰ প্ৰতি থকা অৱহেলাও নিৰ্যাতন। প্ৰায়ে দেখা যায় যে ঘৰৰ নাৰীয়ে নিজৰ কষ্ট বা মানসিক যন্ত্ৰণাৰ কথা প্ৰকাশ কৰিব নোৱাৰে। তেওঁলোকৰ বাবে মুক্ত পৰিৱেশ সৃষ্টি কৰাটো পৰিয়ালৰ প্ৰত্যেক সদস্যৰ দায়িত্ব। সুস্থ পৰিয়াল এখন গঢ়ি তোলাৰ বাবে নাৰীৰ মতামতক গুৰুত্ব দিব লাগে। যেতিয়া এজনী নাৰীয়ে ঘৰৰ ভিতৰত সন্মান লাভ কৰে, তেতিয়া তেওঁৰ আত্মবিশ্বাস বহুগুণে বৃদ্ধি পায়। এই আত্মবিশ্বাসে তেওঁক সমাজৰ যিকোনো বাধা অতিক্ৰম কৰিবলৈ প্ৰেৰণা যোগায়। মানসিকভাৱে সবল নাৰীয়ে নিৰ্যাতনৰ বিৰুদ্ধে সাহসেৰে মাত মতাৰ শক্তি সঞ্চয় কৰে।

সামৰণিত ক'ব পাৰি যে নাৰী নিৰ্যাতনৰ দৰে সামাজিক ব্যাধিক প্ৰতিৰোধ কৰিবলৈ প্ৰয়োজন সামগ্ৰিক সামাজিক বিপ্লৱ। সমাজৰ দৃষ্টিভংগী সলনি কৰাৰ দায়িত্ব প্ৰত্যেকজন নাগৰিকৰ। নাৰী নিৰ্যাতনৰ পাত্ৰ নহয়, তেওঁ এই সমাজৰ প্ৰতিষ্ঠাপক আৰু পৰিচালিকা। নাৰীৰ সুৰক্ষা মানে সমাজৰ সুৰক্ষা আৰু নাৰীৰ প্ৰগতি মানেই দেশৰ প্ৰগতি। আমি সকলোৱে লগ লাগি এনে এক পৰিৱেশ গঢ়ি তুলিব লাগিব য'ত নাৰীয়ে ভয়মুক্ত হৈ জীয়াই থাকিব পাৰে। নিজৰ অধিকাৰৰ প্ৰতি সচেতন হৈ নাৰীয়ে যিদৰে নিজৰ মাত উচ্চস্বৰূপ কৰিব লাগিব, একেদৰে সমাজৰ পুৰুষ সমাজেও নাৰীক সমমৰ্যাদা প্ৰদান কৰি হাতত হাত মিলাই আগবাঢ়িব লাগিব। সেই দিনটোৱেই হ'ব আমাৰ সমাজৰ প্ৰকৃত আধুনিকতাৰ প্ৰতীক যিদিনা কোনো নাৰীয়ে নিৰ্যাতনৰ ভয়ত নিজৰ জীৱন আৰু সপোনক বিসৰ্জন দিবলগীয়া নহ'ব। আমাৰ প্ৰতিশ্ৰুতি হওক - নাৰীৰ সুৰক্ষা আৰু সন্মান, সমাজৰ প্ৰধান লক্ষ্য। এনে এক সংকল্পৰ মাজেৰেই আমি ভৱিষ্যত প্ৰজন্মক নিৰাপদ আৰু ন্যায়পৰায়ণ পৃথিৱী উপহাৰ দিবলৈ সক্ষম হ'ম। একতা আৰু সজাগতাই সমাজৰ পৰা সকলো অন্ধকাৰ আঁতৰাই নতুন পোহৰৰ সৃষ্টি কৰিব। আমি সকলোৱে লগ হৈ নাৰীৰ অধিকাৰৰ বাবে যুঁজ দিব লাগিব, যাতে ভৱিষ্যতে আমাৰ কন্যা-সন্তানসকলে এটা সুৰক্ষিত আৰু শ্ৰদ্ধাপূৰ্ণ পৰিৱেশত ডাঙৰ-দীঘল হ'ব পাৰে। এয়াই আমাৰ আজিৰ প্ৰতিজ্ঞা হোৱা উচিত।

লেখক-লেখিকা আৰু পঢুৱৈ সৃষ্টিৰ প্ৰয়োজনীয়তা

দিগন্ত বাইলুং

আনুষ্ঠানিক শিক্ষা গ্ৰহণ সমাপ্ত হোৱাৰ লগে লগেই পাঠ্য-পুথিৰ অধ্যয়ন তুলনামূলকভাৱে হ্ৰাস হোৱা পৰিলক্ষিত হয়। ইণ্টাৰনেট আৰু ভ্ৰাম্যভাষ যন্ত্ৰৰ বহুল প্ৰচলনে বৰ্তমান ছপা মাধ্যমক দুৰ্বল কৰিবলৈ চেষ্টা কৰা বিষয়টো নুই কৰিব নোৱাৰি। আধুনিক তথ্য প্ৰযুক্তিৰ দ্ৰুত বিকাশে যথেষ্ট পৰিৱৰ্তনৰ সূচনা কৰিছে। কেইটামান দশকৰ পূৰ্বে পুথিভঁৰালৰ কিতাপ সমূহ পঢুৱৈ ৰাইজে হাবাথুৰি খাই বিচাৰি আনি অধ্যয়ন কৰিছিল। অসমত প্ৰকাশিত দৈনিক বাতৰি কাকত সমূহ পুৱাই পঢ়িবলৈ কিমান যে হাবিয়াস? বৰ্তমান গাঁৱৰ প্ৰাপ্ত বয়স্ক শিক্ষিত লোকসকলে কয়, অতীতৰ বাতৰি কাকতৰ বাতৰিত অতিৰঞ্জিত আৰু মিছা কথা প্ৰকাশ নহৈছিল। সমাজত নেতিবাচক প্ৰভাৱ পৰা বিষয় বিলাক গুৰুত্ব সহকাৰে কোনো এখন বাতৰি কাকতেই সহজে প্ৰকাশ কৰা নাছিল। সময় সলনি হোৱাৰ লগে লগেই ৰাজনৈতিক নেতাই ভাষণৰ ফুলজাৰি মৰা দিশ সমূহৰ লগতে সমাজত নেতিবাচক প্ৰভাৱ পৰা দিশ সমূহে শিৰোনাম দখল কৰিবলৈ লৈছে। কিছুমান বাতৰি কাকতৰ পৃষ্ঠাত তথ্য সমৃদ্ধ লেখা আৰু বাতৰিৰ পৰিৱৰ্তে চৰকাৰী বিজ্ঞাপনৰ পয়োভৰ বিস্তৃত হোৱা বিষয়টো একেবাৰে নুই কৰিব নোৱাৰি। অৱশ্যে এনে অভিযোগ উত্থাপন হ'লেও অসমৰ বাতৰি কাকত সমূহে লেখক-লেখিকা সৃষ্টিত অতীজৰ পৰাই অভুতপূৰ্ব ভূমিকা গ্ৰহণ কৰি অহাটো প্ৰণিধানযোগ্য। দেশৰ যুৱ প্ৰজন্মৰ মাজত ক্ৰমশঃ বাতৰি কাকতৰ লগতে ছপা মাধ্যমৰ জনপ্ৰিয়তা হ্ৰাস পাবলৈ ধৰিছে। এই বিষয়টো সাম্প্ৰতিক সময়ত চিন্তনীয়েই নহয়, উদ্বেগজনকো। দেশৰ ভৱিষ্যত প্ৰজন্ম নিৰ্ধাৰিত পাঠ্যপুথিৰ অধ্যয়নতেই সীমাবদ্ধ হ'লে নহ'ব। বৰ্তমান প্ৰতিযোগিতাৰ যুগত সামগ্ৰিক জ্ঞানৰ প্ৰয়োজনীয়তা নিশ্চয় আছে।

শিক্ষাগুৰু সকলক সমাজ ব্যৱস্থাত সন্মানীয় আৰু আদৰ্শনীয় ব্যক্তি হিচাপে অতীজৰ পৰাই এক সুকীয়া আসন প্ৰদান কৰি অহা হৈছে। পূৰ্বতে শিষ্য তথা ছাত্ৰ-ছাত্ৰী সকলে শিক্ষাগুৰু সকলক দেখিলে চাইকেলৰ পৰা নামি দিয়াৰো পৰিৱেশ আছিল। সময় সলনি হৈছে। বৰ্তমান তেনে পৰিৱেশ আৰু আদৰ্শ এপাচি শাকত এটা জালুকৰ দৰে হৈছেগৈ। গুৰুৱে শিষ্যক দেহা উজাৰি জ্ঞান প্ৰদান কৰিবলৈ চেষ্টা কৰে। অতীজৰ সমাজ ব্যৱস্থাত কৰ্তব্য পালনৰ বাবে শিক্ষকতাৰ সেৱা নাছিল। সময় সলনি হোৱাৰ লগে লগেই শিক্ষকতা এক পেছাদাৰী ব্যৱস্থালৈ ৰূপান্তৰিত হৈছে। এতিয়া মাহৰ আটাইকেইটা কৰ্ম দিনত গুৰুৱে ছাত্ৰ-ছাত্ৰীক টিউচন বা ঘৰুৱা শিক্ষা প্ৰদান নকৰে। বৰ্তমান মোবাইল ৰিচাৰ্জ কৰোঁতে এমাহত ২৮ দিন হোৱাৰ দৰে টিউচনৰ মাহৰ দিনৰ নিৰিখ ১৬/১৮ দিনলৈ পৰিৱৰ্তন হ'বলৈ ধৰিছে। অন্যহাতে চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানৰ পৰিৱৰ্তে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ আধিপত্য প্ৰসাৰিত হৈছে। চৰকাৰৰ নেতৃত্ব লোৱা ব্যক্তি সকলৰ লগতে শিক্ষা ব্যৱস্থাৰ লগত জড়িত ব্যক্তি সকলে চৰকাৰী খণ্ডৰ শৈক্ষিক অনুষ্ঠানৰ উত্তৰণৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ কৰিব লাগিব, চৰকাৰী বিদ্যালয়ত মধ্যাহ্ন ভোজনত অধিক গুৰুত্ব দিয়াৰ সমান্তৰালভাৱে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ দৰে মানদণ্ড উন্নত কৰিবলৈ উদ্যোগ লোৱাত মনোনিবেশ কৰিব লাগিব।

বাণিজ্যিক বিকাশৰ বাবে বজাৰ তথা দোকান-পোহাৰ থাকিলেই নহ'ব, সমান্তৰালভাৱে ক্ৰেতা আৰু বিক্ৰেতা থাকিব লাগিব। ঠিক সেইদৰে লেখক-লেখিকা থাকিলেই নহ'ব সমাজত পঢুৱৈ থাকিব লাগিব। পঢুৱৈ সৃষ্টি কৰিবলৈ হ'লে নতুন প্ৰজন্মৰ মাজত লেখক-লেখিকা সৃষ্টি কৰিব লাগিব। যেনেকৈ অভাৱক প্ৰয়োজনীয়তাৰ দিশলৈ ৰূপান্তৰিত কৰা হয়। এখন শিক্ষিত আৰু উন্নত সমাজ গঠনৰ বাবে জ্ঞান বিস্তাৰৰ জনজাগৰণ আৰু শৈক্ষিক বিপ্লৱৰ প্ৰাসংগিকতা নিশ্চয় আছে। শুদ্ধ, সত্য আৰু সঠিক তথ্য যোগানত ছপা মাধ্যমৰ গুৰুত্বতা অপৰিসীম। অসমৰ চহৰে-নগৰে, গাঁৱে-ভূঞে বাতৰি কাকত, আলোচনী, স্মৃতি গ্ৰন্থ ইত্যাদিৰ প্ৰতি অধিক মনোনিৱেশ কৰি ছপা মাধ্যমক উজ্জীৱিত কৰিব লাগিব। এনে ব্যৱস্থাই নতুন প্ৰজন্মৰ মাজত লেখক-লেখিকাই নহয়, পঢুৱৈ সৃষ্টিত অৱিহণা আগবঢ়াব।

লেখকৰ ঠিকনাঃ কচুপথাৰ গাঁও, গোলাঘাট

বিজ্ঞাপনত নাৰী দেহৰ অশোভনীয় চিত্ৰণ

নিবেদিতা হাজৰিকা

আজিৰ পৃথিৱী বিজ্ঞাপনৰ পৃথিৱী। পুৱা শুই উঠাৰ পৰা ৰাতি বিছনাত পৰালৈকে বিজ্ঞাপন দেখা বা চোৱাৰ প্ৰক্ৰিয়া অহৰহ চলি থাকে। মানসিক সম্পদত দুখীয়া আধুনিক যুগৰ মানুহে স্থূল সুখৰ কাৰণে কেৱল ভোগ্য পণ্য দ্ৰব্য সংগ্ৰহ কৰিব বিচাৰে। যিটো অপ্ৰিয় হ'লেও সত্য। বিজ্ঞাপনৰ যি শৈল্পিক আবেদন সেই আবেদনৰ সুবিধা লৈ বিক্ৰেতাই ক্ৰেতাক আকৰ্ষণৰ যত্ন কৰে। উৎপাদক আৰু ক্ৰেতা উভয় শ্ৰেণীৰ ওচৰতেই ইয়াৰ উপযোগিতা আছে। ব্যৱসায়ৰ ক্ষেত্ৰখন বহু সময়ত বিজ্ঞাপনৰ দ্বাৰাই পৰিচালিত হয়। সেয়ে বিজ্ঞাপনক একেবাৰে অৰ্থহীন বুলি ক'ব নোৱাৰি। আধুনিক ব্যৱসায় -বাণিজ্যৰ ক্ষেত্ৰত সেয়ে বিজ্ঞাপনৰ ভূমিকা অনস্বীকাৰ্য। কিন্তু অধিকতৰ পুৰুষৰ বাবে উৎপাদিত সামগ্ৰীৰ বিজ্ঞাপনত নাৰীৰ দেহ প্ৰদৰ্শন কৰাটো কিমান যুক্তিসংগত। টেলিভিছনৰ পৰ্দাত প্ৰদৰ্শিত ৮০ শতাংশ বিজ্ঞাপনতেই নাৰীৰ প্ৰভুত্ব দেখা যায়। এই বিজ্ঞাপন সমূহ দেখিলে মনলৈ মাথোঁ এটাই প্ৰশ্ন আহে- নাৰী আৰু বিজ্ঞাপন জগতত সামগ্ৰী বেচাৰ মূল হেতু বা উৎস হৈ পৰিছে নেকি নাৰী?



বিজ্ঞাপন গাড়ীৰে হওক বা আফটাৰ ছেভ লোচনৰে হওক বা পাৰফিউম আদিৰে হওক সকলোতে নাৰীৰ দেহবল্লৰীৰ প্ৰয়োগ আৰু প্ৰদৰ্শন। বিজ্ঞাপন তৈয়াৰ কৰা নাইবা নিজ কোম্পানীৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে বিজ্ঞাপনত নাৰীৰ দেহ ব্যৱহাৰ কৰা গৰিষ্ঠ সংখ্যক লোকে ভাবে বা ধাৰণা কৰে যে এনে ধৰণৰ বিজ্ঞাপনে উপভোক্তাৰ ধ্যান সহজে আকৰ্ষণ কৰিব পাৰে। অৱশ্যে এই ধাৰণা অস্বীকাৰ কৰিব নোৱাৰি আৰু বিজ্ঞাপনৰ দ্বাৰা প্ৰভাৱিত হৈ সামগ্ৰী ক্ৰয় কৰাৰ কথা সম্পূৰ্ণ মানি ল'বও নোৱাৰি।

বিজ্ঞাপনত নাৰীয়ে অংশ লোৱাটো ভুল নহয়। কিন্তু শালীনতাৰ সীমা চেৰাই গৈ উন্মুক্ত দেহ প্ৰদৰ্শনেৰে, নাৰীক যৌনতাৰ প্ৰতীক ৰূপে প্ৰদৰ্শন কৰোৱাটো মানি ল'ব নোৱাৰি। নাৰী অবিহনে কি বজাৰৰ কোনো সামগ্ৰী বিক্ৰী নহয় নেকি? নাৰী দেহ প্ৰদৰ্শন কৰা বিজ্ঞাপনে কি বিক্ৰীৰ হাৰ বৃদ্ধি কৰে নেকি? শালীনতাৰ সকলো সীমা চেৰাই গৈ বিজ্ঞাপনৰ নামত নাৰী দেহৰ অশোভনীয় চিত্ৰণ কোনো আবুৰতা নোহোৱাকৈ যৌনতাক আধাৰ হিচাপে লৈ উপভোক্তাক আকৰ্ষিত কৰিবলৈ চেষ্টা কৰা সকলৰ বিৰুদ্ধে এক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত হ'ব বুলি ভাবো। অতি পৰিতাপৰ বিষয় যে যিখন ভাৰতবৰ্ষত নাৰীক পূজা কৰা হয় তথা দেৱীৰ স্থান দিয়া হয় সেই দেশতেই নাৰীক মুনাফা লাভৰ বাবে ব্যৱহাৰ কৰি থকা হৈছে। নাৰী হৈ পৰিছে এক প্ৰকাৰ পণ্য সামগ্ৰী। বিজ্ঞাপনত অংশ লোৱাত বাধা দিব লগা নাই বা আপত্তি কৰিব লগা নাই। কিন্তু ব্যৱসায়িক লাভৰ বাবে নাৰীক এনেদৰে পণ্য সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা কথাটো কোনোমতেই সমৰ্থনযোগ্য নহয়।

মিজোৰামত প্ৰথমবাৰৰ বাবে ভাৰতত দুটা নতুন বাদুলিৰ প্ৰজাতি চিনাক্ত

উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰ্য গৱেষণাত নতুন দিগন্তৰ সূচনা

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৯ জুলাই ঃ ভাৰতৰ বন্যপ্ৰাণী গৱেষণাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য সাফল্য হিচাপে বিজ্ঞানীসকলে মিজোৰামত প্ৰথমবাৰৰ বাবে দুটা নতুন বাদুলিৰ প্ৰজাতিৰ উপস্থিতি নিশ্চিত কৰিছে। এই আৱিষ্কাৰে দক্ষিণ-পূব এছিয়াৰ এই দুয়োটা স্তন্যপায়ী প্ৰজাতিৰ বিস্তৃতি দক্ষিণ এছিয়ালৈ সম্প্ৰসাৰিত কৰাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ সমৃদ্ধ কিন্তু এতিয়াও সম্পূৰ্ণৰূপে অন্বেষণ নোহোৱা জৈৱ বৈচিত্ৰ্যৰ প্ৰতি পুনৰ দৃষ্টি আকৰ্ষণ কৰিছে। শ্বিলঙস্থিত ভাৰতীয় প্ৰাণীবৈজ্ঞানিক জৰীপ (জেড এছ আই)ৰ গৱেষকসকলৰ নেতৃত্বত ভাৰতৰ আন কেইবাটাও গৱেষণা প্ৰতিষ্ঠান আৰু হাঙ্গেৰিয়ান নেচাৰেল হিষ্ট্ৰী মিউজিয়ামৰ বিজ্ঞানীসকলৰ সহযোগত সম্পন্ন হোৱা এক অধ্যয়নত মিজোৰামত Glischropus bucephalus (ইণ্ডো-চাইনিজ থিক-থাম্বড বেট) আৰু Myotis indochinensis (ইণ্ডো-চাইনিজ মাউছ-ইয়াৰ্ড বেট)-ৰ উপস্থিতি নিশ্চিত কৰা হৈছে। গৱেষণাৰ ফলাফল Animal Taxonomy and Ecology নামৰ আন্তঃৰাষ্ট্ৰীয় গৱেষণা আলোচনীত প্ৰকাশ পাইছে। ২০২৩ চনৰ পৰা ২০২৫ চনলৈ মিজোৰামৰ বিভিন্ন অঞ্চলত চলোৱা বিস্তৃত ক্ষেত্ৰ সমীক্ষাৰ সময়ত এই প্ৰজাতিদ্বয় চিনাক্ত কৰা হয়। আকৃতিগত বৈশিষ্ট্য, আণৱিক জিনীয় বিশ্লেষণ আৰু ইক'ল'কেচন অধ্যয়নৰ জৰিয়তে প্ৰজাতিসমূহৰ পৰিচয় নিশ্চিত কৰা হৈছে। গৱেষণা অনুসৰি, পূৰ্বে কেৱল কম্বোডিয়া, ভিয়েটনাম, থাইলেণ্ড আৰু ম্যানমাৰত পোৱা Glischropus bucephalus মিজোৰামৰ ছেৰছিপ জিলাৰ চিয়াহটলাঙত লিপিবদ্ধ কৰা হৈছে। আনহাতে, ভিয়েটনাম, লাওছ আৰু দক্ষিণ চীনত সীমাবদ্ধ বুলি ধৰা Myotis indochinensis মিজোৰামৰ ৰেইএক অঞ্চলত পোৱা গৈছে। ইয়াৰ ফলত এই দুয়োটা প্ৰজাতিৰ জনাজাত বিস্তৃতি ক্ৰমে প্ৰায় ৬৭০ কিলোমিটাৰ আৰু ১, ৩০০ কিলোমিটাৰ পশ্চিমলৈ সম্প্ৰসাৰিত হৈছে। মুখ্য গৱেষক ড° উত্তম শইকীয়াই কয় যে, ভাৰতীয় আৰু দক্ষিণ-পূব এছিয়াৰ জৈৱ-ভৌগোলিক অঞ্চলৰ সংযোগস্থল হিচাপে উত্তৰ-পূৰ্বাঞ্চলত এতিয়াও বহু অচিনাক্ত প্ৰজাতি আৰু নতুন বিস্তৃতিৰ তথ্য উন্মোচিত হোৱাৰ সম্ভাৱনা আছে। সেয়েহে অঞ্চলটোত নিয়মীয়া জৈৱ বৈচিত্ৰ্য সমীক্ষা অব্যাহত ৰখা অতি প্ৰয়োজনীয়। গৱেষণাখনত লগতে উল্লেখ কৰা হৈছে যে, ভাৰতত স্তন্যপায়ী প্ৰাণীৰ ৩০ শতাংশতকৈ অধিক বৈচিত্ৰ্য বাদুলিৰ মাজতে থাকিলেও এই গোটটোৱেই দেশৰ আটাইতকৈ কম অধ্যয়ন কৰা স্তন্যপায়ী প্ৰাণীৰ অন্যতম। এই নতুন আৱিষ্কাৰৰ ফলত ভাৰতত এতিয়ালৈকে চিনাক্ত হোৱা বাদুলিৰ মুঠ প্ৰজাতিৰ সংখ্যা কমেও ১৩৮-লৈ বৃদ্ধি পাইছে। গৱেষকসকলৰ মতে, এই আৱিষ্কাৰে উত্তৰ-পূৰ্বাঞ্চলৰ বনাঞ্চলসমূহৰ সংৰক্ষণৰ গুৰুত্ব অধিক শক্তিশালী কৰাৰ লগতে বিশ্ব জৈৱ বৈচিত্ৰ্য গৱেষণাত অঞ্চলটোৰ তাৎপৰ্যও পুনৰ প্ৰতিষ্ঠা কৰিছে।

ওদালগুৰিত এবিপিভিৰ 'যুৱ প্ৰেৰণা বঁটা' প্ৰদান আৰু অভিনন্দন অনুষ্ঠান

সাংবাদিক ধনদ্বীপ বৰালৈ যুৱ প্ৰেৰণা বঁটা'

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৯ জুলাই ঃ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ (ABVP)ৰ ওদালগুৰি শাখাৰ উদ্যোগত আজি ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত যুৱ প্ৰেৰণা বঁটা' প্ৰদান অনুষ্ঠান আৰু ২০২৬ বৰ্ষৰ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। মা সৰস্বতী আৰু স্বামী বিবেকানন্দৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা এই অনুষ্ঠানত সমাজৰ বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অৱদানৰ স্বীকৃতি স্বৰূপে ৩ গৰাকী যুৱ প্ৰতিনিধিলৈ 'যুৱ প্ৰেৰণা বঁটা' প্ৰদান কৰে সংগঠনটোৱে। সাংস্কৃতিক ক্ষেত্ৰত বনশ্ৰী মেধি, সাংবাদিকতাৰ ক্ষেত্ৰত ধনদ্বীপ বৰা আৰু উদ্যমীতাৰ ক্ষেত্ৰত জনক ৰামচিয়াৰীক 'যুৱ প্ৰেৰণা বঁটা' বঁটাৰে সন্মানিত কৰে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে (ABVP)। এই অনুষ্ঠানত অঞ্চলটোৰ পৰা উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ কৃতি ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ লগতে কেৰিয়াৰ গাইডেঞ্চ সন্দৰ্ভত আলোচনাচক্ৰ এটাও অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যাৰ্থী পৰিষদৰ ওদালগুৰি নগৰ শাখাৰ সভাপতি অধ্যাপক মণ্টু কলিতাই কাৰ্যসূচীৰ মূল উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সদস্যা ধৃতাশ্ৰী ডেকাই বিদ্যাৰ্থী পৰিষদৰ ভূমিকা আৰু ছাত্ৰ শক্তিৰ ৰাষ্ট্ৰ নিৰ্মাণত থকা দায়িত্বৰ সন্দৰ্ভত অনুপ্ৰেৰণাদায়ক ভাষণ আগবঢ়ায়। কেৰিয়াৰ গাইড অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি বিশিষ্ট কেৰিয়াৰ মাৰ্গদৰ্শক তথা বিশেষজ্ঞ ৰঞ্জন কুমাৰ বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক সঠিক দিশ নিৰ্ণয় আৰু ভৱিষ্যতৰ বিভিন্ন সুযোগৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। সমগ্ৰ কাৰ্যসূচী সফল কৰি তোলাৰ বাবে ব্যৱস্থা সমিতি আৰু উপস্থিত ৰাইজক ধন্যবাদ জ্ঞাপন কৰি ABVP ওদালগুৰি নগৰ শাখাৰ সম্পাদক নেৰচন দেউৰীয়ে শলাগৰ শৰাই তথা সমাপন ভাষণ আগবঢ়ায়। আজিৰ এই অনুষ্ঠাত শীৰ্ষ এবিভিপি নেতা জয়ন্ত কুমাৰ নাথ, মুনি মুনি হাঙ্গেৰ লগতে বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম' গীতৰ পৰিৱেশনৰ অন্তত এই অনুষ্ঠানৰ সফল সামৰণি পৰে।

লাহৰীঘাটত ড্ৰাগছসহ আৰক্ষীৰ জালত স্বামী-স্ত্ৰী

অসম বাৰ্তা, লাহৰীঘাট, ৯ জুলাই ঃ লাহৰীঘাট আৰক্ষীৰ ড্ৰাগছ বিৰুদ্ধী অভিযান অব্যাহত। আজি পুনৰ মৰিগাঁও জিলা আৰক্ষীৰ বিশেষ শাখা আৰু লাহৰীঘাট আৰক্ষীৰ যৌথ অভিযানত ড্ৰাগছসহ গ্ৰেপ্তাৰ হয় এহাল স্বামী-স্ত্ৰী। আৰক্ষীৰ জালত পৰা ড্ৰাগছ সৰবৰাহকাৰী স্বামী-স্ত্ৰী দাতিয়ালবড়ি গাঁৱৰ শ্বাহা আলী আৰু তেওঁৰ স্ত্ৰী তছলিমা বেগম বুলি জানিব পৰা গৈছে। ধৃত স্বামী-স্ত্ৰীহালৰ পৰা ড্ৰাগছ ভৰ্তি এটা চাবোনৰ বাকচৰ লগতে এটা মোবাইল ফোন জব্দ কৰে আৰক্ষীয়ে। স্বামী-স্ত্ৰীহালে ড্ৰাগছখিনি বিক্ৰী কৰিবলৈ যোৱাৰ সময়তে আৰক্ষীয়ে গোপন সূত্ৰ পম খেদি হাতে-লোটে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, ধৃত ড্ৰাগছ সৰবৰাহকাৰী শ্বাহা আলী পূৰ্বেও একে অপৰাধৰ বাবে ৰঙা ঘৰৰ আলহী হৈছিল। বৰ্তমান সময়ত লাহৰীঘাট আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰী স্বামী-স্ত্ৰীক অধিক তথ্যৰ বাবে সোধপোচ অব্যাহত ৰাখিছে।

কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰক উত্তৰ-পূব পাৰম্পৰিক মল্লযুদ্ধ ফেডাৰেছনৰ অধ্যক্ষ ৰূপে নিযুক্তি

পাৰম্পৰিক মল্লযুদ্ধ ক্ষেত্ৰলৈ নতুন শক্তিৰ সঞ্চাৰ

ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৯ জুলাই ঃ ভাৰতীয় পাৰম্পৰিক মল্লযুদ্ধ সংস্থাৰ ৰাষ্ট্ৰীয় ফেডাৰেছনে এক মহত্বপূৰ্ণ সিদ্ধান্ত লৈ কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰক উত্তৰ-পূব পাৰম্পৰিক মল্লযুদ্ধ ফেডাৰেছনৰ অধ্যক্ষ ৰূপে নিযুক্তি দিছে। এই নিযুক্তি প্ৰদান কৰে ফেডাৰেছনৰ ৰাষ্ট্ৰীয় অধ্যক্ষ সুদেশ কুমাৰে। একেদিনাই তেখেতক ফেডাৰেছনৰ ৰাষ্ট্ৰীয় সদস্যৰূপেও মনোনীত কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ পাৰম্পৰিক খেলসমূহক প্ৰোৎসাহন দিয়াৰ নীতিৰ লগত সংগতি ৰাখি পাৰম্পৰিক মল্লযুদ্ধ সংস্থাৰ ৰাষ্ট্ৰীয় ফেডাৰেছনে থলুৱা মল্লযুদ্ধ শৈলীসমূহৰ পুনৰুদ্ধাৰ, সংৰক্ষণ আৰু সংবৰ্ধনৰ লগত জড়িত হৈ আছে। নতুন নেতৃত্বই উত্তৰ-পূবৰ খেলুৱৈসকলক এক সুগঠিত মঞ্চ দিয়াৰ বাবে সাজু হৈছে, যাতে তেওঁলোকে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় উভয় স্তৰতে কৃতিত্ব অৰ্জন কৰিব পৰাকৈ প্ৰয়োজনীয় আন্তঃগাঁথনি, প্ৰশিক্ষণ আৰু সা-সুবিধা লাভ কৰে। "উত্তৰ-পূবত পাৰম্পৰিক মল্লযুদ্ধক প্ৰোৎসাহন দিয়াৰ দায়িত্ব মোৰ বাবে এক অনন্য সুযোগ। আমাৰ অঞ্চলত যথেষ্ট প্ৰতিভা আছে, আৰু এই পাৰম্পৰিক ক্ৰীড়াসমূহক নতুন শক্তি দিয়াৰ বাবে আমি অক্লান্ত হৈ কাম কৰি যাম। আমি এইটো সুনিশ্চিত কৰিম, যাতে তেওঁলোকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পাৰম্পৰিক ক্ৰীড়াৰ প্ৰতি প্ৰদান কৰা গুৰুত্বৰ আধাৰত ৰাষ্ট্ৰীয় সমৰ্থন লাভ কৰে।" "আমি মানক প্ৰশিক্ষণ বিধি প্ৰতিষ্ঠা কৰিম, আঞ্চলিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰিম, আৰু উত্তৰ-পূব ভাৰতৰ চুকে-কোণে থকা তৃণমূল পৰ্যায়ৰ সম্ভাৱনা থকা খেলুৱৈসকলক উলিয়াই আনিম।" মন্ত্ৰীগৰাকীয়ে লগতে কয় যে উত্তৰ-পূব পাৰম্পৰিক মল্লযুদ্ধ ফেডাৰেছনে এক সৰ্বাত্মক উন্নয়নৰ পথনিৰ্দেশিকা প্ৰণয়ন কৰাৰ পৰিকল্পনা কৰিছে। ইয়াৰ লগতে গ্ৰামীন জিলাসমূহত প্ৰতিভা অনুসন্ধান, 'ইনুবান' (মিজো মল্লযুদ্ধ) আৰু 'মুনকা' (মণিপুৰী মল্লযুদ্ধ) ৰ দৰে শৈলীসমূহক মানক প্ৰতিষ্ঠা কৰি চহকী সাংস্কৃতিক ঐতিহ্য ৰক্ষা কৰাৰ লগতে উন্নত প্ৰতিযোগিতামূলক কৰি তোলাৰো পৰিকল্পনা আছে। এই নিযুক্তি উত্তৰ-পূৰ্বঞ্চলৰ পাৰম্পৰিক মল্লযুদ্ধাসকলৰ বাবে এক উজ্জ্বল ভৱিষ্যতৰ বতৰা দিয়াৰ লগতে সাংস্কৃতিক ক্ৰীড়া ঐতিহ্যৰ সংৰক্ষণৰ দিশত এক মহত্ত্বপূৰ্ণ পদক্ষেপ ৰূপে চিহ্নিত হৈছে।

অসমত উদ্ধাৰ হোৱা অধিকাংশ

মুঠ ১৩.৪ লাখ টকাৰ ভুৱা নোট জব্দ কৰিছে। প্ৰথম ঘটনাত উত্তৰ প্ৰদেশৰ অনুজ গুপ্তা, ঋষভ গুপ্তা আৰু মোহিত শুক্লা নামৰ তিনিজন অভিযুক্ত ধৰা পৰে, আনহাতে দ্বিতীয় ঘটনাত লখিমপুৰৰ দেৱজিত দেউৰী আৰু অজয় বিশ্বকৰ্মাক আটক কৰা হয়। জালনোটৰ গুণমান সম্পৰ্কে মন্ত্ৰী হাজৰিকাই কয় যে অসমত উদ্ধাৰ হোৱা অধিকাংশ জালনোটেই প্ৰিণ্টাৰত তৈয়াৰ কৰা নিম্নমানৰ। এইবোৰ চকুত পৰা মাত্ৰেই আচল নোটৰ পৰা পৃথক বুলি চিনাক্ত কৰিব পাৰি। তেওঁ লগতে উল্লেখ কৰে যে ভাল কোৱালিটিৰ জালনোট পালে আৰক্ষীয়ে এন আই লৈ প্ৰেৰণ কৰে, কিন্তু ইয়াত সেই পৰিস্থিতি নাই। সদনত মন্ত্ৰী গৰাকীয়ে আৰক্ষীৰ জেৰাত ধৃতসকলে দিয়া স্বীকাৰোক্তিও উন্মোচন কৰে। উত্তৰ প্ৰদেশৰ অভিযুক্তকেইজনে কয় যে তেওঁলোক অসমলৈ সোণৰ নাও কিনিবলৈ আহিছিল। লখিমপুৰৰ নাওবৈচা আৰু বঙালমৰা অঞ্চলত এনে সোণৰ নাৱৰ 'ডুপ্লিকেট' কাহিনী চলি থাকে, য'ত এপিক চেণ্টাৰৰ নামত মানুহক ঠগাই নকল সোণৰ নাও দেখুৱাই প্ৰতাৰণা কৰা হয়। এই সোণৰ নাও কিনিবলৈয়ে উক্ত লোকসকল জালনোট লৈ অসমত উপস্থিত হৈছিল। আনহাতে দেৱজিত দেউৰী আৰু অজয় বিশ্বকৰ্মাৰ পৰা ২.৫৬ লাখ টকাৰ জালনোট জব্দ কৰা ঘটনাত তদন্ত আগুৱাই গৈছে। আৰক্ষীয়ে জানিব পৰা মতে, এই চক্ৰত লখিমপুৰৰ আব্দুল গফুৰ, চাহিল ওৰফে ইলছাম আলী আৰু চুমি নামৰ এগৰাকী যুৱতীৰ লগতে ইক্ৰামুল ইছলাম, নিজামুৰ ৰহমান, হাজিবুৰ ৰহমান আদি বহুকেইজন লোক সক্ৰিয়ভাৱে জড়িত। তেওঁলোকে দুই-তিনি বছৰ ধৰি অসমৰ বিভিন্ন প্ৰান্তত জালনোট প্ৰচলন কৰি আহিছে। মন্ত্ৰী হাজৰিকাই কঠোৰ ভাষাত কয় যে বঙালমৰাত ভুৱা ডি এছ এন জি ভান, নকল এস্কৰ্ট-পাইলট ভানকে ধৰি বিভিন্ন ঠগবাজী চলি আছে। আৰক্ষীয়ে এইবোৰ বন্ধ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ উল্লেখ কৰে যে এই চক্ৰসমূহে মানুহক জালনোট বা নকল সোণ দিও অথবা আৰক্ষীৰ গাড়ী বুলি ভয় দেখাই পইচা আদায় কৰে। আৰক্ষীয়ে এনে অপচৰ্চাৰ সৈতে জড়িত বহু ভুৱা অস্ত্ৰও উদ্ধাৰ কৰিছে। ধৃত অজয় বিশ্বকৰ্মাক লৈ বিধানসভাত বিশেষভাৱে আলোচনা হয়। মন্ত্ৰী হাজৰিকাই কয় যে আৰক্ষীয়ে তদন্তৰ বাবে তেওঁক গ্ৰাউণ্ডলৈ লৈ যাওঁতে পলায়নৰ চেষ্টা কৰাত আৰক্ষীয়ে বাধ্য হৈ দুটা ৰাউণ্ড গুলী চলায়। বৰ্তমান অজয় বিশ্বকৰ্মা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন। উল্লেখযোগ্য যে ৰ জুলাই নিশা গুৱাহাটীৰ ছয়মাইল অঞ্চলত দিছপুৰ আৰক্ষীয়ে AS-01-PC-8433 নম্বৰৰ চুইফট ডিজায়াৰ গাড়ীৰ পৰা ২ লাখ ৫৬ হাজাৰ টকাৰ জালনোট উদ্ধাৰ কৰি দেৱজিত দেউৰী আৰু অজয় বিশ্বকৰ্মাক গ্ৰেপ্তাৰ কৰিছিল। তাৰ পিছত চজুলাই সংবাদ মাধ্যমৰ আগত অজয় বিশ্বকৰ্মাই চাঞ্চল্যকৰ দাবী কৰে যে গুৱাহাটীতে ১০০ কোটি টকাৰ জালনোটৰ ক'লা বেহা চলি আছে। লখিমপুৰৰ বঙালমৰাৰ পৰা গুৱাহাটীলৈ জালনোটৰ এই বৃহৎ চক্ৰখন কেন্দ্ৰীভূত বুলি তেওঁ সদৰি কৰে। এই বিস্ফোৰক স্বীকাৰোক্তিয়ে ৰাজ্যত ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি কৰে, আৰক্ষী মহলতো তীব্ৰ প্ৰতিক্ৰিয়া দেখা যায়। ইয়াৰ পিছত ৪ জুলাইৰ পুৱতি নিশা জালনোট চক্ৰৰ সন্ধানত অভিযান চলোৱাৰ সময়তে অজয় বিশ্বকৰ্মাই পলাই যাবলৈ বিচাৰিলে, যি সময়ত আৰক্ষীয়ে তেওঁৰ ঠেঙত গুলী কৰে। অৱশ্যে, বিধানসভাত মন্ত্ৰী হাজৰিকাই অজয় বিশ্বকৰ্মাই দিয়া ১০০ কোটি টকাৰ দাবীটো সম্পূৰ্ণ নাকচ কৰে। তেওঁ কয়, "এই ১০০ কোটি টকাৰ দাবীটোৰ কোনো লিংক আমি বিচাৰি পোৱা নাই। গুৱাহাটীত এতিয়ালৈকে কোনো ভুক্তভোগীয়ে জালনোট পোৱা বুলি অভিযোগ দাখিল কৰা নাই। অজয় বিশ্বকৰ্মাই মিডিয়াৰ আগত এই কথা কৈছে, কিন্তু আৰক্ষীৰ আগত তেওঁৰ স্বীকাৰোক্তিত এই দাবী নাই। সেয়ে মই বিশ্বাস নকৰোঁ যে গুৱাহাটীত এনে ধৰণৰ কোনো বৃহৎ চক্ৰ আছে। কিন্তু যদি থকা ধৰা পৰে, আমি যথেষ্ট গুৰুত্ব সহকাৰে কঠোৰ ব্যৱস্থা ল'ম। আমি দেশৰ অৰ্থনীতিক ধ্বংস হ'বলৈ দিব নোৱাৰোঁ, আমি সজাগ আৰু সতৰ্ক।"

ডিব্ৰুগড় প্ৰধান মন্ত্ৰীৰ ডিজিটেল ইণ্ডিয়াক শক্তিশালী কৰাৰ লক্ষ্যেৰে প্ৰধান ডাকঘৰত স্পীড পোষ্টৰ বাবে স্বয়ংক্ৰিয় মেচিনৰ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ জুলাই ঃ ডিব্ৰুগড়ৰ প্ৰধান ডাকঘৰত স্পীড পোষ্টৰ বাবে স্বয়ংক্ৰিয় আৰ্টিকেল বুকিং মেচিনৰ শুভাৰম্ভ কৰা হয়। প্ৰধান ডাকঘৰত আনুষ্ঠানিকভাৱে স্বয়ংক্ৰিয় আৰ্টিকেল বুকিং মেচিন স্থাপন কৰি জনসাধাৰণৰ বাবে মুকলি কৰি দিয়া হয়। এই মেচিনৰ জৰিয়তে গ্ৰাহকে কোনো কাউণ্টাৰত দীঘলীয়া শাৰী পাতি অপেক্ষা নকৰাকৈ নিজেই অন্যান্য ডাক সামগ্ৰী সহজে বুকিং কৰিব পাৰিব। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ডিজিটেল ইণ্ডিয়া অভিযানক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে ভাৰত চৰকাৰৰ আৰু ভাৰতীয় ডাক বিভাগে দেশজুৰি আধুনিক সেৱা সম্প্ৰসাৰণ কৰি আছে। তাৰেই অংশ হিচাপে ডিব্ৰুগড়ৰ প্ৰধান ডাকঘৰত এই অত্যাধুনিক ব্যৱস্থাৰ শুভাৰম্ভ কৰা বুলি জনায় প্ৰধান ডাকঘৰৰ অধীক্ষক হীৰেন কুমাৰ গগৈয়ে। তেওঁ কয় যে, উজনি অসমত ডিব্ৰুগড়ৰ প্ৰধান ডাকঘৰেই প্ৰথম এই সুবিধা লাভ কৰিছে। ৰাজ্যখনত গুৱাহাটীৰ পিছতেই ডিব্ৰুগড়ত এই মেচিন স্থাপন কৰা হৈছে আৰু ইয়াৰ পিছত কাছাৰতো একে ধৰণৰ ব্যৱস্থা কৰা হৈছে। এই মেচিনৰ জৰিয়তে পাৰ্চেল আৰু অন্যান্য ডাক সামগ্ৰী বুকিং কৰিব পৰা যাব। গ্ৰাহকে নিজেই ডিজিটেল প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিব পাৰিব, ফলত সময় ৰাহি হোৱাৰ লগতে ডাকঘৰৰ সেৱা অধিক স্বচ্ছ, দ্ৰুত আৰু ডিজিটেলভাৱে উপলব্ধ হ'ব। অৱশ্যে মেচিনটোৰ জৰিয়তে বুকিং কৰিবলৈ সামগ্ৰীৰ ওজন আৰু আকাৰ নিৰ্ধাৰিত সীমাৰ ভিতৰত থাকিব লাগিব। সামগ্ৰীটো মেচিনৰ নিৰ্দিষ্ট খোলা অংশত সহজে সোমাব পাৰিলেহে বুকিং সম্ভৱ হ'ব। ডাক বিভাগে জনসাধাৰণক এই নতুন ডিজিটেল সুবিধাৰ পূৰ্ণ সদ্ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। শুভাৰম্ভ অনুষ্ঠানত পোষ্ট মাষ্টাৰ বিপুল ঠাকুৰীয়াকে প্ৰমুখ্য কৰি বিষয়া কৰ্মচাৰী সকল উপস্থিত থাকে।

গোলকগঞ্জত ভুৱা চিকিৎসক আটক; সাত বছৰে চিকিৎসা চলোৱাৰ অভিযোগ

অসম বাৰ্তা, গোলকগঞ্জ, ৯ জুলাই ঃ ৰাজ্যত ভুৱা চিকিৎসকৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ মাজতে ধুবুৰী জিলাৰ গোলকগঞ্জত এজন কথিত ভুৱা চিকিৎসকক আটক কৰা হৈছে। মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশৰ পিছতে গোলকগঞ্জ আৰক্ষীয়ে চলোৱা এক অভিযানত বিপুল কুমাৰ ৰায় নামৰ লোকজনক আটক কৰে। আৰক্ষীৰ সূত্ৰ অনুসৰি, অজ্ঞাত লোকৰ অভিযোগৰ ভিত্তিত গোলকগঞ্জ বজাৰত অৱস্থিত মণ্ডল মেডিকেল ষ্ট'ৰৰ চেম্বাৰত অভিযান চলোৱা হয়। অভিযানত চিকিৎসা চলাই থকা বিপুল কুমাৰ ৰায়ক আটক কৰাৰ লগতে তেওঁৰ পৰা বহু গুৰুত্বপূৰ্ণ নথি-পত্ৰ জব্দ কৰা হয়। প্ৰাথমিক তদন্তত জানিব পৰা মতে, বিপুল কুমাৰ ৰায়ৰ ঘৰ পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ দিনহাটাত। তেওঁ নিজকে MBBS (AM) বুলি পৰিচয় দি দীৰ্ঘদিন ধৰি চিকিৎসা সেৱা আগবঢ়াই আহিছিল বুলি অভিযোগ উত্থাপিত হৈছে। আনহাতে, মণ্ডল মেডিকেল ষ্ট'ৰৰ স্বত্বাধিকাৰীকো আটক কৰি আৰক্ষীয়ে সোধা-পোছা চলাই আছে। জব্দ কৰা নথি-পত্ৰসমূহৰ সত্যতা পৰীক্ষা কৰাৰ লগতে অভিযুক্তজনৰ শিক্ষাগত অৰ্হতা আৰু চিকিৎসা কৰাৰ বৈধতা সন্দৰ্ভতো তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। উল্লেখ্য যে, অভিযুক্ত বিপুল কুমাৰ ৰায়ে প্ৰায় সাত বছৰৰ পৰা উক্ত মেডিকেল ষ্ট'ৰৰ চেম্বাৰত চিকিৎসা চলাই আহিছিল বুলি স্থানীয় সূত্ৰে দাবী কৰিছে। সমগ্ৰ ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। তদন্তৰ পিছত ঘটনাটোৰ সৈতে আৰু কোনো লোক জড়িত আছে নেকি, সেই বিষয়েও আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে।

ৰূপসীৰ জগদ্বীপেন্দ্ৰ নাৰায়ণ একাডেমিৰ শিক্ষক দিপক ৰঞ্জন সৰকাৰৰ দেহাৱসান

অসম বাৰ্তা, গৌৰীপুৰ, ৯ জুলাই ঃ ৰূপসীৰ জগদ্বীপেন্দ্ৰ নাৰায়ণ একাডেমিৰ বিজ্ঞান শাখাৰ বিশিষ্ট প্ৰাক্তন শিক্ষক তথা গৌৰীপুৰ চহৰৰ বিশিষ্ট সমাজ সেৱক দিপক ৰঞ্জন সৰকাৰৰ দেহাৱসান। বিশিষ্ট শিক্ষক দিপক ৰঞ্জন সৰকাৰে ০১-০৩-১৯৯৩ চনত ঐতিহ্য মণ্ডিত গৌৰীপুৰ চহৰত জন্ম গ্ৰহণ কৰে। তেখেতৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৭ বছৰ। আৰু শৈশৱৰ পৰাই গৌৰীপুৰতে শিক্ষা লাভ কৰি তেখেতে কম বয়সতে অসম চৰকাৰৰ শিক্ষকৰ চৰকাৰী চাকৰি লাভ কৰে। সেই সময়ত ৰূপসীৰ জে এন একাডেমিৰ ভিতৰত তেখেতৰ এক সুনাম আছিল, বিশেষকৈ অংক শাস্ত্ৰত পাৰ্গত আছিল বাবে তেখেতৰ প্ৰাক্তন ছাত্ৰবোৰে আজিও স্মৰণ কৰে। ইফালে ঐতিহাসিক ধুবুৰী জিলাৰ ঐতিহ্য মণ্ডিত গৌৰীপুৰৰ এজন আদৰ্শবান সমাজ সেৱক আছিল প্ৰাক্তন শিক্ষকজনে। চাকৰি কালত তেখেতৰ দুখন কবিতা পুথি বহুত চৰ্চিত হোৱাত তেখেত অসম সাহিত্য সভাৰ পৰা বটা লাভ কৰে। তেখেতে লিখা কবিতা পুথি দুখনৰ ভিতৰত ক্ৰমে আছিল বন্ধন আৰু যাযাবৰ। তাৰ লগতে আৰু বহুত কবিতা বিভিন্ন আলোচনীত প্ৰকাশ পাইছিল মাজে সময়ে। আৰু তেখেতৰ মৃত্যুত গৌৰীপুৰবাসীৰ লগতে ৰূপসী অঞ্চলৰ লোক সকলে এক গভীৰ শোক প্ৰকাশ কৰে। আৰু তাৰ লগতে গৌৰীপুৰ চহৰৰ এক শোকৰ ছাঁ পৰাও দেখা যায়। আৰু যোৱা কালি প্ৰাক্তন ছাত্ৰৰ লগতে গৌৰীপুৰৰ কিছু সচেতন মহলে শোকসন্তপ্ত পৰিয়ালক গভীৰ সমবেদনা জনায়।

বিহালী অভয়াৰণ্যত অৰুণাচলী বনদস্যুৰ তাণ্ডৱ; ঘটনাস্থলীত IGP, ASI, DFO-সহ উচ্চ বিষয়াৰ দল

অসম বাৰ্তা, বিহালী, ৯ জুলাই ঃ যোৱা সোমবাৰে বিহালী অভয়াৰণ্যত সংঘটিত হয় এক চাঞ্চল্যকৰ ঘটনা। অভিযোগ অনুসৰি, অৰুণাচলৰ পৰা অহা এটা বনদস্যুৰ দলে অভয়াৰণ্যৰ সংৰক্ষিত ভূমি বেদখল কৰি বেআইনীভাৱে বৃহৎ পৰিমাণে গছ-গছনি কাটি তাণ্ডৱ চলায়। বাধা দিবলৈ আগবাঢ়ি অহা অসম বন বিভাগৰ বনৰক্ষীৰ দলক লক্ষ্য কৰি দস্যুৱে প্ৰায় ১৬ ৰাউণ্ডমান গুলীচালনা কৰে বুলি অভিযোগ উত্থাপিত হৈছে। এই ঘটনাই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। আনহাতে এই সন্দৰ্ভত বিভিন্ন পক্ষৰ তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হোৱাৰ পিছত বন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ তৎপৰতাৰ পিছত পৰিস্থিতিৰ বুজ ল'বলৈ আজি ঘটনাস্থলীত উপস্থিত হয় অসম আৰক্ষীৰ IGP, ASI, বন বিভাগৰ DFO-সহ আন কেইবাজনো উচ্চ পদস্থ বিষয়া। তেওঁলোকে সমগ্ৰ অঞ্চল পৰিদৰ্শন কৰাৰ লগতে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীৰ পৰা ঘটনাৰ সবিশেষ বুজ লয় আৰু নিৰাপত্তা ব্যৱস্থাৰ পৰ্যালোচনা কৰে। এই খেত্ৰত ঘটনা সংঘটিত হোৱা ঠাইত ব্লেক কমাণ্ডোৰ এটা বৃহৎ দলৰ লগতে অসম আৰখি, বনকৰ্মীৰ দলে বিহালী অভয়াৰণ্যৰ দিকাল মুখ, ৰাধাচু আদি অঞ্চলত অভিযান চলাই পৰিস্থিতিৰ বুজ লয়। আনহাতে বৰ্তমানেও ঘটনাস্থলীত উত্তেজনাপূৰ্ণ পৰিস্থিতি বিৰাজ কৰি আছে। যাৰ বাবে বন বিভাগ আৰু আৰক্ষীৰ এটা উচ্চপৰ্যায়ৰ দলে আলোচনাত মিলিত হয়। বিহালী অভয়াৰণ্য ভিতৰত কোনো ধৰণৰ অস্ত্ৰ যাতে আনিব নোৱাৰে এই ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰা হ'ব। লগতে নিৰাপত্তাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হ'ব বুলি উচ্চ পৰ্যায়ৰ দলটোৱে সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে ইতিমধ্যেই অৰুণাচলী দুবৃত্তই বিহালী অভয়াৰণ্য খনৰ বহু মুল্যবান গছ কাটি তহবিল কৰাৰ উপৰিও প্ৰায় ২৫ হে'ৰ মাটিত কচু খেতি আৰম্ভ কৰিছে।

গণপ্ৰহাৰত মৃত্যু হোৱাৰ সন্দেহ স্থানীয় লোকৰ

চামগুৰিৰ ৰঙামাটিত ৰহস্যজনক অৱস্থাত যুৱকৰ মৃতদেহ উদ্ধাৰ

অসম বাৰ্তা, পুৰণিগুদাম, ৯ জুলাই ঃ নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনৰ শালনা আৰক্ষী চকীৰ অন্তৰ্গত ৰঙামাটি অঞ্চলৰ পাহাৰৰ সমীপত আজি ৰহস্যজনক অৱস্থাত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰহস্যজনক অৱস্থাত উদ্ধাৰ হোৱা মৃতদেহটো শালনা অঞ্চলৰ বিশাল চাওঁতাল বুলি জানিব পৰা গৈছে। এটা বছৰৰ পূৰ্বে বিশাল চাওঁতাল নামৰ যুৱকজনে নিজৰ পিতৃ আৰু মাতৃক নৃশংসভৱে হত্যা কৰিছিল বুলি স্থানীয় একাংশ লোকে অভিযোগ কৰিছে। উক্ত হত্যাকাণ্ডৰ পাছতে বিশাল চাওঁতালক জে'ললৈ প্ৰেৰণ কৰিছিল বুলি স্থানীয় একাংশ লোকে জানিবলৈ দিয়ে। কেইদিনমান পূৰ্বে বিশাল চাওঁতাল নামৰ যুৱকজন জামিনত মুকলি হৈ আহিবলৈ সক্ষম হয়। মুকলি আকাশৰ তললৈ ওলাই অহাৰ পাছতে আজি ৰঙামাটি কছাৰী লাইন পাহাৰৰ সমীপত ক্ষতবিক্ষত অৱস্থাত বিশালৰ মৃতদেহ স্থানীয় একাংশ লোকে প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়। পৰৱৰ্তী সময়ত চামগুৰি আৰক্ষী থানা আৰু শালনা আৰক্ষী চকীৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ বিশাল চাওঁতালৰ মৃতদেহটো উদ্ধাৰ কৰাৰ লগতে মৃতদেহটো কাষতে পৰি থকা এ- এছ- ০২- এ-কিউ-৩০৭০ নম্বৰৰ স্কুটীখন উদ্ধাৰ কৰে। উক্ত যুৱকজন গণপ্ৰহাৰত মৃত্যু হোৱা বুলি এতিয়া সন্দেহৰ ঘণীভূত হৈছে। জানিব পৰা মতে, আজি পুৱাৰ ভাগত এখন স্কুটিৰে বিশাল চাওঁতাল নামৰ যুৱকজন শালনাৰ পৰা ৰঙামাটি অভিমুখে তথা কোনোবা এখন স্থানলৈ আহিছিল বুলি স্থানীয় একাংশ লোকে সন্দেহ প্ৰকাশ কৰিছে। ৰঙামাটি অঞ্চললৈ অহাৰ পিছত কছাৰী লাইনৰ পাহাৰৰ সমীপত ক্ষত-বিক্ষত অৱস্থাত বিশাল চাওঁতাল নামৰ যুৱকজনৰ মৃতদেহ উদ্ধাৰ হয়। ক্ষোভিত কোনো একাংশ অচিনাক্ত লোকে উপৰ্যুপৰি আক্ৰমণ কৰাৰ ফলতে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ বিশাল চাওঁতাল গণপ্ৰহাৰৰ বলি হৈ মৃত্যু হোৱা বুলি স্থানীয় একাংশ লোকে সন্দেহ প্ৰকাশ কৰিছে যদিও আৰক্ষীৰ অনুসন্ধানৰ পাছতহে হত্যাকাণ্ডৰ প্ৰকৃত ঘটনা পোহৰলৈ আহিব বুলি স্থানীয় সচেতনমহলে মতপ্ৰকাশ কৰিছে। আনহাতে, উক্ত ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰাৰ লগতে বিশাল চাওঁতালৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰিছে বুলি জানিব পৰা গৈছে।

জুবিন গাৰ্গৰ স্মৃতিত ৰাজ্যৰ প্ৰতিটো

সংগীত, নৃত্য, নাটক আৰু অন্যান্য আনুষংগিক পাঠ্যক্ৰমৰ বিনামূলীয়া শিক্ষা প্ৰদানৰ ব্যৱস্থাও পুঁজি আবণ্টন সাপেক্ষে যথাসময়ত বিবেচনা কৰা হ'ব। মন্ত্ৰী বিমল বড়াই উল্লেখ কৰে যে, যোৱা বৰ্ষৰ ১৬ নৱেম্বৰত অনুষ্ঠিত কেবিনেট বৈঠকত গৃহীত সিদ্ধান্ত অনুসৰি জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হোৱা স্থানটোৰ উন্নয়ন আৰু ৰূপান্তৰৰ বাবে এখন বিশেষ সমিতি গঠন কৰা হৈছে। সমিতিখনৰ সদস্য হিচাপে গৰিমা গাৰ্গ, পাল্মী বৰঠাকুৰ, পাৰ্থসাৰথি মহন্ত, অনুৰাধা শৰ্মা পূজাৰী, বীৰেণ সিংহ, পুলক বেনাৰ্জী, তৰালী শৰ্মা, শ্যামন্তক গৌতম, প্ৰাঞ্জল শইকীয়া, দুলাল মানকী আৰু সুদৰ্শন ঠাকুৰে কাম কৰি আছে। সমিতিখনে ইতিমধ্যে ক্ষেত্ৰ পৰ্যায়ৰ মূল্যায়ন আৰু আন্তঃগাঁথনি সংক্ৰান্ত ধাৰণা প্ৰস্তুত কৰাৰ বাবে চোৱা ছ মাৰ্চত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰিছে। লগতে, ৰাজহ আৰু দুৰ্যোগ প্ৰশমন বিভাগে সোণাপুৰৰ সমাধিস্থলীত ১০ বিঘা ভূমি জুবিনক্ষেত্ৰ নিৰ্মাণৰ বাবে সাংস্কৃতিক সঞ্চালকালয়ক হস্তান্তৰ কৰিছে। মন্ত্ৰী বড়াই লগতে জানিবলৈ দিয়ে যে জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰিবলৈ চৰকাৰে জুবিন ক্ষেত্ৰত পকী চাৰিসীমা নিৰ্মাণৰ বাবে ২০২৫-২৬ বিত্তীয় বৰ্ষত ৩১৯.৭৫ লাখ টকা অনুমোদন জনাইছে। নিৰ্মাণ কাৰ্য ইতিমধ্যে আৰম্ভ হৈছে, আৰু বৰ্তমানলৈ ৩০ শতাংশ কাম সম্পূৰ্ণ হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগে অসমৰ বিভিন্ন জনগোষ্ঠীৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ, সংবৰ্ধন আৰু সামগ্ৰিক বিকাশ নিশ্চিত কৰিবলৈ বহুতো পদক্ষেপ গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয় যে বিভাগটোৱে সফলতাৰে বিহু বিনন্দীয়া, ঝুমইৰ বিনন্দিনী আৰু বাগুৰুম্বা দহৌ আদি বৃহৎ সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰি ৰাজ্যৰ বিবিধ জনগোষ্ঠীৰ পৰম্পৰাক গৌৰৱময় ৰূপত উপস্থাপন কৰিছে। তদুপৰি, প্ৰতি বছৰে অসমৰ সাংস্কৃতিক আৰু সামাজিক দিশত অৱদান আগবঢ়োৱা মনিষীসকলৰ জন্ম বা মৃত্যু তিথি উদযাপন কৰি তেওঁলোকৰ সৃষ্টিৰাজি নতুন প্ৰজন্মলৈ লৈ যোৱাৰ প্ৰয়াস কৰা হয়। বিভিন্ন জনগোষ্ঠীৰ সামাজিক-সাংস্কৃতিক ঐতিহ্যক মঞ্চত উদযাপন কৰি এই বৈচিত্ৰময় ঐতিহ্য সংৰক্ষণ আৰু প্ৰচাৰৰ ব্যৱস্থা চলি আছে। শিল্প-সংস্কৃতিৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ বিভাগটোৱে ৰাজ্যৰ সকলো বিধানসভা সমষ্টিত গ্ৰীষ্মকালীন অৱকাশকালীন সাংস্কৃতিক কৰ্মশালা আয়োজন কৰি শিশু আৰু যুৱ প্ৰজন্মক সুসংগঠিত প্ৰশিক্ষণ আৰু থলুৱা পৰম্পৰাৰ সৈতে পৰিচিত হোৱাৰ সুযোগ প্ৰদান কৰিছে। ইয়াৰ লগতে, ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বছৰজোৱা উদযাপনৰ কাৰ্যসূচীও চৰকাৰে হাতত লৈছে। মন্ত্ৰী বড়াই কয়, "এনে ধৰণৰ আয়োজনৰ মাজেৰে আমি প্ৰাণৰ শিল্পী জুবিন গাৰ্গকো বিচাৰি পাওঁ। জুবিন গাৰ্গে অসমৰ সমাজ, প্ৰকৃতি আৰু পৰম্পৰাক লৈ শিল্পসাধনা কৰিছিল-যি সাধনাই নৱপ্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে। চৰকাৰেও অসমৰ সকলো জাতি-জনগোষ্ঠীক সামৰি লোৱা জুবিন গাৰ্গৰ সৃষ্টিৰাজিক চিৰস্মৰণীয় আৰু প্ৰবহমান ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা চলাই আছে।" জুবিন গাৰ্গৰ স্মৃতিত অসমৰ প্ৰতিটো বিধানসভা সমষ্টিতে সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ এই ঘোষণাক ৰাজ্যৰ শিল্পী-সাহিত্যিক মহল আৰু ৰাইজে উৎসাহৰ সৈতে স্বাগতম জনাইছে। আগন্তুক সময়ত এই প্ৰকল্প বাস্তৱায়িত হ'লে অসমৰ সংস্কৃতি চৰ্চা আৰু নৱপ্ৰজন্মৰ মাজত শিল্পচেতনা বিকাশত ই এক মাইলৰ খুঁটি হ'ব বুলি আশা কৰা হৈছে।

ভাৰতলৈ ইউৰেনিয়াম ৰপ্তানিত সন্মতি

ভাৰতলৈ ইউৰেনিয়াম ৰপ্তানি কৰিবলৈ চৰ্তসাপেক্ষে সন্মতি প্ৰদান কৰে। ২০১৫ চনত স্বাক্ষৰিত অষ্ট্ৰেলিয়া-ভাৰত পাৰমাণৱিক সহযোগিতা চুক্তিৰ আধাৰত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বিবৃতিত কোৱা হয় যে আন্তঃৰাষ্ট্ৰীয় পাৰমাণৱিক শক্তি সংস্থা (আইএইএ)ৰ সুৰক্ষা ব্যৱস্থাৰ অধীনত আৰু সম্পূৰ্ণ শান্তিপূৰ্ণ উদ্দেশ্যৰ বাবে অষ্ট্ৰেলিয়াৰ ইউৰেনিয়াম ভাৰতলৈ ৰপ্তানি কৰিবলৈ প্ৰয়োজনীয় প্ৰশাসনিক প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হৈছে। বৈঠকৰ পাছত আলবাণীজে সাংবাদিকসকলক কয় যে এই ব্যৱস্থাই ভাৰতলৈ অষ্ট্ৰেলিয়াৰ ইউৰেনিয়াম ৰপ্তানিৰ পথ মুকলি কৰিছে, যাৰ ফলত অজীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰি শক্তিৰ উৎসসমূহ বৈচিত্ৰ্যময় কৰাত সহায় প্ৰদান কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে নিজৰ টুইটাৰ পোষ্টত আলবাণীজৰ সৈতে যৌথ সংবাদ মাধ্যমৰ সন্মুখীন হোৱা দৃশ্য শ্বেয়াৰ কৰি এই বৈঠকক গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে। যৌথ বিবৃতিটোত দুয়ো দেশে শক্তি যোগান শৃংখলৰ স্থিতিস্থাপকতা বৃদ্ধিৰ বাবে আঞ্চলিক সহযোগিতা জোৰদাৰ কৰাৰ প্ৰতিশ্ৰুতি পুনৰব্যক্ত কৰে। শক্তিৰ পৰিবৰ্তন ত্বৰান্বিত কৰা, নবীকৰণযোগ্য শক্তি গ্ৰহণ বঢ়োৱা আৰু শক্তি উপাদানৰ বাবে মুক্ত বাণিজ্যিক ব্যৱস্থা বজাই ৰখাৰ ক্ষেত্ৰত দুয়োপক্ষই একমত প্ৰকাশ কৰে। বিবৃতিত মধ্যপ্ৰাচ্যৰ বৰ্তমান পৰিস্থিতি আৰু ইয়াৰ প্ৰভাৱৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰি দুয়ো দেশে কয় যে মুক্ত বজাৰ আৰু নিয়মভিত্তিক বাণিজ্যৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতা অটুট। এই নীতিসমূহেই সমৃদ্ধি আৰু অৰ্থনৈতিক নিৰাপত্তাৰ মূল ভিত্তি বুলিও উল্লেখ কৰা হয়। বৈদ্যুতিকৰণৰ ক্ৰমবৰ্ধমান প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি অষ্ট্ৰেলিয়া আৰু ভাৰতে কয় যে নিজৰ শক্তি ব্যৱস্থাৰ বৈদ্যুতিকৰণ বৃদ্ধি কৰাটো ভৱিষ্যতে শক্তি সুৰক্ষাৰ এক মূল্যৱান উৎস হিচাপে কাম কৰিব। প্ৰশান্ত মহাসাগৰীয় দ্বীপপুঞ্জৰ দেশসমূহে সন্মুখীন হোৱা শক্তি সুৰক্ষাৰ প্ৰত্যাহ্বানসমূহৰ প্ৰতি সচেতন হৈ দুয়ো দেশে অঞ্চলটোৰ স্থিতিস্থাপকতা আৰু অৰ্থনৈতিক সমৃদ্ধিৰ বাবে নিৰ্ভৰযোগ্য শক্তি যোগানৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই পটভূমিত ভাৰত আৰু অষ্ট্ৰেলিয়াই কয়লা, ডিজেল, অন্যান্য তৰল ইন্ধন আৰু প্ৰাকৃতিক গেছৰ দৰে শক্তি সামগ্ৰীৰ সুস্থিৰ, সুৰক্ষিত আৰু নিৰ্ভৰযোগ্য যোগান বজাই ৰখাৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰে। লগতে, কম কাৰ্বনযুক্ত ইন্ধনৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ বাবেও তেওঁলোক প্ৰতিশ্ৰুতিবদ্ধ। এই প্ৰেক্ষাপটত অষ্ট্ৰেলিয়াই ভাৰতৰ গ্ল'বেল বায়'ফিউলছ এলায়েন্সৰ পদক্ষেপক আদৰণি জনায়। প্ৰতিৰক্ষা ক্ষেত্ৰতো সহযোগিতা আগুৱাই নিয়াৰ সিদ্ধান্ত লোৱা হয়। প্ৰধানমন্ত্ৰী দুয়োজনে প্ৰতিৰক্ষা উদ্যোগ, গৱেষণা আৰু বস্তুগত সহযোগিতাৰ তাৎপৰ্য স্বীকাৰ কৰি প্ৰতিৰক্ষা প্ৰবন্ধ আৰু সেৱা প্ৰদানৰ বাবে বুজাবুজিৰ চুক্তিপত্ৰ প্ৰস্তুত কৰাৰ বাবে চলি থকা কামক আদৰণি জনায়। অষ্ট্ৰেলিয়া আৰু ভাৰতীয় প্ৰতিৰক্ষা উদ্যোগৰ মাজত সংযোগ প্ৰসাৰিত কৰাৰ প্ৰচেষ্টাকো সমৰ্থন কৰা হয়। বহল আঞ্চলিক সহযোগিতাৰ আহ্বান জনাই যৌথ বিবৃতিটোত কোৱা হয়, "অষ্ট্ৰেলিয়া আৰু ভাৰতে আঞ্চলিক অংশীদাৰসকলক আমাৰ জনসাধাৰণৰ নিৰাপত্তা আৰু সমৃদ্ধিৰ সুবিধাৰ বাবে বিশ্ব শক্তি সম্পদ যোগান শৃংখল মুকলি কৰি ৰখাটো নিশ্চিত কৰাত যোগদান কৰিবলৈ আহ্বান জনাইছে।" ব্যক্তিগত খণ্ডৰ বিশ্বাসযোগ্য অংশীদাৰিত্বৰ গুৰুত্বক স্বীকাৰি দুয়ো দেশে ভাৰত-অষ্ট্ৰেলিয়া অৰ্থনৈতিক সহযোগিতা আৰু বাণিজ্য চুক্তি শ্চইচিটিএগ্নৰ বাবে চলি থকা আলোচনা আৰু অন্যান্য দ্বিপাক্ষিক কাঠামোৰ জৰিয়তে দ্বিপাক্ষিক শক্তি বাণিজ্য আৰু বিনিয়োগ আগুৱাই নিয়াৰ প্ৰতিশ্ৰুতি পুনৰব্যক্ত কৰে। বিবৃতিত উল্লেখ কৰা মতে, "অষ্ট্ৰেলিয়া আৰু ভাৰতে বহনক্ষম আৰু নিৰ্ভৰযোগ্য শক্তি প্ৰবাহৰ বাবে বিশ্বাসযোগ্য ব্যক্তিগত খণ্ডৰ অংশীদাৰিত্ব আৰু কৌশলগত বিনিয়োগৰ কেন্দ্ৰীয় ভূমিকাক স্বীকৃতি দিছে। লগতে শক্তি খণ্ডত সামৰ্থ্য গঠন আৰু জ্ঞান বিনিময়ৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে।" শক্তি খণ্ডৰ পৰিপূৰক প্ৰকৃতিৰ ওপৰত আলোকপাত কৰি দুয়ো দেশে কয় যে অষ্ট্ৰেলিয়া ভাৰতলৈ তৰলীকৃত প্ৰাকৃতিক গেছৰ গুৰুত্বপূৰ্ণ যোগানকাৰী, আনহাতে ভাৰত অষ্ট্ৰেলিয়ালৈ তৰল ইন্ধন আৰু অন্যান্য তলৰ স্তৰৰ সামগ্ৰীৰ গুৰুত্বপূৰ্ণ যোগানকাৰী। এই সম্পৰ্কক স্বীকৃতি দি দুয়ো দেশে শক্তি সামগ্ৰীৰ অবিৰত প্ৰবাহক সমৰ্থন কৰাৰ লগতে দুয়ো দেশৰ মাজত শক্তি বাণিজ্য আৰু অধিক বৃদ্ধি কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হয়। উল্লেখ্য যে প্ৰধানমন্ত্ৰী মোদীৰ এই অষ্ট্ৰেলিয়া ভ্ৰমণৰ সময়ত বাণিজ্য, প্ৰতিৰক্ষা আৰু প্ৰযুক্তিৰ বিষয়তো গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। ইউৰেনিয়াম ৰপ্তানিৰ এই সিদ্ধান্তই ভাৰত-অষ্ট্ৰেলিয়া সম্পৰ্কত এক নতুন অধ্যায় সংযোজন কৰিছে বুলি বিশেষজ্ঞ মহলে অভিহিত কৰিছে।

উন্নয়ন-কৰ্মসংস্থাপন-কল্যাণকামী

আশা-প্ৰত্যাশা সৃষ্টি হৈছে। এই বাজেটখন মূলতঃ 'উন্নয়নমুখী, কৰ্মসংস্থাপনমুখী আৰু কল্যাণকামী'-এক সন্তুলিত বাজেট হোৱাৰ সম্ভাৱনা আছে বুলি ৰাজনৈতিক মহলে মত প্ৰকাশ কৰিছে। বিত্তমন্ত্ৰী জয়ন্তমল্ল বৰুৱাই সোণাপুৰত এখন বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ অহাৰ সময়ত সংবাদ মাধ্যমৰ সৈতে হোৱা এক বাৰ্তালাপত আগন্তুক বাজেট আৰু চৰকাৰৰ উন্নয়নমূলক কাৰ্যসূচী সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰে পূৰ্বৰ বাজেটসমূহত আবণ্টিত পুঁজিৰ প্ৰায় ৯০ শতাংশ সফলভাৱে ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছে। এইবাৰ বাজেটৰ আটাইতকৈ গুৰুত্বপূৰ্ণ লক্ষ্য হ'ব-ধাৰ্য কৰা পুঁজিৰ শতকৰা ১০০ শতাংশ সঠিক ব্যৱহাৰ নিশ্চিত কৰা, যাতে উন্নয়নমূলক কাম-কাজ আৰু কল্যাণমুখী আঁচনিসমূহে তৃণমূল পৰ্যায়ত সম্পূৰ্ণ প্ৰভাৱ পেলাব পাৰে। মন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে যে সমাজৰ বিভিন্ন খণ্ডৰ পৰা পৰামৰ্শ গ্ৰহণ কৰি এখন বাস্তৱমুখী আৰু জনমুখী বাজেট প্ৰস্তুত কৰা হৈছে। এই বাজেটৰ জৰিয়তে সৰ্বসাধাৰণ ৰাইজৰ আশা-আকাংক্ষা যথাসম্ভৱ পূৰণ কৰাৰ লক্ষ্য লোৱা হৈছে। ইফালে, ডিমৰীয়াৰ ক্ষেত্ৰী নলগেদেৰাত ৰিং ৰোড নিৰ্মাণৰ বাবে চলি থকা পাহাৰ খননৰ বিষয়টোত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে উন্নয়ন আৰু পৰিৱেশ সংৰক্ষণৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো অত্যন্ত জৰুৰী। তেওঁ স্পষ্টভাৱে কয়, "আমাক উন্নয়নো লাগিব আৰু তাৰ লগতে প্ৰকৃতি সুৰক্ষাও নিশ্চিত কৰিব লাগিব। উন্নয়নক সম্পূৰ্ণৰূপে বৰ্জন কৰিব নোৱাৰি, কিন্তু তাৰ ফলত পৰিৱেশৰ ক্ষতি হোৱা উচিত নহয়।" ২০২৬-২৭ বৰ্ষৰ পূৰ্ণাংগ বাজেটখনৰ সম্ভাব্য দিশসমূহৰ বিষয়ে চৰ্চা হৈছে। ৰাজ্য চৰকাৰৰ ফ্লেগশ্বিপ আঁচনি 'অৰুণোদয়'ৰ মাহিলী সাহায্যৰ ধন বৃদ্ধি বা নতুন হিতাধিকাৰী অন্তৰ্ভুক্ত কৰাৰ সম্ভাৱনা আছে। লগতে নিবনুৱা সমস্যা দূৰ কৰিবলৈ চৰকাৰী বিভাগসমূহৰ খালী পদ পূৰণৰ বাবে নিৰ্দিষ্ট ৰেখাংকন আৰু যুৱ প্ৰজন্মক স্বাৱলম্বী কৰিবলৈ নতুন 'ষ্টাৰ্ট-আপ' পুঁজিৰ ব্যৱস্থা থাকিব পাৰে বুলি আশা কৰা হৈছে। অসমত শেহতীয়াকৈ ঘোষিত বৃহৎ বিনিয়োগ (যেনে ছেমিকণ্ডাক্টৰ প্লাণ্ট)ৰ পৰিপ্ৰেক্ষিতত উদ্যোগ খণ্ডৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ডাঙৰ মূলধনী পুঁজি ধাৰ্য কৰা হ'ব পাৰে। লগতে, চলিত বৰ্ষৰ বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জলসম্পদ বিভাগ আৰু মথাউৰি নিৰ্মাণৰ বাবে বাজেটত বিশেষ আবণ্টন ৰখাৰ সম্ভাৱনা আছে। ক্ষতিগ্ৰস্ত কৃষকসকলৰ বাবে পৃথক সাহায্য পেকেজো এই বাজেটত স্থান পাব পাৰে। বিত্তমন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ এই প্ৰথম বাজেটখনক লৈ ৰাজ্যৰ ব্যৱসায়ী মহল, কৃষক, শিক্ষানুৰাগী আৰু যুৱ সমাজৰ দৃষ্টি নিবদ্ধ হৈ আছে। আগন্তুকÁ৩১ জুলাইলৈ এই অধিৱেশন চলি থাকিব আৰু বাজেট দাখিলৰ পাছত ইয়াৰ বিস্তাৰিত বিশ্লেষণ আৰু আলোচনা অনুষ্ঠিত হ'ব।

এক্ট ইষ্ট পলিচি এফেয়াৰ্ছ বিভাগে

পলিচি এফেয়াৰ্ছ মন্ত্ৰী বিমল বড়াই কয় যে বিভাগটোৱে ভাৰতৰ এক্ট ইষ্ট নীতিৰ অধীনত প্ৰধানকৈ কূটনৈতিক যোগাযোগ, শৈক্ষিক সম্প্ৰসাৰণ আৰু আঞ্চলিক সহযোগিতাৰ বাবে এখন সমন্বয়কাৰী মঞ্চ হিচাপে কাৰ্যনিৰ্বাহ কৰে। ই আন্তঃৰাষ্ট্ৰীয় সংযোগ, নীতি আলোচনা আৰু আঞ্চলিক সহযোগিতাৰ সুবিধা প্ৰদানকাৰী হিচাপে কাম কৰে যদিও প্ৰত্যক্ষভাৱে কোনো উন্নয়নমূলক প্ৰকল্প ৰূপায়ণ নকৰে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে বিভাগটোৱে চুবুৰীয়া ৰাষ্ট্ৰ আৰু দক্ষিণ-পূব এছিয়াৰ সৈতে অসমৰ সংযোগ আৰু সহযোগিতা শক্তিশালী কৰাৰ লক্ষ্যৰে আন্তঃৰাষ্ট্ৰীয় সন্মিলন, কূটনৈতিক আদান-প্ৰদান, শৈক্ষিক সংযোগ আৰু নীতি-আলোচনাৰ আয়োজন কৰি আহিছে। ২০২২ চনৰ পৰা এনে পদক্ষেপসমূহত মুঠ ১.৭০ কোটি টকাতকৈ অধিক ব্যয় কৰা হৈছে বুলিও সদনত তথ্য দাখিল কৰা হয়। বিভাগটোৱে গ্ৰহণ কৰা অন্যতম প্ৰধান উদ্যোগ আছিল ভাৰত-আছিয়ান সম্পৰ্কৰ ৩০ বছৰ পূৰ্তি উপলক্ষে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত ২০২২ চনৰ ২৭ মে'ত গুৱাহাটীত আয়োজিত "এক্ট ইষ্ট থ্ৰু নৰ্থ ইষ্ট" কনক্লেভ। এই সন্মিলনত অসমৰ মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰী, ৰাজ্যৰ উচ্চপদস্থ বিষয়া, আছিয়ান দেশসমূহৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তসহ নীতি নিৰ্ধাৰকসকল একত্ৰিত হৈছিল। উত্তৰ-পূব ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰসমূহৰ মাজত পথ, ৰেল, জলপথ, বায়ু আৰু ডিজিটেল সংযোগ বৃদ্ধিৰ লগতে পৰ্যটন, চাহ, বস্ত্ৰশিল্প, বাঁহ আৰু নহৰুৰ দৰে সামগ্ৰীৰ ৰপ্তানি সম্প্ৰসাৰণৰ ক্ষেত্ৰত সহযোগিতা অন্বেষণ কৰা হয়। ইয়াৰ লগতে, ২০২২ চনৰ ২৮ আৰু ২৯ মে'ত বিভাগটোৱে এম ই এ আৰু এছিয়ান কনফ্লুয়েন্সৰ সৈতে যৌথভাৱে 'নাডি ৩.০' সন্মিলনৰ আয়োজন কৰে। এই আন্তঃৰাষ্ট্ৰীয় সন্মিলনখনত বংগ উপসাগৰ আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ মাজত জল ব্যৱস্থাপনা, নদী সংৰক্ষণ আৰু আঞ্চলিক সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। উদ্বোধনী অধিৱেশনত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰ, তেতিয়াৰ বাংলাদেশৰ বৈদেশিক মন্ত্ৰী ডঃ এ. আব্দুল মমেন, থাইলেণ্ডৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক মন্ত্ৰী ডন প্ৰমুদ্বিনাই, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু তেতিয়াৰ বিভাগীয় মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী উপস্থিত থাকে। বিধানসভাত দাখিল কৰা উত্তৰ অনুসৰি, এই দুয়োটা আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ বাবে মুঠ ব্যয় হৈছে ৰ, ২৩, ৫০, ৫৪৮ টকা। ইফালে, বাংলাদেশৰ স্বাধীনতাৰ ৫০ বছৰীয়া জয়ন্তী আৰু ভাৰতৰ 'আজাদী কা অমৃত মহোৎসৱ'ৰ উদযাপনৰ অংশ হিচাপে ২০২২ চনৰ ১৬ জুনৰ পৰা ২০ জুনলৈ বাংলাদেশৰ পৰা চপ্ত জনীয়া এখন প্ৰতিনিধি দলে অসম ভ্ৰমণ কৰে বুলিও সদনত অৱগত কৰা হয়। ৰপ্ত গৰাকী স্বাধীনতা সংগ্ৰামী, ছয়গৰাকী সাংবাদিক আৰু চাৰিগৰাকী যুৱ প্ৰতিনিধিৰে গঠিত এই দলটোৱে মুখ্যমন্ত্ৰী, বিভাগীয় মন্ত্ৰী, মুখ্য সচিব আৰু জ্যেষ্ঠ বিষয়াৰ সৈতে মত বিনিময় কৰাৰ লগতে ৰাজ্যৰ কেইবাটাও ধৰ্মীয়, সাংস্কৃতিক আৰু ঐতিহাসিক স্থান পৰিদৰ্শন কৰে। ভাৰত আৰু বাংলাদেশৰ মাজত সাংস্কৃতিক সম্পৰ্ক সুদৃঢ় কৰাৰ লক্ষ্যৰে আয়োজিত এই কাৰ্যসূচীত মুঠ ১০, ৯৯, ৭১০ টকা ব্যয় কৰা হৈছিল। এক্ট ইষ্ট পলিচি এফেয়াৰ্ছ বিভাগৰ এই কাৰ্যনিৰ্বাহী শৈলী আৰু ব্যয়ৰ তথ্যই বিধানসভাত বহুক্ষণ আলোচনাৰ সূত্ৰপাত কৰে, যদিও বিভাগটোৱে নিজা কোনো উন্নয়নমূলক প্ৰকল্প নধৰাৰ বাবে তাৰ কাৰ্যক্ষমতা সম্পৰ্কে সদনত স্পষ্ট ধাৰণা প্ৰদান কৰা হয়।

গুৱাহাটী পানী যোগান প্ৰকল্পৰ

ৰায়ে গুৱাহাটীৰ বিভিন্ন পানী যোগান আঁচনিৰ শেহতীয়া স্থিতি আৰু ব্যয়ৰ বিশদ খতিয়ান দাঙি ধৰে। মন্ত্ৰী কৌশিক ৰায়ে জনোৱা অনুসৰি, ২০১২ চনৰ মাৰ্চ মাহতে কাম আৰম্ভ হোৱা দুয়োটা জাইকা পুঁজিৰ প্ৰকল্পই ইতিমধ্যে নিজৰ প্ৰাৰম্ভিক সময়সীমা (ক্ৰমে ৩৬ মাহ আৰু ২৮ মাহ) বহু বছৰ পূৰ্বেই অতিক্ৰম কৰিছে। শেহতীয়া তথ্য অনুসৰি, দক্ষিণ-মধ্য গুৱাহাটী পানী যোগান প্ৰকল্পৰ ৯৬.৭৫ শতাংশ ভৌতিক কাম সম্পূৰ্ণ হৈছে। আনহাতে, উত্তৰ গুৱাহাটী পানী যোগান প্ৰকল্পৰ কাম বৰ্তমান ৯৫.৭৫ শতাংশ সম্পূৰ্ণ হৈ উঠিছে। চৰকাৰী তথ্য অনুসৰি, এই দুয়োটা জাইকা আঁচনিত বৰ্তমানলৈকে মুঠ ৰ, ৪৫০.৮৭ কোটি টকা ব্যয় কৰা হৈছে। ইয়াৰে ১, ৪২৫.৯৩ কোটি টকা জাইকাৰ ঋণ হিচাপে আৰু ২৪.৯৫ কোটি টকা ৰাজ্য চৰকাৰৰ নিজা SOPD পুঁজিৰ পৰা খৰচ কৰা হৈছে। জাইকাৰ ঋণৰ এই বৃহৎ অংশটো ২০২৪ চনৰ ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰা হৈছে আৰু বাকী থকা কামখিনি ২০২৬ চনৰ ডিচেম্বৰৰ ভিতৰত শেষ কৰাৰ আশা কৰা হৈছে। বৰ্তমান দক্ষিণ-মধ্য প্ৰকল্পটোৰ জৰিয়তে ৮৩, ৫৬৯টা পৰিয়ালে পানী লাভ কৰিছে আৰু উত্তৰ গুৱাহাটীৰ প্ৰকল্পটো সম্পূৰ্ণ হ'লে প্ৰায় ৰপ্ত, ০০০ পৰিয়াল উপকৃত হ'ব। জাইকাৰ উপৰিও গুৱাহাটী জল ব'ৰ্ডৰ অধীনত আন কেইবাটাও পানী যোগান প্ৰকল্পৰ কাম চলি আছে। ২০২৩ চনৰ অক্টোবৰ মাহত আৰম্ভ হোৱা ৩২৪.৩৫ কোটি টকা ব্যয়সাপেক্ষ দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্পই বৰ্তমানলৈ ৭২ শতাংশ কাম সম্পূৰ্ণ কৰিছে আৰু ই ২০২৭ চনৰ মাজভাগৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ কথা। আনহাতে, দক্ষিণ-পূব গুৱাহাটী পানী যোগান প্ৰকল্পৰ প্ৰথম পৰ্যায়ত বৰ্তমানলৈ মাত্ৰ ১৭ শতাংশ কামহে হৈছে। এই প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ কাম এডিবিৰ অধীনত ২০২১ চনৰ ছেপ্টেম্বৰত শেষ হৈছিল। তাৰ পিছত ১৯২.৪৬ কোটি টকাৰ আনুমাণিক ব্যয়ৰে নিউ ডেভেলপমেণ্ট বেংকৰ বিত্তীয় সাহায্যত ২০২৪ চনৰ মাৰ্চ মাহৰ পৰা কাম পুনৰ আৰম্ভ কৰা হৈছে, যাৰ লক্ষ্য ২০২৯ চনৰ মে' মাহ। ইয়াৰ উপৰিও, ১৯৯৬ চনতে আৰম্ভ হোৱা জু ৰোড পানী যোগান আঁচনিখন ২০১৫ চনত জল ব'ৰ্ডলৈ হস্তান্তৰ কৰাৰ পিছৰে পৰা ৭৫.৩৯ কোটি টকা ব্যয় কৰা হৈছে আৰু বৰ্তমান ইয়াৰ দ্বাৰা প্ৰায় ৯০০ পৰিয়াল উপকৃত হৈছে। জল ব'ৰ্ড প্ৰকল্পসমূহৰ বাহিৰেও গুৱাহাটী পৌৰ নিগমে পানবজাৰ, সাতপুখুৰী আৰু কামাখ্যাত নিজাকৈ পানী যোগান আঁচনি চলাই আছে। বিগত বিত্তীয় বৰ্ষত পৌৰ নিগমে এই আঁচনিসমূহত ৃপ্চ কোটি টকা খৰচ কৰিছে, যাৰ দ্বাৰা প্ৰায় চৰ, ০০০ গ্ৰাহক উপকৃত হৈছে। চৰকাৰী সমীক্ষাৰ এক গুৰুত্বপূৰ্ণ তথ্য অনুসৰি, গুৱাহাটী মহানগৰীত এতিয়াও প্ৰায় ২.২১ লাখ পৰিয়ালক নতুন পানীৰ সংযোগৰ প্ৰয়োজন আছে। ইয়াৰ ভিতৰত দক্ষিণ-মধ্য গুৱাহাটীত ১.১০ লাখ, উত্তৰ গুৱাহাটীত ১৫, ০০০, দক্ষিণ-পশ্চিম গুৱাহাটীত ৩০, ০০০ আৰু দক্ষিণ-পূব গুৱাহাটী অঞ্চলত ৬৬, ০০০ পৰিয়াল অন্তৰ্ভুক্ত হৈ আছে। পানী যোগানৰ উপৰিও মহানগৰীখনত জাইকা সমৰ্থিত গুৱাহাটী নলা-নৰ্দমা প্ৰকল্পৰ কামো চলি আছে। লগতে ২০১৬ চনৰ পৰা ৰূপায়ণ কৰা স্মাৰ্ট চিটি মিছন প্ৰকল্পৰ সবিশেষ তথ্যও সুকীয়া সংলগ্নীৰ জৰিয়তে সদনৰ মজিয়াত দাঙি ধৰা হৈছে বুলি মন্ত্ৰী কৌশিক ৰায়ে সদনক অৱগত কৰে।

"মই ৰাইজৰ বাবে উৎসৰ্গিত

লোকসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ দুখ-দুৰ্দশাৰ বুজ লয়। খহনীয়া পৰিদৰ্শনৰ সময়ত সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱ গোস্বামীয়ে কয়-"মই ৰাইজৰ বাবে উৎসৰ্গিত। গতিকে ৰাইজৰ জীৱনতকৈ মোৰ জীৱন ডাঙৰ নহয়। লণ্ডনলৈ উৰাজাহাজেৰে গৈছিলোঁ, কিন্তু আজি এই ট্ৰেক্টৰত উঠি খহনীয়াৰ কাষলৈ আহিছোঁ। ইয়াত আহি মই কোনো ভয় অনুভৱ কৰা নাই, বৰঞ্চ ৰাইজৰ কাষত থিয় দিব পাৰি মানসিক সন্তুষ্টি লাভ কৰিছোঁ। যেতিয়া দেখিছোঁ মানুহে নিজৰ ঘৰ, মাটি, খেতিপথাৰ, জীৱিকাৰ উৎস ব্ৰহ্মপুত্ৰৰ বুকুত হেৰুৱাইছে, তেতিয়া নীৰৱে বহি থকাটো মোৰ পক্ষে সম্ভৱ নহয় বুলি উল্লেখ কৰে। তেওঁ আৰু কয় এই মাটি কেৱল মানুহৰ সম্পত্তি নহয়, এয়া মাজুলীৰ অস্তিত্ব, অসমৰ ঐতিহ্য আৰু ভৱিষ্যৎ। চৰকাৰে এই সমস্যাক সাধাৰণ সমস্যা বুলি নাচাব লাগে। যুদ্ধকালীন তৎপৰতাৰে স্থায়ী বিজ্ঞানসন্মত ব্যৱস্থা গ্ৰহণ কৰি নামনি মাজুলীক ৰক্ষা কৰিব লাগিব। প্ৰয়োজন হ'লে শৈলস্পাৰ, মেগা জিঅ' টিউব বা যি ব্যৱস্থা ফলপ্ৰসূ হয়, সেয়া অবিলম্বে ৰূপায়ণ কৰিব লাগে। মাজুলী ৰক্ষা কৰাটো কেৱল চৰকাৰৰ দায়িত্ব নহয়, আমাৰ সকলোৰে নৈতিক দায়িত্ব বুলি তেওঁ উল্লেখ কৰে। তেওঁ আৰু কয় যে, বছৰৰ পিছত বছৰ ধৰি হাজাৰ কোটি টকাৰ আঁচনি ৰূপায়ণ হোৱাৰ পিছতো যদি খহনীয়া একেই গতিত চলি থাকে, তেন্তে সেই আঁচনিসমূহৰ ফলপ্ৰসূতা পুনৰ মূল্যায়ন কৰাৰ সময় আহি পৰিছে। স্থানীয় ৰাইজৰ জীৱন-সম্পত্তি সুৰক্ষিত কৰাটো এতিয়া আটাইতকৈ জৰুৰী বুলি তেওঁ মন্তব্য কৰে। ইফালে, খহনীয়াৰ ভয়াবহতা প্ৰত্যক্ষ কৰাৰ পিছতে খহনীয়া স্থানৰ পৰাই মাজুলী সমষ্টিৰ বিধায়ক ভুৱন গামলৈ ফোন কৰে সত্ৰাধিকাৰগৰাকীয়ে। তেওঁ বিধায়কক পৰিস্থিতিৰ ভয়াবহতাৰ বিষয়ে অৱগত কৰাৰ লগতে জৰুৰীভাৱে চৰকাৰ আৰু সংশ্লিষ্ট বিভাগৰ জৰিয়তে খহনীয়া প্ৰতিৰোধৰ স্থায়ী ব্যৱস্থা গ্ৰহণৰ বাবে পদক্ষেপ ল'বলৈ আহ্বান জনায়। বিশেষকৈ কৰ্দৈগুৰি, মহৰিচুক, চাৰিঘৰীয়া আৰু পদুমনি অঞ্চলত অতি শীঘ্ৰে শক্তিশালী শৈলস্পাৰ আৰু মেগা জিঅ' টিউৱ স্থাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে, বিগত দুমাহ ধৰি নামনি মাজুলীৰ মহৰিচুক-চাৰিঘৰীয়া, কৰ্দৈগুৰি, ভকতচাপৰিৰ পদুমনি আদি অঞ্চলত ব্ৰহ্মপুত্ৰৰ তীব্ৰ খহনীয়া অব্যাহত আছে। প্ৰতিদিনে কৃষিভূমি নদীগৰ্ভত বিলীন হোৱাৰ লগতে বহু গাঁৱলৈ ভয়ংকৰ ভাবুকি সৃষ্টি হৈছে। স্থানীয় ৰাইজে ইতিমধ্যে ব্ৰহ্মপুত্ৰ বৰ্ড আৰু জল সম্পদ বিভাগৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰাৰ লগতে বিজ্ঞানসন্মত স্থায়ী খহনীয়া প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণৰ দাবী জনাই আহিছে। দিনজোৱা পৰিদৰ্শনৰ অন্তত সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে পদুমনি অঞ্চলত উপস্থিত হৈ খহনীয়াৰ শেহতীয়া পৰিস্থিতিৰ বুজ লয় আৰু স্থানীয় লোকসকলক সাহস যোগোৱাৰ লগতে মাজুলীৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত সকলো পক্ষই একেলগে আগবাঢ়ি অহাৰ আহ্বান জনায়। তেওঁৰ এই ব্যতিক্ৰমী ট্ৰেক্টৰ যাত্ৰাৰে খহনীয়াগ্ৰস্ত ৰাইজৰ কাষত উপস্থিত হৈ দিয়া দৃঢ় বাৰ্তাই নামনি মাজুলীৰ দুৰ্যোগপীড়িত ৰাইজৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিছে।

অখিল গগৈৰ বিৰুদ্ধে গোচৰৰ সংখ্যা

যে, বিধায়ক অখিল গগৈয়ে নিৰ্বাচন আয়োগৰ ওচৰত দাখিল কৰা শপতনামাত গোচৰ সম্পৰ্কীয় ভুল তথ্য প্ৰদান কৰিছে। মন্ত্ৰীগৰাকীৰ দাবী অনুসৰি, চৰকাৰী তথ্য অনুযায়ী অখিল গগৈৰ বিৰুদ্ধে মুঠ ৩২টা গোচৰ থকাৰ বিপৰীতে তেওঁ নিৰ্বাচনী শপতনামাত মাত্ৰ চৰটা গোচৰৰ কথাহে উল্লেখ কৰিছে। অৰ্থাৎ ৰৰটা গোচৰৰ তথ্য শপতনামাত গোপন কৰা বুলি মন্ত্ৰী হাজৰিকাই অভিযোগ কৰে। ইয়াৰ উত্তৰত বিধায়ক অখিল গগৈয়ে সদনত এক বিস্ফোৰক দাবী আগবঢ়ায়-তেওঁ কয় যে ৰাজ্যত তেওঁৰ বিৰুদ্ধে ৩২টা গোচৰ নহয়, বৰঞ্চ ১৬৫টা গোচৰ ৰুজু হৈ আছে। বিধায়কগৰাকীৰ এই দাবীয়ে সদনত চাঞ্চল্যৰ সৃষ্টি কৰে। এতিয়া বিধায়কগৰাকীৰ শপতনামাত উল্লিখিত চৰ, চৰকাৰী তথ্যৰ ্চ আৰু অখিল গগৈৰ নিজা দাবী ৰছপ্ত-এই তিনিটি সংখ্যাৰ মাজত থকা আকাশ-পাতাল প্ৰভেদে আইনী আৰু সাংবিধানিক স্তৰত গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সৃষ্টি কৰিছে। নিৰ্বাচন আয়োগক ভুল বা অসত্য তথ্য দিয়া অপৰাধ আইনী চৌহদত অতি গুৰুতৰ বুলি গণ্য কৰা হয়। এই সমগ্ৰ খেলিমেলি আৰু বৈপৰীত্যৰ অন্ত পেলাবলৈ বিধানসভা সচিবালয়ে বিষয়টো অতি গুৰুত্বসহকাৰে গ্ৰহণ কৰিছে। অতিৰিক্ত মুখ্য সচিবক প্ৰেৰণ কৰা পত্ৰত সকলো থানাৰ পৰা বিধায়ক গগৈৰ বিৰুদ্ধে ৰুজু গোচৰৰ খতিয়ান বিচাৰি ১৩ জুলাইৰ ভিতৰত বিধানসভাত দাখিল কৰিবলৈ অনুৰোধ জনোৱা হৈছে। আগন্তুক ১৩ জুলাইত এই প্ৰতিবেদন দাখিল হোৱাৰ পাছতহে স্পষ্ট হ'ব যে বিধায়ক অখিল গগৈৰ বিৰুদ্ধে প্ৰকৃততে কিমান গোচৰ আছে, আৰু তেওঁ নিৰ্বাচনী শপতনামাত ইচ্ছাকৃতভাৱে তথ্য গোপন কৰিছিল নে নাই-সেয়া আইনৰ চকুত উত্তৰ দিবলগীয়া বিষয় হৈ পৰিব। এনেতে, অখিল গগৈয়ে মন্ত্ৰী হাজৰিকাৰ অভিযোগক অস্বীকাৰ কৰি নিজৰ দাবীৰ সপক্ষে প্ৰমাণ দিবলৈ সাজু থকা বুলিও সদনত জানিবলৈ দিয়ে। সমগ্ৰ ঘটনাই এতিয়া ৰাজ্যৰ ৰাজনৈতিক মহলত তীব্ৰ চৰ্চাৰ বিষয় হৈ পৰিছে, আৰু অহা কেইদিনমানৰ ভিতৰতে এই গোচৰ—সংখ্যাৰ ৰহস্য উদ্‌ঘাটন হ'ব বুলি ৰাইজেও আশা কৰিছে।

ছিণ্ডিকেটৰ বিৰুদ্ধে ঠেলা-প্লেকাৰ্ড

৩২ টকা টেক্স লয় হৰেন মহন্তই। কয়লা, গৰু, কাঠ-সোঁতৰ পৰা আহিবলৈ দিয়া আৰু ৰাজ্যৰ পৰা বাহিৰলৈ যাবলৈ দিয়া প্ৰতিটো সামগ্ৰীতে এই অপসংস্কৃতি চলি আছে। কাঠৰ ছিণ্ডিকেটৰ ধন উঠাই নিব গোবিন্দ সৰকাৰে।" বিধায়ক গগৈয়ে বিশেষভাৱে কণীৰ মূল্যৰ ওপৰত চকু ৰাখি কয়, "অসমত এটা কণীৰ উচিত দাম ৫.৭৫ টকা, কিন্তু আমি ৮.৫০ৰ পৰা ১০ টকালৈ কিনিব লগা হৈছে। কাৰণ শ্ৰীৰামপুৰ আৰু বক্সিৰহাট গেটত প্ৰতিটো কণীত, টকাকৈ টেক্স লৈছে মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে। আগতে এই দায়িত্বত আছিল পীযুষ হাজৰিকা, এতিয়া এই দুজন ইয়াৰ 'মালিক'।" তেওঁ লগতে গুৰুত্ব আৰোপ কৰি কয়, "এই ছিণ্ডিকেটৰ আচল মালিকজন বহি আছে দিছপুৰত। হাগ্ৰামা মহিলাৰী আৰু জয়ন্ত মল্লবৰুৱাই সংগ্ৰহ কৰা ধন নিৰ্দিষ্ট ঠিকনাত প্ৰেৰণ কৰা হয়। গাহৰি, কয়লা, কাঠ, গৰু, কণী, মাছ, চুপাৰী, চাউল-প্ৰতিটো সামগ্ৰীৰ পৰা সংগৃহীত ছিণ্ডিকেটৰ ধনেৰেই এই অস্বাভাৱিক মূল্যবৃদ্ধিৰ বীজ ৰোপণ কৰা হৈছে।" বিধায়ক অখিল গগৈ আৰু তেওঁৰ সতীৰ্থ বিধায়ক মেহবুব মুক্তাৰে হাতে হাতে প্লেকাৰ্ড ধাৰণ কৰি ছিণ্ডিকেটৰাজৰ অৱসান আৰু মূল্যবৃদ্ধি ৰোধৰ দাবী জানায়। তেওঁলোকৰ মতে, ৰাজ্য চৰকাৰে যদি তৎক্ষণাত এই অপচৰ্চা বন্ধ নকৰে, তেন্তে অহা দিনত সাধাৰণ মানুহৰ ক্ৰয় ক্ষমতা সম্পূৰ্ণৰূপে নষ্ট হৈ যাব। ছিণ্ডিকেট বিৰোধী এই প্ৰতিবাদক লৈ অসমৰ বিভিন্ন অনলাইন মাধ্যমত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। চৰকাৰী স্তৰৰ পৰা কোনো আনুষ্ঠানিক উত্তৰ আহি পোৱা নাই, যদিও বিধায়ক গগৈয়ে দিছপুৰলৈ যোৱা ছিণ্ডিকেটৰ ধনৰ কথা স্পষ্টভাৱে উল্লেখ কৰি জনসাধাৰণৰ মাজত প্ৰশ্ন তুলিছে। শেষত অখিল গগৈয়ে কয়, "এই মূল্যবৃদ্ধি নোহোৱা কৰিবলৈ হ'লে প্ৰথমে ছিণ্ডিকেটৰ বেৰ শেষ কৰিব লাগিব।"

গৌৰৱ গগৈৰ অধ্যক্ষতাত

বিধানসভা সমষ্টিসমূহৰ ফলাফল সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। জিলা পৰ্যবেক্ষকসকলে পৰ্যবেক্ষণ সম্পূৰ্ণ কৰি দাখিল কৰা প্ৰতিবেদনৰ ভিত্তিত এই বৈঠকত সমষ্টি প্ৰতি বিশ্লেষণ চলোৱা হয়। আলোচনাত অন্তৰ্ভুক্ত লোকসভা সমষ্টিকেইটা হৈছে-তেজপুৰ, গুৱাহাটী, ধুবুৰী, কোকৰাঝাৰ, বৰপেটা, নগাঁও আৰু দৰং-ওদালগুৰি। বৈঠকত কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচনী পৰ্যবেক্ষক বন্ধু তিৰ্কী, অসমৰ দায়িত্বত থকা এআইচিচি সম্পাদক মনোজ চৌহান, সাংসদ ৰকিবুল হুছেইন আৰু প্ৰাক্তন বিৰোধী দলপতি দেৱব্ৰত শইকীয়াকে ধৰি দলৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰি নিজৰ মতামত দাঙি ধৰে। বৈঠক শেষ হোৱাৰ লগে লগে ৰাজীৱ ভৱনত এক সংবাদমেল সম্বোধন কৰি প্ৰদেশ কংগ্ৰেছ সভাপতি গৌৰৱ গগৈয়ে ঢেকীয়াজুলি অঞ্চলৰ এটা বিতৰ্কিত ঘটনাৰ প্ৰসংগ উত্থাপন কৰি তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। তেওঁ কয়, "ভাৰত ত্যাগ আন্দোলনত অংশগ্ৰহণকাৰী মহান স্বাধীনতা সংগ্ৰামী শ্বহীদ ৰতন কছাৰীৰ নামত থকা পথটোৰ নাম সলনি কৰি বিজেপি চৰকাৰে 'শ্যামা প্ৰসাদ মুখাৰ্জী পথ' নামকৰণ কৰিছে। চৰকাৰে যদি তেওঁলোকৰ আদৰ্শগত নেতৃত্বক সন্মান জনাব বিচাৰে, তেন্তে নতুন পথ বা অনুষ্ঠান নিৰ্মাণ কৰি নাম দিব পাৰে, কিন্তু এজন অসম সন্তান স্বাধীনতা সংগ্ৰামীৰ নামত থকা পুৰণি পথৰ নাম কিয় সলনি কৰিব?" গগৈয়ে লগতে সকিয়াই দিয়ে যে স্বাধীনতা সংগ্ৰামীৰ নাম সলনি কৰাৰ এই প্ৰৱণতাই অসমৰ ভৱিষ্যতৰ বাবে একো শুভ লক্ষণ কঞ্জয়িাই নিয়া নাই। তেওঁ চৰকাৰক এই সিদ্ধান্ত পুনৰ্বিবেচনা কৰাৰ আহ্বান জনায়। নিৰ্বাচনী পৰাজয়ৰ প্ৰসংগত গৌৰৱ গগৈয়ে কয় যে বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দল পৰাজিত হ'লেও দলৰ নেতা-কৰ্মীসকলৰ কোনেও মানসিকভাৱে হাৰ মনা নাই। বিৰোধী দল হিচাপে কংগ্ৰেছৰ যি দায়িত্ব আৰু কৰ্তব্য, সেয়া সদায় সুচাৰুৰূপে পালন কৰি যোৱাৰ প্ৰতিশ্ৰুতি দলটোৰ আছে বুলি তেওঁ স্পষ্ট কৰি দিয়ে। বিজেপি চৰকাৰক উদ্দেশ্যি গগৈয়ে সমালোচনা কৰি কয়, "নিৰ্বাচনত জয়লাভ কৰাৰ পাছত বিজেপি চৰকাৰ অধিক অহংকাৰী হৈ পৰিছে। ইয়াৰ প্ৰতিফলন ইতিমধ্যেই এইবাৰৰ বিধানসভাৰ বাজেট অধিৱেশনত স্পষ্টকৈ দেখা গৈছে। চৰকাৰৰ এনে আচৰণে অসম আৰু অসমীয়া জাতিৰ ভৱিষ্যত সম্পৰ্কে ৰাইজৰ মাজত শংকা সৃষ্টি কৰিছে-অসমীয়াই মূৰ তুলি জীয়াই থাকিব পাৰিব নে নাই, সেই প্ৰশ্নই আজি সকলোকে উদ্বিগ্ন কৰি তুলিছে।" উল্লেখযোগ্য যে এই বৈঠকত যি সাতটা লোকসভা সমষ্টিৰ ফলাফল পৰ্যালোচনা কৰা হৈছিল, তাৰে বাকী থকা সমষ্টিকেইটাৰ অধীনৰ বিধানসভা সমষ্টিসমূহৰ ওপৰত আলোচনা কৰিবলৈ কাইলৈ একাংশ বৈঠক অনুষ্ঠিত হ'ব বুলি গগৈয়ে অৱগত কৰে। অসম কংগ্ৰেছে নিৰ্বাচনী পৰাজয়ৰ পৰা শিক্ষা গ্ৰহণ কৰি ভৱিষ্যতে দলটোক অধিক শক্তিশালী কৰাৰ লক্ষ্য আগুৱাই নিয়া বুলি তেওঁ স্পষ্টভাৱে জানিবলৈ দিয়ে।

শিক্ষক সংকটত ৰাজ্যৰ বিদ্যালয়

১, ৫৪, ০৭৮, যাৰ প্ৰায় ২০ শতাংশই খালী। ছাত্ৰ-শিক্ষক অনুপাতৰ প্ৰশ্নটোও সদনত উঠে। মন্ত্ৰী পেগুৱে কয় যে অসমত্ৰ ৩৯, ৫৩১খন প্ৰাথমিক বিদ্যালয়কে ধৰি মুঠ ৪৪, ১০৩খন চৰকাৰী বিদ্যালয় আছে, কিন্তু ইয়াৰে ৭, ৯৪৮খন বিদ্যালয়ত বাধ্যতামূলক ৩০Ê ১ অনুপাত (পিটিআৰ) পালন কৰা সম্ভৱ নহৈছে। উল্লেখযোগ্য যে, জাতীয় শিক্ষা নীতি অনুসাৰে প্ৰতি ৩০জন ছাত্ৰৰ বাবে এগৰাকী শিক্ষক থকাটো বাধ্যতামূলক। সদনত এআইইউডিএফৰ বিধায়ক বদৰুদ্দিন আজমলে এজনীয়া শিক্ষকৰ দ্বাৰা বিদ্যালয় পৰিচালনাৰ বিষয়টো উত্থাপন কৰি সকিয়াই দিয়ে যে এই অৱস্থাই বিগত বছৰকেইটাত চৰকাৰী বিদ্যালয়সমূহত নামভৰ্তিৰ সংখ্যা হ্ৰাস কৰাত প্ৰভাৱ পেলাইছে। ইয়াৰ উত্তৰত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে স্বীকাৰ কৰে যে "এজনীয়া শিক্ষকৰ বিদ্যালয় আমাৰ বাবে এক ডাঙৰ সমস্যা। আমি চেষ্টা কৰিছোঁ যাতে কোনো বিদ্যালয় এজন শিক্ষকৰ দ্বাৰা পৰিচালিত নহয়। সমগ্ৰ ভাৰতৰ পৰিস্থিতিত অসমৰ ছাত্ৰ-শিক্ষক অনুপাত সন্তোষজনক হ'লেও, আমি এই সমস্যাৰ সমাধান কৰিবলৈ তিনিটা কৌশল গ্ৰহণ কৰিছোঁ-নিয়মীয়া নিযুক্তি, জিলাৰ ভিতৰত শিক্ষকৰ পৰ্যাপ্ততা নিশ্চিত কৰা আৰু বিদ্যালয়সমূহৰ একত্ৰীকৰণ।" মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে ৰাজ্য চৰকাৰে চ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰি দিয়াৰ ঘোষণা অনুসৰি বিদ্যালয়সমূহৰ খালী পদৰ তালিকা প্ৰস্তুত কৰা হৈছে আৰু আগন্তুক সময়ছোৱাত এই খালী পদসমূহ পূৰণৰ কাৰ্য আৰম্ভ কৰা হ'ব। উল্লেখ্য যে, বিগত নবছৰত অসমৰ কৃষি ভূমিও ৪২, ৭১৫ হেক্টৰ হ্ৰাস পাইছে, লগতে চুবুৰীয়া ৰাজ্যসমূহৰ দখলত থকা অসমৰ ভূমিৰ পৰিমাণ ৮২, ৭৫২ হেক্টৰ বুলি অন্য এটা সদনত তথ্য দাখিল কৰা হৈছে। শিক্ষাক্ষেত্ৰৰ এই সংকটে অৱশ্যে ৰাজ্যৰ ভৱিষ্যত প্ৰজন্মৰ বাবে এক গুৰুতৰ আশংকা কঢ়িয়াই আনিছে, আৰু প্ৰশাসনৰ পদক্ষেপ কিমান দ্ৰুত আৰু ফলপ্ৰসূ হয়, তাৰ ওপৰতে নিৰ্ভৰ কৰিব উন্নতিৰ গতি। শিক্ষা বিশেষজ্ঞসকলেও চৰকাৰক পূৰ্ণকালীন শিক্ষক নিয়োগৰ লগতে শিক্ষক প্ৰশিক্ষণ আৰু বিদ্যালয়ৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ পৰামৰ্শ দিছে। অহা দিনবোৰত চৰকাৰে এই খালী পদসমূহ পূৰণ কৰিবলৈ সময়সীমা নিৰ্ধাৰণ কৰি কিমান অগ্ৰগতি লাভ কৰে, তাৰ প্ৰতি গোটেই ৰাজ্যৰ দৃষ্টি নিবদ্ধ থাকিব।

লখিমপুৰৰ বানপীড়িত অঞ্চল

বৈঠকত মিলিত হয়, আৰু তাৰ পিছতে পোনপটীয়াভাৱে বানপানীয়ে আঘাত হানিছে এনে অঞ্চলসমূহ পৰিদৰ্শনত নামি পৰে। দলটোৱে প্ৰথমে পাচনৈ, আমতলা আদি গুৰুত্বপূৰ্ণ বানপ্ৰভাৱিত এলেকা পৰিদৰ্শন কৰে। ইয়াৰ লগতে পথ, কৃষি ক্ষেত্ৰ, চৰকাৰী আৱাসন আৰু কাৰ্যালয় আদিও বিবেচনা কৰে। পৰিদৰ্শনকালত জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি আৰু লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই দলটোক সহযোগিতা আগবঢ়ায়। সাংসদ প্ৰদান বৰুৱাই সংবাদ মাধ্যমক জনোৱা মতে, "কেন্দ্ৰীয় চৰকাৰৰ এই প্ৰতিনিধি দলে কালি ধেমাজি জিলাত পৰিদৰ্শন সম্পন্ন কৰি আজি লখিমপুৰলৈ আহিছে। আমি দলটোক বানে ক্ষতিগ্ৰস্ত কৰা ১২-১্টা পথৰ ভিতৰত এটা উদাহৰণস্বৰূপে দেখুৱাইছোঁ। তেওঁলোকে কৃষি ভূমি, চৰকাৰী ঘৰ, কাৰ্যালয় আদি সকলোতে বানৰ প্ৰভাৱ প্ৰত্যক্ষ কৰিছে।" বৰুৱাই বিশেষভাৱে সন্তোষ প্ৰকাশ কৰি কয়, "বানৰ ঘটনা ঘটাৰ সাত দিনৰ ভিতৰতে কেন্দ্ৰীয় দলটোৱে ক্ষয়ক্ষতিৰ বুজ ল'বলৈ অহাটো অতি সন্তোষজনক। ইয়াৰ বাবে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীক ধন্যবাদ জনাইছোঁ। দলটোৱে অতি সোনকালে প্ৰতিবেদন দাখিল কৰিব বুলি আশা কৰিছোঁ।" ইয়াৰ লগতে তেওঁ জিলা প্ৰশাসনৰ প্ৰশংসা কৰি কয়, "প্ৰশাসনে কম সময়ৰ ভিতৰতে সঠিক তথ্য যোগান ধৰিছে। আমি যিমান পাৰি সকলো তথ্য নিৰ্ভুলকৈ দলটোক হস্তান্তৰ কৰিছোঁ।" উল্লেখযোগ্য যে, কেন্দ্ৰীয় প্ৰতিনিধি দলটোত যুটীয়া সচিব শ্চইউটিগ্ন প্ৰবীণ কুমাৰ ৰায়, এফচিডিৰ যুটীয়া সঞ্চালক মহেশ কুমাৰ আৰু এনআৰএছচিৰ বিজ্ঞানী ডঃ এছভিএছপি শৰ্মা আদি গুৰুত্বপূৰ্ণ বিষয়া উপস্থিত আছিল। পৰিদৰ্শন সমাপ্ত কৰি দলটোৱে অতি সোনকালে প্ৰতিবেদন প্ৰস্তুত কৰাৰ লগতে প্ৰয়োজনীয় সহায়ৰ বাবে চৰকাৰক পৰামৰ্শ আগবঢ়াব বুলি জনা যায়। ইফালে, বানাক্ৰান্তসকলে ৰাজ্য চৰকাৰে দিয়া ক্ষতিপূৰণ সন্তোষজনক নহয় বুলি প্ৰতিবাদ কৰি আছে। লখিমপুৰৰ এই বান পৰিস্থিতিয়েই নহয়, ৰাজ্যৰ অন্যান্য কেইবাখনো জিলাত বানৰ সমস্যা গুৰুতৰ ৰূপ ধাৰণ কৰিছে। কেন্দ্ৰীয় দলটোৰ এই পৰিদৰ্শনে অৱশ্যে স্থানীয় লোকৰ মাজত কিছু আশা জগাইছে, কিয়নো দ্ৰুত প্ৰতিবেদন আৰু সহায়ৰ ঘোষণা আহিলে জনদুৰ্বিপাক কিছু পৰিমাণে লাঘৱ হ'ব পাৰে। লখিমপুৰৰ প্ৰশাসন আৰু ৰাইজে কেন্দ্ৰীয় দলটোক আন্তৰিক অভ্যৰ্থনা জনাইছে, আৰু আশা প্ৰকাশ কৰিছে যে আহিব লগীয়া দিনবোৰত আৰ্থিক আৰু উপাদানগত সাহায্য সোনকালে হাতত পাব।

তৃতীয় ৰাজনৈতিক পদাৰ্পণঃ গেৰুৱা

কাৰ্যসূচীত গেৰুৱা পতাকা হাতত লৈ তেওঁ তৃতীয় ৰাজনৈতিক দলটোলৈ পদাৰ্পণ কৰে। তেওঁৰ লগতে তৃণমূল কংগ্ৰেছৰ আন দুগৰাকী নেতা-সুখেন্দু শেখৰ সত্যজিৎ আৰু প্ৰকাশ চিক বৰাই-ও একে কাৰ্যসূচীতে বিজেপিত যোগদান কৰে। ৰাজ্যিক বিজেপি সভাপতি সমীক ভট্টাচাৰ্যৰ উপস্থিতিত তিনিওগৰাকীক বিজেপিৰ পতাকা প্ৰদান কৰি দলটোত স্বাগত জনোৱা হয়। উল্লেখযোগ্য যে, বিগত মাহত পশ্চিমবংগ বিধানসভা নিৰ্বাচনত তৃণমূল কংগ্ৰেছৰ ভয়াবহ পৰাজয়ৰ পাছতে সুস্মিতা দেৱে ৰাজ্যসভাৰ সাংসদ পদৰ পৰা পদত্যাগ কৰিছিল। তেওঁৰ লগতে সত্যজিৎ আৰু বৰাইও নিজ নিজ পদ ত্যাগ কৰে। ইয়াৰ পাছতেই তেওঁলোকৰ বিজেপিলৈ যোৱাৰ সম্ভাৱনাৰ বিষয়ে ৰাজনৈতিক মহলত জল্পনা-কল্পনা আৰম্ভ হয়। সমীক ভট্টাচাৰ্যই পদত্যাগী তিনিগৰাকী প্ৰাক্তন সাংসদক দলত অন্তৰ্ভুক্ত কৰি কয় যে তেওঁলোকৰ ৰাজনৈতিক অভিজ্ঞতা আৰু জনসংযোগ দক্ষতাই পশ্চিমবংগত বিজেপিক অধিক শক্তিশালী কৰি তুলিব। আগন্তুক পঞ্চায়ত আৰু পৌৰ নিৰ্বাচনত এই যোগদানে দলক প্ৰয়োজনীয় বল যোগাব বুলিও তেওঁ আশা প্ৰকাশ কৰে। সুস্মিতা দেৱৰ ৰাজনৈতিক জীৱনী পৰ্যালোচনা কৰিলে দেখা যায় যে তেওঁ সৰ্বভাৰতীয় মহিলা কংগ্ৰেছৰ প্ৰাক্তন সভানেত্ৰী আৰু প্ৰয়াত কেন্দ্ৰীয় মন্ত্ৰী সন্তোষ মোহন দেৱৰ কন্যা। চঞ্চচৰ চনত কংগ্ৰেছ এৰি তৃণমূল কংগ্ৰেছত যোগদান কৰা সুস্মিতাই পশ্চিমবংগৰ পৰা ৰাজ্যসভালৈ নিৰ্বাচিত হয়। কিন্তু ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত তৃণমূল কংগ্ৰেছ চৰম পৰাজয় বৰণ কৰাৰ পিছত দলটোৰ পৰা এজন এজনকৈ নেতাই আঁতৰি যোৱা দেখা গৈছে, আৰু সেই ধাৰাতেই সুস্মিতাও বিজেপিৰ শিবিৰত উপনীত হয়। ইয়াৰ পূৰ্বে, ৰাজ্যসভাৰ সদস্যপদ ত্যাগ কৰি সুস্মিতা দেৱে নতুন দিল্লীত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰিছিল। সেই অনানুষ্ঠানিক বৈঠকতে মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁক বিজেপিলৈ আহ্বান জনোৱাৰ ইংগিত দিছিল বুলি ৰাজনৈতিক সূত্ৰই প্ৰকাশ কৰে। অসমৰ ৰাজনৈতিক মহলতো এই যোগদানে বিশেষ চৰ্চা লাভ কৰিছে, কাৰণ সুস্মিতা দেৱৰ পিতৃ সন্তোষ মোহন দেৱ অসমৰে প্ৰাক্তন সাংসদ আছিল। মুখ্যমন্ত্ৰী শৰ্মাই সুস্মিতাক দলত সামিল কৰাবলৈ উদ্যোগী ভূমিকা গ্ৰহণ কৰা বুলিও জনা যায়। বিজেপিৰ শীৰ্ষ নেতৃত্বই সুস্মিতা দেৱৰ যোগদানক পূব ভাৰতত দলৰ সম্প্ৰসাৰণৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য কৰিছে। অহা দিনবোৰত তেওঁক বিজেপিৰ হৈ কিমান গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰা হয়, তাৰ প্ৰতি ৰাজনৈতিক মহলৰ দৃষ্টি নিবদ্ধ থাকিব।

ঘটনাস্থলীৰ পৰা উদ্ধাৰ চিঠি; আৰক্ষীৰ তদন্ত আৰম্ভ, সমগ্ৰ অঞ্চলত শোকৰ ছাঁ

বৰপেটাৰ বহৰিত যুৱ সাংবাদিক ৰমজান খানৰ ৰহস্যজনক মৃত্যু

অসম বাৰ্তা, চেঙা, ৯ জুলাই ঃ বৰপেটা জিলাৰ বহৰি থানাৰ অন্তৰ্গত হৰিপুৰ গাঁৱত বুধবাৰে সংঘটিত হোৱা এগৰাকী যুৱ সাংবাদিকৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই সমগ্ৰ অঞ্চলত গভীৰ শোক আৰু চাঞ্চল্যৰ সৃষ্টি কৰিছে। হৰিপুৰ গাঁৱৰ নিবাসী তথা সংবাদ মাধ্যমৰ সৈতে জড়িত যুৱ সাংবাদিক ৰমজান খান নিজ বাসগৃহত মৃত অৱস্থাত উদ্ধাৰ হোৱাৰ পিছতে অঞ্চলটোত শোকৰ পৰিৱেশ বিৰাজ কৰিছে। পৰিয়ালৰ সদস্যসকলে বিষয়টো প্ৰত্যক্ষ কৰাৰ পিছত লগে লগে স্থানীয় লোক আৰু আৰক্ষীক খবৰ দিয়ে। খবৰ পোৱাৰ পিছতে তাৰাবাৰী আৰক্ষী থানাৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহৰ প্ৰাথমিক পৰ্যবেক্ষণ কৰাৰ লগতে ঘটনাৰ তদন্ত আৰম্ভ কৰে। পিছত আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটা মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰা হয়। ঘটনাস্থলীৰ পৰা এখন লিখিত চিঠি উদ্ধাৰ হোৱা বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে চিঠিখন জব্দ কৰি তদন্তৰ অংশ হিচাপে পৰীক্ষা কৰি আছে। চিঠিখনত এজন ব্যক্তিৰ নাম উল্লেখ থকাৰ কথা জানিব পৰা গৈছে যদিও সেই উল্লেখসমূহৰ সত্যতা এতিয়াও আৰক্ষীয়ে নিশ্চিত কৰা নাই। তদন্ত অব্যাহত থকাৰ বাবে এই সন্দৰ্ভত আৰক্ষীয়ে আনুষ্ঠানিকভাৱে কোনো মন্তব্য আগবঢ়োৱা নাই। সেয়েহে চিঠিখনত উল্লেখ থকা সম্ভাৱ্য অভিযোগসমূহক এতিয়াও প্ৰমাণিত বুলি ধৰা হোৱা নাই। জানিব পৰা মতে, ৰমজান খানে বিগত কেইবছৰ ধৰি এটা অনলাইন সংবাদ মাধ্যমৰ জৰিয়তে স্থানীয় বিভিন্ন সামাজিক, সাংস্কৃতিক, প্ৰশাসনিক আৰু জনস্বাৰ্থজড়িত বাতৰি সংগ্ৰহ আৰু প্ৰকাশ কৰি সংবাদ সেৱাত নিয়োজিত আছিল। অঞ্চলটোৰ বহু লোকৰ সৈতে তেওঁৰ সু-সম্পৰ্ক আছিল বুলি স্থানীয় লোকে জানিবলৈ দিয়ে। এই অকাল মৃত্যুৰ খবৰে সংবাদ জগতৰ লগতে সমগ্ৰ বহৰি, হৰিপুৰ আৰু পাৰ্শ্বৱৰ্তী অঞ্চলত গভীৰ শোকৰ সৃষ্টি কৰিছে। সহকৰ্মী সাংবাদিক, শুভাকাংক্ষী আৰু স্থানীয় বাসিন্দাসকলে ঘটনাটোৰ প্ৰকৃত কাৰণ উদঘাটনৰ বাবে নিৰপেক্ষ আৰু বিস্তৃত তদন্তৰ দাবী জনাইছে। আৰক্ষীৰ সূত্ৰই জনোৱা মতে, মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন, উদ্ধাৰ হোৱা লিখিত চিঠিৰ ফৰেনছিক পৰীক্ষা আৰু অন্যান্য প্ৰমাণৰ ভিত্তিতহে মৃত্যুৰ প্ৰকৃত কাৰণ সম্পৰ্কে নিশ্চিত সিদ্ধান্তত উপনীত হ'ব পৰা যাব। বৰ্তমান ঘটনাটোক কেন্দ্ৰ কৰি আৰক্ষীয়ে সকলো দিশ সামৰি তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে, ৰমজান খানৰ অকাল মৃত্যুত সংবাদ জগতৰ লগতে সমগ্ৰ অঞ্চলতে শোকৰ ছাঁ নেমি আহিছে। পৰিয়ালৰ লগতে স্থানীয় ৰাইজে ঘটনাটোৰ সঠিক তদন্ত কৰি যদি কোনো দোষী ব্যক্তি জড়িত থাকে, তেন্তে আইনৰ আওতালৈ আনিবলৈ দাবী জনাইছে।

ঝাপিৰবন্দৰ পৰা হাতিছড়ালৈ ভয়াৱহ অৱস্থা, প্ৰতিদিনে দুৰ্ঘটনাৰ আশংকা

শিলচৰ-সৌৰাষ্ট্ৰ মহাসড়কত বিশাল গাঁতৰ মিছিল, ক্ষোভত ফুঁসিছে সাধাৰণ ৰাইজ

অসম বাৰ্তা, ধুবুৰী, ৯ জুলাই ঃ বৰাক উপত্যকাৰ জনসাধাৰণৰ বহুদিনীয়া সপোন শিলচৰ-সৌৰাষ্ট্ৰ মহাসড়ক এতিয়া উন্নয়নৰ প্ৰতীক নহয়, বৰং দুৰ্ভোগৰ প্ৰতিচ্ছবি। মহাসড়কৰ বিভিন্ন অংশত সৃষ্টি হোৱা বৃহৎ গাঁতসমূহ বৰষুণৰ পানীৰে ভৰি সৰু সৰু পুখুৰীত পৰিণত হৈছে। ফলত প্ৰতিদিনে হাজাৰ হাজাৰ যাত্ৰী আৰু চালকে জীৱনক বিপদত পেলাই এই পথত যাতায়াত কৰিবলৈ বাধ্য হৈছে। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, ঝাপিৰবন্দ পেট্ৰ'ল পাম্পৰ কাষৰ পৰা হাতিছড়ালৈ পথৰ অৱস্থা আটাইতকৈ শোচনীয়। পাহাৰৰ পৰা নামি অহা পানীয়ে গাঁতসমূহ পূৰ্ণ কৰি পেলোৱাত ক'ত পথ আৰু ক'ত গাঁত সেয়া চিনাক্ত কৰাই কঠিন হৈ পৰিছে। প্ৰায় প্ৰতিদিনে সৰু-ডাঙৰ বাহন গাঁতত আবদ্ধ হৈ পৰে আৰু সৰু-বৰ দুৰ্ঘটনা সংঘটিত হয়। উল্লেখ্য, প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ সপোনৰ প্ৰকল্প হিচাপে এই মহাসড়কৰ কাম আৰম্ভ হৈছিল। বন বিভাগৰ অনুমতি আদি বিভিন্ন জটিলতা অতিক্ৰম কৰাৰ পিছতো বহুবাৰ কাম শীঘ্ৰে সম্পূৰ্ণ হোৱাৰ ঘোষণা কৰা হৈছিল, কিন্তু বাস্তৱ ক্ষেত্ৰত তাৰ প্ৰতিফলন দেখা নাযায় বুলি অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। বুধবাৰে বৰ্তমান বাৰ্তাৰ প্ৰতিনিধি নিহাৰকান্তি ৰায়ৰ ওচৰত ক্ষোভ প্ৰকাশ কৰি স্থানীয় লোকসকলে কয় যে, নিৰ্বাচনৰ সময়ত উন্নত মহাসড়কৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল, কিন্তু আজিও কাদা-পানী আৰু গাঁতেৰে ভৰা পথত জীৱনৰ ঝুঁকি লৈ চলাচল কৰিবলগীয়া হৈছে। তেওঁলোকৰ আশংকা, অতি সোনকালে মেৰামতিৰ ব্যৱস্থা গ্ৰহণ নকৰিলে যিকোনো মুহূৰ্ততে এক ভয়াৱহ দুৰ্ঘটনা সংঘটিত হ'ব পাৰে। স্থানীয় ৰাইজে সংশ্লিষ্ট বিভাগ, সাংসদ, বিধায়ক আৰু চৰকাৰক অতি শীঘ্ৰে ক্ষতিগ্ৰস্ত অংশসমূহ মেৰামতি কৰি জনসাধাৰণৰ নিৰাপদ যাতায়াত নিশ্চিত কৰাৰ দাবী জনাইছে। ৰাইজৰ একেটাই দাবী- অবিলম্বে শিলচৰ-সৌৰাষ্ট্ৰ মহাসড়কৰ গাঁতসমূহ মেৰামতি কৰি জনসাধাৰণক নিৰাপদ যাতায়াতৰ সুবিধা প্ৰদান কৰা হওক।

দেখিয়ো নেদেখাৰ ভাও বিভাগীয় কৰ্তৃপক্ষৰ

ছৈখোৱাৰ ধলাবজাৰ আৰু হাহঁখাটি সংযোগী গড়কাপ্তানী পথৰ বিধস্ত ৰূপ

অসম বাৰ্তা, ছৈখোৱা, ৯ জুলাই ঃ ছৈখোৱাৰ ধলা থানাৰ সমীপৰ সদাব্যস্ত হাহখাটি ধলাবজাৰ সংযোগী গড়কাপ্তানী পথটিৰ ভগ্নপ্ৰায় অৱস্থাই জনসাধাৰণক জুলুকা জুলুকে পানী খুৱাইছে। ছৈখোৱা অঞ্চলৰ ছৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়কে ধৰি কেইবাখনো বিদ্যালয়ৰ কেইবা শ ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়লৈ অহা একমাত্ৰ পথটিয়ে হৈছে ধলাবজাৰ-হাঁহখাটি সংযোগী এই গড়কাপ্তানী পথটি। লগতে শদিয়া তথা ভাৰতৰ দীৰ্ঘতম নদী দলং ড°ভূপেন হাজৰিকা সেতুলৈ এই পথটোদিয়েই সৰহ সংখ্যক ধলাবাসী ৰাইজে অহাযোৱা কৰে। আজি কেইদিমানৰ পৰা উক্ত পকী পথটিয়েদি এখনো যানবাহন আহিব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। কেইবাবছৰৰ আগত উক্ত গড়কাপ্তানী পথটি নিৰ্মাণ কৰা হৈছিল যদিও প্ৰায় তিনি চাৰি কিল'মিটাৰ পথ নিৰ্মাণ নকৰাকে থৈ দিছিল। যাৰ পৰিপেক্ষিতত আজি ছাত্ৰ-ছাত্ৰী সকলৰ লগতে উক্ত পথেদি অহাযোৱা কৰা ৰাইজ অসুবিধাৰ সন্মুখীন হ'বলগা হৈছে। সেইয়েহে অতিশীঘ্ৰে পথটিত থকা পকী পুলটি নিৰ্মাণ কৰাৰ লগতে উক্ত পথটি পুনৰ পকীকৰণৰ দাবী জনাইছে।

ডিব্ৰুগড়ত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ একাডেমীত থিয়েটাৰ ইন এডুকেচনৰ সাদিনীয়া কৰ্মশালাৰ সামৰণি

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ জুলাই ঃ ডিব্ৰুগড়ৰ বৈৰাগীমঠস্থিত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ একাডেমীত যোৱা ২ জুলাইৰ পৰা অনুষ্ঠিত হোৱা "থিয়েটাৰ ইন এডুকেচন" বিষয়ৰ সাদিনীয়া কৰ্মশালাৰ আজি সামৰণি পৰে। প্ৰশিক্ষাৰ্থী সকলৰ উপৰি শিক্ষক- শিক্ষয়িত্ৰী আৰু অভিভাৱক- অভিভাৱিকাসকল উপস্থিত থকা সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থী সকলে চুটি নাটিকা উপস্থাপন কৰে। কৰ্মশালাৰ পৰা প্ৰশিক্ষাৰ্থী সকলে কি কি শিকিলে আৰু অভিজ্ঞতা লাভ কৰিলে সেয়া প্ৰকাশ কৰে। প্ৰশিক্ষক অৰ্পণা বড়াই "থিয়েটাৰ ইন এডুকেচন"ৰ গুৰুত্ব আৰু আনন্দদায়ক শিক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে বক্তব্য দাঙি ধৰে। অভিভাৱক-অভিভাৱিকা সকলৰ তৰফৰ পৰাও প্ৰশিক্ষণ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ মাজত কেনে ইতিবাচক পৰিৱৰ্তন দেখা পাইছে সেয়া প্ৰকাশ কৰে। সামৰণিত প্ৰশিক্ষাৰ্থীসকলক অংশ গ্ৰহণৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ একাডেমীৰ অধ্যক্ষ ভূষণ জ্যোতি সন্দিকৈ আৰু শৈক্ষিক মুৰব্বী যাদৱ গগৈয়ে। অনুষ্ঠানৰ আঁত ধৰে শিক্ষয়িত্ৰী কৃষ্ণা গুৰুং আৰু বৈশালী ৰঞ্জন দত্তই।

অপৰাধ ঘাটিলৈ পৰিণত হোৱা মাকুম ৰে'লৱে জংচনত এতিয়া মাকুম আৰক্ষীৰ তীক্ষ্ণ নজৰত

অসম বাৰ্তা, মাকুম, ৯ জুলাই ঃ মাকুমৰ ঐতিহাসিক মাকুম জংচনত দীৰ্ঘদিন ধৰি চলি অহা অবাঞ্ছিত কাৰ্যকলাপ, অপৰ্যাপ্ত নিৰাপত্তা ব্যৱস্থা, পৰিত্যক্ত ৰেলৱে আবাসগৃহ সমূহত অনৈতিক কাৰ্যকলাপ চলাৰ লগতে বিগত কিছুদিন ধৰি সঘনাই উক্ত আবাসগৃহ সমূহত মৃতদেহ উদ্ধাৰ হোৱাৰ বাতৰি সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ পাছতেই আজি সক্ৰিয় হৈ পৰে আৰক্ষী প্ৰশাসন। উল্লেখ্য যে, বিগত কেইবামাহৰ পৰা স্থানীয় ৰাইজৰ লগতে মাকুম আঞ্চলিক ছাত্ৰ সন্থাই যাত্ৰীসকলৰ সুবিধা নিশ্চিত কৰাৰ পৰিৱৰ্তে মাকুম ৰেলৱে জংচন চৌহদত দিনক দিনে অবাঞ্ছিত কাৰ্যকলাপ বৃদ্ধি পাইছে বুলি অভিযোগ উত্থাপন কৰি অহাৰ লগতে কালিও সংগঠনটোৱে ৰে'লৱে আৰক্ষীক তীব্ৰ সমালোচনা কৰি অপৰ্যাপ্ত নিৰাপত্তা ব্যৱস্থা, আড্ডাবাজি, নিচা জাতীয় দ্ৰব্য যেনে নিষিদ্ধ ড্ৰাগছ, গাঞ্জা আদি বন্ধ কৰাৰ বাবে নিয়মীয়া তদাৰক আৰু কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছিল। তদুপৰি স্থানীয় লোকেও এনে কাৰ্যকলাপ প্ৰায়েই দৃষ্টি গোচৰ হয় আৰু মাকুম ৰে'লৱে জংচনক একপ্ৰকাৰ "অসামাজিক কাৰ্যকলাপ, জংচনলৈ পৰিণত হৈছে বুলিও মন্তব্য কৰিছিল। এই অভিযোগসমূহ সংবাদ মাধ্যমত ব্যাপকভাৱে প্ৰচাৰ হোৱাৰ পিছতে আজি মাকুম আৰক্ষী থানাৰ পৰিদৰ্শক পুলক কুমাৰৰ নিৰ্দেশত এটা তহলদাৰী দলে ৰেলৱে জংচনৰ সমগ্ৰ অঞ্চল পৰিদৰ্শন কৰে। তহলদাৰীৰ সময়ত সন্দেহজনকভাৱে অৱস্থান কৰা কেইবাজোৰা যুৱক-যুৱতীক আৰক্ষীয়ে সোধা-পোচা কৰা পৰিলক্ষিত হয়। ইফালে, দীৰ্ঘদিন ধৰি হাবি-জংঘলেৰে আবৰি থকা পৰিত্যক্ত ৰেলৱে আবাস সমূহৰ চৌহদচাফ-চিকুণ কৰাৰ কামো আৰম্ভ হোৱা দেখা যায়। আৰক্ষীৰ এই তৎপৰতাক স্থানীয় ৰাইজে আদৰণি জনোৱাৰ লগতে ৰেলৱে জংচনত সুৰক্ষা আৰু শৃংখলা বজাই ৰাখিবলৈ এনে অভিযান নিয়মীয়াকৈ চলাই নিয়াৰ দাবী জনাইছে।

পুৰণিগুদামত অসমীয়া চিৰসেউজ গীতৰ কৰ্মশালাৰ আয়োজন

অসম বাৰ্তা, পুৰণিগুদাম, ৯ জুলাই ঃ নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামত অহা ১৫ জুলাইৰ পৰা ২১ জুলাইলৈ এটি সপ্তাহযোৱা "অসমীয়া চিৰসেউজ গীতৰ কৰ্মশালা"ৰ ব্যাপক আয়োজন কৰা হৈছে। পুৰণিগুদামৰ বাপুজী ভৱন আৰু পুথিভঁৰালৰ দ্বাৰা পৰিচালিত পুৰণিগুদাম সংগীত বিদ্যালয়ৰ ব্যৱস্থাপনাত আয়োজিত উক্ত কৰ্মশালাখনি প্ৰতিদিনে পুৱা ১০ বজাৰ পৰা বিয়লি ২ বজালৈ বাপুজী ভৱন আৰু পুথিভঁৰালৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব বুলি পুৰণিগুদাম সংগীত বিদ্যালয়ৰ সভাপতি আৰু সম্পাদক ক্ৰমে দুৰ্লভ শৰ্মা আৰু অলক খাওন্দে জানিবলৈ দিয়ে। বিশিষ্ট সংগীত শিল্পী মিতালী গোস্বামী, সুৰকাৰ, সংগীত শিল্পী চন্দন বেজবৰুৱা আৰু সুৰকাৰ, সংগীত ব্যৱস্থাপক মনদ্বীপ মহন্ত প্ৰশিক্ষক হিচাপে উপস্থিত থাকিবলগীয়া উক্ত কৰ্মশালাৰ কাৰ্যসূচী অনুসৰি ১৫ জুলাইৰ পুৱা ৯.৩০ বজাত বিশিষ্ট সংগীত শিল্পী দীপক শৰ্মাই বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰিব বুলি পুৰণিগুদাম সংগীত বিদ্যালয়ৰ অধ্যক্ষ কুলপ্ৰদীপ দাসে জানিবলৈ দিয়ে। উক্ত দিনা পুৱা ১০ বজাৰ পৰা প্ৰশিক্ষক সকলে প্ৰশিক্ষণ আৰম্ভ কৰাৰ লগতে প্ৰতিদিনে পুৱা ১০ বজাৰ পৰা বিয়লি ২ বজালৈ সকলো বয়সৰ প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণ প্ৰদান কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। ২১ জুলাইৰ পুৱা ১০ বজাত অনুষ্ঠিত চিৰসেউজ গীতৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠানত কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে কৰ্মশালাত অনুশীলন কৰা গীতসমূহৰ উপৰিও পুৰণিগুদাম সংগীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে গীতে-মাতে এক মনোমোহা অনুষ্ঠান প্ৰদৰ্শন কৰিব। কৰ্মশালাৰ ভৰ্তি মাচুল ৬০০ টকা। সকলো বয়সৰ ইচ্ছুক প্ৰশিক্ষাৰ্থীক ৯৭০৬৬২৪০৪৬ আৰু ৯৯৫৭৯৫৬২৭৮ নম্বৰত যোগাযোগ কৰিবলৈ জনোৱাৰ লগতে অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰি প্ৰশিক্ষাৰ্থীসকলক উৎসাহিত কৰিবলৈ উদ্যোক্তাসকলে বিনম্ৰতাৰে আহ্বান জনাইছে।

এক বিৰল সুযোগ গ্ৰহণ কৰিবলৈ ৰাইজলৈ আহ্বান

বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ উদ্যোগত গোৱালপৰীয়া লোকগীতৰ কৰ্মশালাৰ আয়োজন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৯ জুলাই ঃ অসমৰ বৈচিত্ৰ্যময় লোকসংস্কৃতিক জনপ্ৰিয় কৰাৰ উদ্দেশ্যে তিনিচুকীয়াৰ বৰদলৈ নগৰস্থিত, অঞ্চলটোৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ প্ৰাণকেন্দ্ৰ তথা সামাজিক-সাংস্কৃতিক প্ৰমূল্যবোধৰ কঠীয়াতলি স্বৰূপ বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ উদ্যোগত, নিজা সভাকক্ষত অহা ২৬, ২৭ আৰু ২৮ জুলাই তাৰিখে, তিনিদিনীয়াকৈ গোৱালপৰীয়া লোকগীতৰ এখনি কৰ্মশালা অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। দিনৰ দহ বজাৰ পৰা বিয়লি তিনি বজালৈ (মাজত এঘণ্টা বিৰতি) অনুষ্ঠিত হ'বলগীয়া কৰ্মশালাখনৰ বাবে যোগদানৰ মাচুল তিনিশ টকা ধাৰ্য কৰা হৈছে। গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী পদ্মশ্ৰী প্ৰতিমা পাণ্ডেৰ প্ৰতি শ্ৰদ্ধাৰে, অসমীয়া লোকগীতৰ এই অন্যতম বলিষ্ঠ ধাৰাটো উজনিৰ ৰাইজৰ কাষ চপাই অনাৰ উদ্দেশ্যে প্ৰথমবাৰৰ বাবে এই কৰ্মশালা আয়োজন কৰা হৈছে। কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰিব গুৱাহাটীৰ মিৰাণ্ডা চৌধুৰীয়ে। তেখেত ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ বিভাগৰ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ আৰু দূৰদৰ্শন কেন্দ্ৰৰ "এ" গ্ৰেড প্ৰাপ্ত শিল্পী, ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনস্থ উত্তৰ-পূব সাংস্কৃতিক কেন্দ্ৰই ২০২১-২২ বৰ্ষত আয়োজন কৰা "গুৰু-শিষ্য পৰম্পৰা" অনুষ্ঠানৰ গোৱালপৰীয়া লোকসংগীতৰ 'গুৰু' ৰূপে নিযুক্তি পোৱা প্ৰথিতযশা শিল্পী। উক্ত কৰ্মশালাত সংগীত শিক্ষাৰ্থী তথা জ্যেষ্ঠ কনিষ্ঠ সকলো ইচ্ছুক ৰাইজে সদল-বলে অংশ গ্ৰহণ কৰি বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ এই বলিষ্ঠ পদক্ষেপক সাফল্যমণ্ডিত কৰি তুলিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

লখিমপুৰৰ কয়লামাৰীত আন্তঃচাহ বাগিচা ফুটবল প্ৰতিযোগিতা

অসম বাৰ্তা, লীলাবাৰী, ৯ জুলাই ঃ বিগত চাৰিটা বৰ্ষৰ দৰেই চাহ বাগিচাৰ প্ৰতিভাশালী যুৱসকলক ফুটবলৰ প্ৰতি আকৰ্ষিত কৰাৰ প্ৰচেষ্টাৰে লখিমপুৰ জিলাৰ কয়লামাৰী চাহ বাগিচাৰ ভীমপৰা খেলপথাৰত 'স্বাধীনতা কাপ' শীৰ্ষক ফুটবল প্ৰতিযোগিতাখনি অনুষ্ঠিত হৈ আহিছে। ফুটবলৰ জৰিয়তে ক্ৰীড়া ক্ষেত্ৰখনত নতুন অধ্যায় গঢ়াৰ অংশস্বৰূপ চলিত বৰ্ষতো প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনি ১৯ জুলাইৰ পৰা শুভাৰম্ভ হ'ব। মুঠ ১৬টা চাহ বাগিচা ফুটবল দলে অংশগ্ৰহণ কৰিবলগীয়া ন'কআউট প্ৰতিযোগিতাখনত কয়লামাৰী চাহ বাগিছা ইলেভেন আৰু চিনাতলীয়া চাহ বাগিচা একাদশে উদ্বোধনী মেচত যুঁজ দিব। প্ৰতিযোগিতা পৰিচালনা সমিতিৰ তৰফৰ পৰা প্ৰতিটো চাহ বাগিছাৰ ফুটবল দলৰ লগতে সকলো ফুটবলপ্ৰেমীক প্ৰাইজমানি 'স্বাধীনতা কাপ' ফুটবল প্ৰতিযোগিতাখনত অংশগ্ৰহণ কামনা কৰিছে। উল্লেখ্য যে, ফুটবল ক্লাৱসমূহে পৰিচালনা সমিতিৰ ভ্ৰাম্যভাষ ৭৫৭৮০-৪২৪৪৩, ৭০৮৬৩-৪২১৯৯ অথবা ৯৬৭৮৫-৭১৯৯৮ নম্বৰত যোগাযোগ কৰিব পাৰিব।

অধিৱেশনৰ প্ৰস্তুতি সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা প্ৰতিনিধি দলৰ

সৰুপথাৰত অনুষ্ঠিত হ'ব বড়ো সাহিত্য সভাৰ ২০২৭ বৰ্ষৰ বাৰ্ষিক অধিৱেশন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ৯ জুলাই ঃ আগন্তুক ২০২৭বৰ্ষৰ জানুৱাৰী মাহত সৰুপথাৰত অনুষ্ঠিত হ'বলগীয়া বড়ো সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি জোৰদাৰভাৱে আগবঢ়োৱা হৈছে। এই উপলক্ষে বড়ো সাহিত্য সভাৰ সভাপতি গোপীনাথ বৰ্গিয়াৰীৰ নেতৃত্বত সাহিত্য সভাৰ এটি প্ৰতিনিধি দলে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি অধিৱেশনখন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। এই বৈঠকত সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনো উপস্থিত থাকে। প্ৰতিনিধি দলটোৱে মুখ্যমন্ত্ৰীক অধিৱেশনৰ প্ৰস্তুতি, সম্ভাৱ্য অনুষ্ঠানসূচী, আন্তঃগাঁথনি উন্নয়ন, অতিথিৰ সুবিধা, যাতায়াত ব্যৱস্থা আৰু প্ৰয়োজনীয় চৰকাৰী সহযোগিতাৰ বিষয়সমূহ অৱগত কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বড়ো সাহিত্য সভাৰ দৰে এক গুৰুত্বপূৰ্ণ সাহিত্য-সাংস্কৃতিক অনুষ্ঠান সাফল্যমণ্ডিতভাৱে সম্পন্ন কৰাৰ বাবে চৰকাৰৰ ফালৰ পৰা প্ৰয়োজনীয় সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, সৰুপথাৰত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া এই বড়ো সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনক কেন্দ্ৰ কৰি ইতিমধ্যে সমগ্ৰ অঞ্চলটোত উৎসাহ-উদ্দীপনাৰ পৰিৱেশ সৃষ্টি হৈছে। স্থানীয় ৰাইজ, বিভিন্ন সামাজিক-সাংস্কৃতিক সংগঠন আৰু স্বেচ্ছাসেৱীসকলে এই বৃহৎ অনুষ্ঠান সফল কৰি তুলিবলৈ ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে। সাহিত্য, ভাষা, সংস্কৃতি আৰু ঐতিহ্যৰ সংৰক্ষণ আৰু বিকাশৰ ক্ষেত্ৰত বড়ো সাহিত্য সভাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সেয়েহে ২০২৭ বৰ্ষৰ সৰুপথাৰ অধিৱেশনেও বড়ো সমাজৰ লগতে সমগ্ৰ অসমৰ সাহিত্য-সাংস্কৃতিক ক্ষেত্ৰত এক নতুন মাইলৰ খুঁটি স্থাপন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

এফ আৰ ইউলৈ উন্নীতকৰণ হ'ব বৰগাং মডেল হস্পিতাল

সাংসদ ৰঞ্জিত দত্ত আৰু বিধায়ক মুনীন্দ্ৰ দাসৰ তৎপৰতা

অসম বাৰ্তা, গহপুৰ, ৯ জুলাই ঃ বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালী বিধানসভা সভা সমষ্টিৰ ৰাইজৰ চিকিৎসা সেৱাৰ অন্যতম চৰকাৰী প্ৰতিষ্ঠান বৰগাং আদৰ্শ চিকিৎসালয়খন এফ আৰ ইউলৈ উন্নীতকৰণ কৰা হ'ব। এইক্ষেত্ৰত বিশেষ তৎপৰতাত অৱলম্বন কৰিছে শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত আৰু বিহালী বিধানসভা সমষ্টিৰ বিধায়ক মুনীন্দ্ৰ দাসে। আজি সাংসদ ৰঞ্জিত দত্ত আৰু বিধায়ক মুনীন্দ্ৰ দাসে অসমৰ স্বাস্থ্যমন্ত্ৰী অশোক সিংঘলক সাক্ষাৎ কৰি বিহালীৰ স্বাস্থ্যসেৱাৰ উন্নীতকৰণ সন্দৰ্ভত বিভিন্ন আলাপ আলোচনা কৰাৰ লগতে বৰগাং আদৰ্শ চিকিৎসালয়খন এফ আৰ ইউলৈ উন্নীতকৰণ কৰিবলৈ অনুৰোধ জনায়। এই ক্ষেত্ৰত মন্ত্ৰী গৰাকীয়ে তেওঁলোকক আশ্বাস প্ৰদান কৰে যে অতি শীঘ্ৰেই বৰগাং মডেল হস্পিতালখন FRU (First Referral Unit) পৰ্যায়লৈ উন্নীত কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্ব আৰু স্বাস্থ্যমন্ত্ৰীগৰাকীৰ আন্তৰিক উদ্যোগত এই পদক্ষেপে বিহালীবাসীক উন্নত স্বাস্থ্যসেৱা প্ৰদানত এক নতুন দিগন্তৰ সূচনা কৰিব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে। বিহালী সমষ্টিৰ স্বাস্থ্য খণ্ডৰ উন্নীতকৰণৰ বাবে গ্ৰহণ কৰা এই গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ বাবে মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে সাংসদ ৰঞ্জিত দত্ত আৰু বিধায়ক মুনীন্দ্ৰ দাসে।

কলগাছিয়াৰ ডিমাপুৰত দুটাকৈ পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ উত্তেজনা, বাহন ভাঙি লণ্ড-ভণ্ড

অসম বাৰ্তা, কুমুল্লী পৰা, ৯ জুলাই ঃ বৰপেটা জিলাৰ কলগাছিয়াৰ ডিমাপুৰ অঞ্চলত ৭ জুলাই নিশাত সংঘটিত হোৱা এটাৰ পিছত আনটোকৈ দুটাকৈ পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। ঘটনাৰ পিছতে ক্ষুব্ধ স্থানীয় ৰাইজে এখন চাৰিচকীয়া বাহন ভাঙি লণ্ডভণ্ড কৰে, ফলত সমগ্ৰ অঞ্চলটো কিছু সময়ৰ বাবে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে, অতি কম সময়ৰ ব্যৱধানত সংঘটিত হোৱা দুৰ্ঘটনা দুটাই স্থানীয় লোকসকলৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰে। ঘটনাস্থলীত বৃহৎ সংখ্যক লোক সমবেত হৈ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে দুৰ্ঘটনাৰ সৈতে জড়িত বুলি সন্দেহ কৰা এখন চাৰিচকীয়া বাহনৰ ওপৰত আক্ৰমণ চলাই ব্যাপক ক্ষতিসাধন কৰে। খবৰ পাই কলগাছিয়া আৰক্ষীৰ এটা দল তৎক্ষণাত ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। আৰক্ষীয়ে উত্তেজিত লোকসকলক বুজাই-চুজাই পৰিস্থিতি শান্ত কৰিবলৈ সক্ষম হয় আৰু আইন-শৃংখলা পুনৰ স্বাভাৱিক কৰি তোলে। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ আৰু সমগ্ৰ ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

ছয়গাঁও শিল্পী সমাজৰ উদ্যোগত শিল্পী সোঁৱৰণী দিৱস উদ্‌যাপন

সুৰেণ ঠাকুৰীয়া সোঁৱৰণী স্মাৰক বঁটা প্ৰদান জেষ্ঠ শিল্পী কামেশ্বৰ নাথক

অসম বাৰ্তা, ছয়গাঁও, ৯ জুলাই ঃ দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ছয়গাঁও নাট্য মন্দিৰত ছয়গাঁও শিল্পী সমাজৰ উদ্যোগত শিল্পী সোঁৱৰণী দিৱস উদ্‌যাপন কৰা হয়। এইবেলি সুৰেণ ঠাকুৰীয়া সোঁৱৰণী স্মাৰক বঁটা প্ৰদান কৰে জেষ্ঠ শিল্পী কামেশ্বৰ নাথক। চাতুৰাম ডেকা সোঁৱৰণী স্মাৰক বঁটা প্ৰদান কৰে যাত্ৰাপাৰ্টিৰ অভিনেত্ৰী ৰেৱতী কলিতাক। বিগত কেইবেলিৰ দৰে এইবেলিও ছয়গাঁও শিল্পী সমাজে প্ৰয়াত সুৰেণ ঠাকুৰীয়া সোঁৱৰণী স্মাৰক বঁটা প্ৰদানৰ লগতে বৃহত্তৰ ছয়গাঁও অঞ্চলৰ প্ৰয়াত শিল্পী সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে বুধবাৰে ছয়গাঁও নাট্য মন্দিৰত শিল্পী সোঁৱৰণী দিৱসটি উদযাপন কৰে। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে ভাৰপ্ৰাপ্ত সভাপতি প্ৰদীপ কুমাৰ দাসে। বন্তি প্ৰজ্বলন কৰে প্ৰয়াত সুৰেণ ঠাকুৰীয়াৰ পত্নী গিৰিবালা ঠাকুৰীয়াই। তাৰ পিছতে শিল্পী সোঁৱৰণী দিৱসৰ মঞ্চ উদ্বোধন কৰে ছয়গাঁও শিল্পী সমাজৰ প্ৰাক্তন সভাপতি শৰৎ চন্দ্ৰ দাসে। স্থানীয় প্ৰয়াত শিল্পী সকলৰ স্ব-ৰচিত আৰু কামৰূপী লোকগীত প্ৰতিযোগিতাৰ উদ্বোধন কৰে শিল্পী সমাজৰ উপদেষ্টা অনিল ঠাকুৰীয়াই। আজিৰ দিনটোতে প্ৰয়াত সুৰেণ ঠাকুৰীয়া সোঁৱৰণী স্মাৰক বঁটা প্ৰদান কৰে ছয়গাঁও শিল্পী সমাজৰ প্ৰাক্তন সভাপতি কামেশ্বৰ নাথক। তাৰ পিছতে প্ৰয়াত চাতুৰাম ডেকা সোঁৱৰণী স্মাৰক বঁটা প্ৰদান কৰে যাত্ৰাপাৰ্টিৰ বিশিষ্টা অভিনেত্ৰী ৰেৱতী কলিতাক। আনহাতে প্ৰয়াত আলহাজ কাচিমুদ্দিন আহমেদৰ স্মৃতিত প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ উন্মোচন কৰে অসমৰ বিশিষ্ট কণ্ঠশিল্পী ড° সংগীতা কাকতীয়ে। আবেলি অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে প্ৰদীপ কুমাৰ দাসে। সাধাৰণ সম্পাদক দেৱ কুমাৰ মেধিয়ে আদৰণি ভাষণ প্ৰদান কৰা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য ড° মৃণাল কুমাৰ বৰাই। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাই। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে জ্যোতিষী অপূৰ্ব দেৱ শৰ্মা, বিশিষ্ট চিকিৎসক ডাঃ মণিৰাম শালৈ, ছয়গাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ইচমতুন নেছা আৰু বিশিষ্ট সমাজকৰ্মী ইক্ৰামুদ্দিন আহমেদে।

বঙাইগাঁৱত কোচ ৰাজবংশী সাহিত্য সভাৰ ২য় প্ৰতিষ্ঠা দিৱস উপলক্ষে লাইখুঁটা স্থাপন

অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৯ জুলাই ঃ অহা ১৬, ১৭, ১৮ আৰু ১৯ জুলাইত বঙাইগাঁও জিলাৰ মাজগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া কোচ ৰাজবংশী সাহিত্য সভাৰ লেখিকা সভাৰ ২য় প্ৰতিষ্ঠা দিৱস আৰু দ্বিবাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে। এই অনুষ্ঠানৰ শুভাৰম্ভনি উপলক্ষে আজি পবিত্ৰ লাইখুঁটা স্থাপন কৰা হয়। এই শুভ কাৰ্যসূচীত বিটিচিৰ কাৰ্যবাহী সদস্য (ই এম) কৰ্মেশ্বৰ ৰায় উপস্থিত থাকি বিধি অনুসৰি লাইখুঁটা স্থাপন কৰে। উল্লেখ্য যে, কোচ ৰাজবংশী সাহিত্য সভা আৰু কোচ ৰাজবংশী লেখিকা সভাৰ উদ্যোগত মাজগাঁও উন্নয়ন সমিতি, মাজগাঁও বোৰাকাটা সমিতি, ভিও, মাজগাঁও শাখা কোচ ৰাজবংশী সাহিত্য সভাৰ সহযোগত আয়োজিত এই চাৰি দিনীয়া অনুষ্ঠানত কবি সন্মিলন, লোকনৃত্য কৰ্মশালা, সাংস্কৃতিক শোভাযাত্ৰা, আলোচনা চক্ৰ, গ্ৰন্থ উন্মোচন, খোলা সভা, বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানত 'মাও বাঘেশ্বৰী' শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচনৰ লগতে অসম আৰু পশ্চিমবংগৰ বিভিন্ন প্ৰান্তৰ বিধায়ক, মন্ত্ৰী, কবি-সাহিত্যিক, লেখক-লেখিকা, অধ্যাপক-অধ্যাপিকা, বিশিষ্ট বুদ্ধিজীৱী আৰু সাংবাদিকসকল উপস্থিত থাকিব। আজিৰ লাইখুঁটা স্থাপন অনুষ্ঠানত আয়োজক সমিতিৰ বিষয়ববীয়া, স্থানীয় গণ্যমান্য ব্যক্তি আৰু বহু সংখ্যক ৰাইজ উপস্থিত থাকি অনুষ্ঠানটোৰ সফল আয়োজনৰ বাবে সহযোগিতাৰ আশ্বাস প্ৰদান কৰে। কোচৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল বৰ্মনৰ লগতে আয়োজকসকলে সকলো ভাষাপ্ৰেমী আৰু ৰাইজক উক্ত অনুষ্ঠানত উপস্থিত থাকি সফল কৰাৰ বাবে আন্তৰিক আহ্বান জনাইছে।

কামৰূপ জিলাত পিএম-এ.জে.এ.ৱাই আঁচনিৰ অধীনত আৰ্থিক সাহায্য বিতৰণ

ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৯ জুলাই ঃ অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযান (এ এছআৰ এল এম)-ৰ কামৰূপ জিলা মিছন ব্যৱস্থাপনা গোট (ডি এম এম ইউ)-ৰ উদ্যোগত বুধবাৰে অমিনগাঁৱস্থিত বায়'টেক পাৰ্কৰ প্ৰেক্ষাগৃহত প্ৰধানমন্ত্ৰী অনুসূচিত জাতি অভ্যুদয় যোজনা (PM-AJAY)ৰ অধীনত অনুদান ভিত্তিক আৰ্থিক সাহায্য বিতৰণ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। এই আঁচনিৰ অধীনত কামৰূপ জিলাৰ ১৫০টা আত্মসহায়ক গোট (SHG) আৰু তিনিজন ব্যক্তিগত এছ এইচ জি সদস্যক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অনুসূচিত জাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ সচিব তথা সঞ্চালিকা ড° কুলশ্ৰী নাথে কয় যে প্ৰধানমন্ত্ৰী অনুসূচিত জাতি অভ্যুদয় যোজনা হৈছে কেন্দ্ৰীয় সামাজিক ন্যায় আৰু শক্তিকৰণ মন্ত্ৰালয়ৰ এক গুৰুত্বপূৰ্ণ আঁচনি। ইয়াৰ জৰিয়তে অনুসূচিত জাতি সম্প্ৰদায়ৰ সামাজিক আৰু আৰ্থিক উন্নয়নৰ লগতে দক্ষতা বিকাশ, নিয়োগ সৃষ্টি আৰু উদ্যোগীকৰণক উৎসাহিত কৰা হয়। এই আঁচনিৰ অধীনত যোগ্য হিতাধিকাৰীয়ে প্ৰকল্প ব্যয়ৰ ৫০ শতাংশ পৰ্যন্ত মূলধন অনুদান হিচাপে সৰ্বোচ্চ ৫০ হাজাৰ টকা লাভ কৰিব। এই সাহায্যই উপাৰ্জনমুখী কাৰ্যসূচী গঢ়ি তোলাত আৰু আত্মনিৰ্ভৰশীল হোৱাত সহায় কৰিব বুলি তেওঁ লগতে জানিবলৈ দিয়ে। অনুষ্ঠানত কামৰূপ জিলাৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্তই কয় যে অনুসূচিত জাতি সম্প্ৰদায়ৰ সৰ্বাংগীণ উন্নয়নৰ বাবে চৰকাৰে বিভিন্ন কল্যাণমূলক আঁচনি ৰূপায়ণ কৰি আহিছে। তেওঁ অনুসূচিত জাতি লোকসকৰ আয়বৃদ্ধি আৰু দক্ষতা বিকাশৰ মাজত সমন্বয়ৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানৰ ভূমিকাৰ শলাগ লৈ তেওঁ কয় যে, সংস্থাটোৱে গ্ৰাম্য জনসাধাৰণৰ ক্ষমতায়ন আৰু আত্মনিৰ্ভৰশীলতা বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ হিতাধিকাৰী আৰু আত্মসহায়ক গোট সমূহক নিষ্ঠা আৰু অধ্যৱসায়েৰে কাম কৰি যাবলৈ আহ্বান জনায়। উল্লেখ্য যে অনুষ্ঠানৰ অংশ হিচাপে আত্মসহায়ক গোটসমূহে প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰীৰ এক প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। লগতে কামৰূপ জিলাৰ বিভিন্ন বিভাগেও নিজ নিজ আঁচনি আৰু জনকল্যাণমূলক কাৰ্যসূচীৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰদৰ্শনী অনুষ্ঠিত কৰে। অনুষ্ঠানত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা সমাজ কল্যাণ বিষয়া ভূপেন ভট্টাচাৰ্য, জিলা কৃষি বিষয়া হিতেশ বেজবৰুৱা, জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া নাৰায়ণ দেউৰী, অসম অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানজিলা প্ৰকল্প প্ৰবন্ধক সুমিত প্ৰসাদ দাস, বিভাগীয় মুৰব্বী, আত্ম-সহায়ক গোটৰ সদস্য-সদস্যা আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়াসকল উপস্থিত থাকে।

মৰিয়নিত হেঙুল থিয়েটাৰৰ ৩৯ সংখ্যক নাট্যবৰ্ষৰ বাবে শিবিৰ মুকলি আৰু নাট মুকলি; দুখন নতুন নাটৰ লগতে নতুন ৰূপত 'ঝংকাৰ'

অসম বাৰ্তা, মৰিয়নি, ৯ জুলাই ঃ উজনি অসমৰ একমাত্ৰ ভ্ৰাম্যমাণ নাট্যদল হেঙুল থিয়েটাৰৰ ৩৯ সংখ্যক নাট্যবৰ্ষৰ শুভাৰম্ভ উপলক্ষে বুধবাৰে নিশা মৰিয়নিস্থিত মুখ্য কাৰ্যালয় তথা প্ৰশিক্ষণ কেন্দ্ৰত শিবিৰ মুকলি আৰু নাট মুকলি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ জৰিয়তে নতুন নাট্যবৰ্ষৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। প্ৰশান্ত হাজৰিকা আৰু ইলা কাকতিৰ স্মৃতি বিজড়িত হেঙুল থিয়েটাৰে দীৰ্ঘদিন ধৰি অসমৰ ভ্ৰাম্যমাণ নাট্যজগতত এক সুকীয়া স্থান দখল কৰি আহিছে। বিশেষকৈ নতুন অভিনেতা-অভিনেত্ৰীক ভ্ৰাম্যমাণ নাট্যজগতলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত দলটোৱে সুদীৰ্ঘ সুনাম অৰ্জন কৰিছে। এইবাৰো একাধিক নতুন মুখে হেঙুল থিয়েটাৰৰ মঞ্চত আত্মপ্ৰকাশ কৰিব। ২০২৬-২৭ নাট্যবৰ্ষত হেঙুল থিয়েটাৰৰ অন্যতম মুখ্য আকৰ্ষণ হিচাপে থাকিব জনপ্ৰিয় ধাৰাবাহিক 'বেহাৰবাৰী আউটপোষ্ট'ৰ 'কে. কে.' চৰিত্ৰত অভিনয় কৰি দৰ্শকৰ হৃদয় জয় কৰা অভিনেতা সিদ্ধাৰ্থ শৰ্মা। এই নাট্যবৰ্ষত হেঙুল থিয়েটাৰে দৰ্শকৰ বাবে দুখন একেবাৰে নতুন নাট 'ঈশ্বৰ পুত্ৰ' আৰু 'ডাক্তৰ ৪২০' মঞ্চস্থ কৰিব। আনহাতে, পূৰ্বে দৰ্শকৰ বিপুল সমাদৰ লাভ কৰা 'ঝংকাৰ' নাটখন এইবাৰ নতুন ৰূপ, নতুন পৰিকল্পনা আৰু অধিক আকৰ্ষণীয় উপস্থাপনেৰে পুনৰ মঞ্চস্থ কৰা হ'ব। শিবিৰ মুকলি আৰু নাট মুকলি অনুষ্ঠানত নাট্যদলটোৰ কৰ্মকৰ্তা, শিল্পী, কলা-প্ৰেমী আৰু শুভানুধ্যায়ী সকল উপস্থিত থাকি নতুন নাট্যবৰ্ষৰ সফলতা কামনা কৰে। হেঙুল থিয়েটাৰ কৰ্তৃপক্ষই জানিবলৈ দিয়ে যে এইবাৰো দৰ্শকৰ মন জয় কৰিব পৰা উচ্চমানৰ নাট্য উপস্থাপনাৰে ৰাজ্যজুৰি ভ্ৰমণ কৰিব দলটোৱে।

মাকুম ছো'ট হাপজানত এহাল যুৱক-কিশোৰীৰ আত্মহননৰ ঘটনা

অসম বাৰ্তা, মাকুম, ৯ জুলাই ঃ মাকুম ছো'ট হাপজান চাহ বাগিচাৰ ১৭ নং লাইনৰ এহাল যুৱক-কিশোৰীৰ আত্মহননৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণ অনুসৰি নিশা বাগিচা খনৰ লাইনৰ আবাসৰ এগৰাকী ১৬ বছৰীয়া কিশোৰী আৰু ওম গোৱালা নামৰ ১৮ বছৰীয়া যুৱক এজন, ছো'ট হাপজান চাহ বাগিচাৰ ১৭ নং লাইনত অৱস্থিত এইচ বি ইটা ভাতাৰ এটা পুখুৰীত দুয়োকে ওপঙি থকা অৱস্থাত স্থানীয় লোকে প্ৰত্যক্ষ কৰাত মাকুম আৰক্ষী থানাত খবৰ দিয়ে। ঘটনাস্থলীত মাকুম আৰক্ষী থানাৰ পৰিদৰ্শক পুলক কুমাৰ নেতৃত্বত আৰক্ষী দলটো উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত মুমুৰ্ষ অৱস্থাত দুয়োকে উদ্ধাৰ কৰি ততাতৈয়াকৈ আৰক্ষীয়ে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ বুলি প্ৰেৰণ কৰে। দুয়োকে চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। এগৰাকী ১৬বছৰীয়া কিশোৰী আৰু এজন ১৮ বছৰীয়া যুৱক এনেদৰে পুখুৰীত পৰি মৃত্যু হোৱা কাৰণটো প্ৰেমজনিত কাৰণত আত্মহননৰ দৰে পথ বাছি লোৱা বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰে। ইপিনে পৰিয়ালৰ লোকে জনোৱা মতে, ওম গোৱালাই নিশাৰ আহাৰ গ্ৰহণ কৰাৰ পিছত ঘৰৰ পৰা ওলাই গৈছিল। তাৰপাছতেই ঘটনাটো সংঘটিত হোৱাৰ খবৰ আহে বুলি পৰিয়ালৰ লোকে জানিবলৈ দিয়ে।

অসম সন্মিলিত মহাসংঘৰ ৰূপাই চাইডিং আঞ্চলিক সমিতি গঠন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৯ জুলাই ঃ তিনিচুকীয়া জিলাৰ ডুমডুমাৰ ৰূপাই চাইডিং জনজাতি জিৰণি চ'ৰাত ৮ জুলাইৰ সন্ধিয়া খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সুৰক্ষা আৰু ভৱিষ্যত সম্পৰ্কে এখন গুৰুত্বপূৰ্ণ সভা বিশিষ্ট সমাজকৰ্মী তথা শিক্ষাবিদ জগন্নাথ সোণোৱালৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে প্ৰাগজ্যোতিষপুৰ, কামৰূপ আৰু অসমৰ প্ৰথম ৰজা মহীৰঙ্গ দানৱৰ পৰা শেষ ৰজা গোমধৰ সিংহ, মহাবীৰ লাচিত বৰফুকন, বীৰাঙ্গনা মুলাগাভৰু প্ৰমুখ্যে সকলো খিলঞ্জীয়া ৰজা আৰু বীৰ-বীৰাঙ্গনাৰ পবিত্ৰ স্মৃতিত ১ মিনিট মৌন প্ৰাৰ্থনা জনোৱা হয়। সভাত খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ আগন্তুক হ'বলগীয়া ভয়াবহ বিপৰ্যয়ৰ কথা উল্লেখ কৰি বিশিষ্ট চিন্তাবিদ তথা খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সুৰক্ষাৰ বাবে ছুপ্ৰিম কৰ্টত গোচৰ চলাই থকা অসমৰ জাতি সংঘ অসম সন্মিলিত মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে ঐতিহাসিক তথ্যৰ ভিত্তিত বিস্তৃতভাবে ব্যাখ্যা কৰে। নিজৰ ভৱিষ্যত বংশধৰসকলৰ সুৰক্ষাৰ বাবেই শাসন ক্ষমতা আৰু ভূ-সম্পদৰ অধিকাৰ পুনৰ প্ৰতিষ্ঠাৰ বাবে খিলঞ্জীয়া জনগোষ্ঠী সমূহে শুদ্ধ পথেৰে আগুৱাই যাব নোৱাৰিলে খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ ধ্বংস নিশ্চিত বুলি ৰহমানে কয়। সভাত ৰত্নেশ্বৰ নৰহ, হিতেশ চন্দ্ৰ কোঁৱৰ, কান্তেশ্বৰ বড়া, হৃষিকেশ সোণোৱাল, ৰাজেন নৰহ আদিয়ে খিলঞ্জীয়া জনগোষ্ঠীসমূহে নিজৰ হাজাৰ বছৰীয়া গৃহভূমিতে নিজৰ ভুলৰ বাবেই আজন্ম অধিকাৰ হেৰুৱাইছে বুলি উল্লেখ কৰি মহাসংঘই তথা মতিউৰ ৰহমানে কঠোৰ পৰিশ্ৰম কৰি ছুপ্ৰিম কৰ্টত আইনী যুঁজ অব্যাহত ৰখাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে আৰু সকলো ধৰণে সহায় সহযোগিতা আগবঢ়াব বুলি কয়। সভাই বিস্তৃত আলোচনাৰ পিছত মহাসংঘৰ ৰূপাই চাইডিং আঞ্চলিক সমিতিখন গঠন কৰে। আন্তঃৰাষ্ট্ৰীয় নীতিৰ আধাৰতেই অসমৰ খিলঞ্জীয়াৰ ভিত্তি বছৰ ১৮২৮ আৰু ভাৰতীয় সংবিধান অনুসৰি ভাৰতীয় নাগৰিকৰ ভিত্তি বছৰ ১৯৫১ অসমত কাৰ্যকৰী হলেহে খিলঞ্জীয়া জনগোষ্ঠী সমূহ ৮০ শতাংশ সুৰক্ষিত হ'ব বুলি দৃঢ় মত পোষণ কৰে। সভাই মহাসংঘৰ খিলঞ্জীয়াৰ সুৰক্ষাৰ আইনী যুঁজ লৈ পূৰ্ণ সমৰ্থন জনায়। পৰ্যায়ক্ৰমে ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া লোকৰ অধিকাৰ চনদৰ আধাৰত খিলঞ্জীয়া ৰাইজক অধিকাৰ আৰু ক্ষমতা সম্পৰ্কে সজাগ কৰিবলৈ সজাগতা সভা আয়োজন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। এই সভাতে বিশিষ্ট সমাজকৰ্মী জগন্নাথ সোণোৱালক সভাপতি, ৰত্নেশ্বৰ নৰহক কাৰ্যকৰী সভাপতি, হিতেশ চন্দ্ৰ কোঁৱৰ আৰু দ্বীপেন হাজৰিকাক উপ-সভাপতি হিচাপে লৈ ১৪ জনীয়া ৰূপাই আঞ্চলিক মহাসংঘৰ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

পুনৰ গোসাঁইগাঁৱত বনৰক্ষীৰ অভিযানত অবৈধ কাঠভৰ্তি বলেৰো জব্দ

অসম বাৰ্তা, গোসাঁইগাঁও, ৯ জুলাই ঃ গোপন সূত্ৰৰ ভিত্তিত চলোৱা এক সফল অভিযানত কচুগাঁও বন সংমণ্ডলৰ বনৰক্ষী দলে আজি পুৱতি নিশা অবৈধ কাঠভৰ্তি এখন বলেৰো পিকআপ ভান জব্দ কৰিবলৈ সক্ষম হয়। কচুগাঁও বন সংমণ্ডলৰ ডিপো ৰেঞ্জৰ ৰেঞ্জাৰ দীপক বসুমতাৰীৰ নেতৃত্বত চলোৱা এই অভিযানত বনৰক্ষীসকলে সন্দেহযুক্ত বাহনখন খেদি খেদি অৱশেষত জব্দ কৰে। জানিব পৰা মতে, AS 17 C 1531 নম্বৰৰ বলেৰো পিকআপ ভানখনত বনাঞ্চলৰ পৰা অবৈধভাৱে সংগ্ৰহ কৰা কাঠ একাংশ দুষ্ট চক্ৰই সৰবৰাহ কৰি আছিল। বনৰক্ষীৰ খেদাত সৰবৰাহকাৰীসকলে অসম-পশ্চিমবংগ সীমান্তৰ গকুলকাটা ব্লক অঞ্চলত বাহনখন এৰি পলায়ন কৰে। জব্দকৃত কাঠসমূহ পশ্চিমবংগৰ পাক্ৰিগুৰি অভিমুখে সৰবৰাহ কৰাৰ পৰিকল্পনা আছিল। অভিযানৰ অন্তত কাঠসমূহ জব্দ কৰি কচুগাঁও বন সংমণ্ডলৰ কাৰ্যালয়লৈ অনা হয়। ঘটনাৰ সৈতে জড়িত সৰবৰাহকাৰীসকলৰ সন্ধানত বন বিভাগে তদন্ত অব্যাহত ৰাখিছে।

সংকটত নামনি মাজুলী মহাবিদ্যালয়; ৰাইজে আবদ্ধ কৰি ৰাখিলে জলসম্পদ বিভাগৰ যান বাহন, অভিযন্তা

মাজুলীৰ মহৰিচুক-চাৰিঘৰীয়াত পুনৰ ভয়াৱহ খহনীয়া; ৰাইজৰ শ্ৰমদান

অসম বাৰ্তা, মাজুলী, ৯ জুলাই ঃ মাজুলীৰ জনপ্ৰতিনিধি গৰাকীয়ে মাজুলীত খহনীয়া হোৱাৰ পৰিৱৰ্তে মাজুলীৰ মাটিকালি বৃদ্ধি পাইছে বুলি মন্তব্য কৰাৰ বিপৰীত ছবি আজি নামনি মাজুলীত দেখিবলৈ পোৱা গৈছে। পুনৰ ব্ৰহ্মপুত্ৰৰ ভয়াৱহ গৰাখহনীয়াৰ কবলত নামনি মাজুলীৰ মহৰিচুক-চাৰিঘৰীয়া অঞ্চল। নামনি মাজুলী মহাবিদ্যালয়ৰ সমুখত চপৰা চপৰে খহিছে ভূমি। নামনি মাজুলী মহাবিদ্যালয়লৈ ভাবুকি কঢ়িয়াই অনাৰ সময়তো মাজুলীৰ ভৌগোলিক সুৰক্ষাৰ দায়িত্বত থকা কুম্ভকৰ্ণ নিদ্ৰাত জল সম্পদ বিভাগ আৰু ব্ৰহ্মপুত্ৰ বৰ্ড। বহুবাৰ আবেদন নিবেদন কৰাৰ পিছতো ন্যূনতম প্ৰতিৰোধ কাম নকৰাৰ বাবে খৰ্গহস্ত হৈ পৰিছে অঞ্চলটোৰ ৰাইজ। চৰকাৰৰ ওপৰত আস্থা হেৰুৱাই পুৱাতেই ৰাইজ ওলাই আহি শ্ৰম দান কৰে। বাঁহৰ জেং, গছৰ ডাল দি খহনীয়া প্ৰতিৰোধৰ চেষ্টা অঞ্চলতোৰ ৰাইজৰ। মাজুলীৰ খহনীয়া সন্দৰ্ভত বিধায়ক আৰু সত্ৰাধিকাৰৰ বাক যুদ্ধতে ব্যস্ত হৈ থকাৰ বাবে পুলুকা মাৰিবলৈ সুৰুঙা উলিয়াইছে সংশ্লিষ্ট বিভাগে। ৰাইজে মাজুলীৰ জিলা আয়ুক্ত গৰাকীৰ সদিচ্ছাৰ অভাৱ বুলিও অভিযোগ উত্থাপন কৰিছে। আনহাতে ৰাইজৰ ভাষা বুজি নোপোৱা বিভাগীয় বিষয়াই খহনীয়া প্ৰতিৰোধৰ প্ৰতি গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ তুলি টিঙিৰি তুলা হৈ পৰিছে ৰাইজ। নৈপৰীয়া ৰাইজৰ জীৱন আৰু জীৱিকাৰ বাবে ভাবুকি কঢ়িয়াই অনাৰ পিছতো নিৰ্বিকাৰ ভূমিকা গ্ৰহণ কৰা চৰকাৰ, সংশ্লিষ্ট কৰ্তৃপক্ষই অৱহেলা অব্যাহত ৰাখিলে নামনি মাজুলীত পথ বন্ধ কৰি ব্যাপক আন্দোলন গঢ়ি তুলিব বুলি সকিয়াই দিয়ে। সেয়েহে আজি খহনীয়া অঞ্চলত পাৰ্কুপাইন নেপেলোৱালৈকে বিভাগীয় যান বাহন বন্ধ কৰাৰ উপৰিও আবদ্ধ কৰি ৰাখিছে জলসম্পদ বিভাগৰ এগৰাকী অভিযন্তাক। আজিৰ এই স্পৰ্শকাতৰ বিষয়টোত মাজুলীৰ চুকে কোণে ব্যাপক চৰ্চা অব্যাহত আছে। বিষয়টোৰ ওপৰত অসমৰ মুখ্যমন্ত্ৰী গৰাকীৰ প্ৰত্যক্ষ হস্তক্ষেপ বিচাৰিছে মাজুলীৰ সচেতন মহলে।

হাউলীত ড্ৰাগছ সৰবৰাহৰ অভিযোগত এজন আটক

অসম বাৰ্তা, কুমুল্লী পৰা, ৯ জুলাই ঃ বৰপেটা জিলাৰ হাউলী আৰক্ষীয়ে ড্ৰাগছবিৰোধী অভিযান অব্যাহত ৰাখি আন এক সফলতা লাভ কৰিছে। আৰক্ষীৰ এক অভিযানত হাউলীৰ শান্তিবজাৰ অঞ্চলৰ ড্ৰাগছ সৰবৰাহৰ অভিযোগত অভিযুক্ত মিজানুৰ ৰহমান নামৰ এজন ব্যক্তিক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, গোপন সূত্ৰৰ ভিত্তিত হাউলী থানাৰ আৰক্ষীয়ে অভিযান চলাই অভিযুক্তজনক আটক কৰে। তেওঁ ড্ৰাগছ সৰবৰাহৰ সৈতে জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। আটক কৰাৰ পিছত আৰক্ষীয়ে অভিযুক্তজনক থানালৈ আনি অধিক সোধ-পোছ চলোৱাৰ লগতে এই চক্ৰটোৰ সৈতে আন কোনো ব্যক্তি জড়িত আছে নেকি সেই দিশতো তদন্ত আৰম্ভ কৰিছে। উল্লেখযোগ্য যে, অঞ্চলটোত ড্ৰাগছৰ অবৈধ ব্যৱসায় ৰোধৰ লক্ষ্যৰে হাউলী আৰক্ষীয়ে নিয়মিতভাৱে অভিযান অব্যাহত ৰাখিছে। আৰক্ষীৰ এই পদক্ষেপক সচেতন মহলে আদৰণি জনোৱাৰ লগতে সমাজৰ পৰা ড্ৰাগছৰ অভিশাপ নিৰ্মূলৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা অব্যাহত ৰখাৰ দাবী জনাইছে। ইফালে, ঘটনাটোৰ সন্দৰ্ভত আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে আৰু প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া চলি আছে।

তীব্ৰবেগী টাটা নে'ন গাড়ীয়ে তীব্ৰ জোৰে খুন্দা মাৰে অটো ৰিস্কাক

ছয়গাঁৱৰ গোৱৰ্দ্ধনত ভয়ংকৰ পথ দুৰ্ঘটনা; ৫জন লোক গুৰুতৰভাৱে আহত

অসম বাৰ্তা, ছয়গাঁও, ৯ জুলাই ঃ দক্ষিণ কামৰূপৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত গোৱৰ্দ্ধনত আজি দুপৰীয়া প্ৰায় ১২ বজাত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। দুৰ্ঘটনাত ৫জন লোক গুৰুতৰভাৱে আহত হয়। তীব্ৰবেগী টাটা নে'ন গাড়ীয়ে তীব্ৰ জোৰে খুন্দা মাৰে অটো ৰিস্কাক। যাৰ ফলত পথৰ দ-খাৰৈত বাগৰি পৰে টাটা নে'ন গাড়ীখন। আনহাতে বহু দূৰ চিটিকি যায় যাত্ৰী ভৰ্তি অটো ৰিস্কা। দুৰ্ঘটনা সংঘটিত কৰিয়ে পলায়ন কৰে টাটা নে'ন গাড়ীৰ চালকজন। সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ দুজনক। এইখিনিতে উল্লেখ্য যে ছয়গাঁৱত দৈনিক ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হৈ আছে দুৰ্ঘটনা। জানিব পৰা মতে গোৱালপাৰাৰ পৰা বিজয়নগৰৰ অভিমুখে আহি আছিল AS-01, UC-4442 নম্বৰৰ অটো ৰিস্কা এখন। তেনে সময়তে গোৱৰ্দ্ধনত দুগৰাকী শিশু আৰু মহিলাক উঠোৱাৰ উদ্দেশ্যে অটো ৰিস্কাখন ৰাখি দিয়ে। ঠিক তেনে সময়তে একে দিশেৰে তীব্ৰ জোৰেৰে আহি আছিল AS-15, U-0933 নম্বৰৰ Tata Nexon নামৰ চাৰিচকীয়া বাহন এখন। গোৱৰ্দ্ধনত যাত্ৰী উঠোৱাৰ উদ্দেশ্যে ৰৈ থকা অটো ৰিস্কাখনক তীব্ৰ জোৰে খুন্দা মাৰি বহু দূৰ চোঁচৰাই লৈ আহে। তাৰ পিছতে Tata Nexon গাড়ীখনেও নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা দ-খাৰৈলৈ নামি যায় যদিও বৈদ্যুতিক খুটাত খুন্দা মাৰি ৰখি যায়। তাৰ পিছতে Tata Nexon-খনৰ চালক

গাড়ী এৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে। আনহাতে অটো ৰিস্কাখনৰ ভিতৰত থকা চালক আব্দুল মাতিন(২৪), তেওঁৰ পত্নী আৰ্জিনা বেগম(২৩) সহ কণমানি শিশু এটিৰ লগতে যাত্ৰী হিচাপে থকা নয়নতৰা বড়ো(৩৬) আৰু তেওঁৰ পুত্ৰ ঈচান বড়ো(৪) গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ইফালে ছয়গাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত নয়নতৰা বড়ো(৩৬) আৰু তেওঁৰ পুত্ৰ ঈচান বড়ো(৪) সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰে।

২ সৰবৰাহকাৰী আটক; পলাতক ড্ৰাগছ মাফিয়া আফজাল খান

বৰপেটাৰোডত ড্ৰাগছ বিৰোধী অভিযান

অসম বাৰ্তা, বৰপেটাৰোড, ৯ জুলাই ঃ যোৱা নিশা বৰপেটাৰোডৰ আলামিন নগৰত এক সফল অভিযান চলায় আৰক্ষীয়ে। এই অভিযানত বৃহৎ পৰিমাণৰ নিচাযুক্ত টেবলেট আৰু ড্ৰাগছসহ দুজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয় যদিও মূল অভিযুক্ত আফজাল খান আৰক্ষীৰ চকুৰ ধূলি দি পলায়ন কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে, এক গোপন খবৰৰ ভিত্তিত আলামিন নগৰত অভিযান চলাই ২৪০টা য়াবা টেবলেট আৰু ৮টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ নগদ ধন ৪২৯৪০ টকা। এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে পশ্চিমবংগৰ মালদা জিলাৰ হামেদ শেখ আৰু বৰপেটাৰোড শক্তিনগৰৰ জাহিদুল ইছলাম নামৰ যুৱক দুজনক আটক কৰে। ইফালে, আৰক্ষীৰ অভিযানৰ কথা গম পাই কৌশলেৰে পলায়ন কৰে কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী আফজাল খানে। অভিযোগ উঠিছে যে, দীৰ্ঘদিন ধৰি ড্ৰাগছৰ অবৈধ ব্যৱসায় চলাই আফজাল খানে অৰ্জন কৰিছে বিপুল সম্পত্তি। ড্ৰাগছৰ ক'লা ধনেৰে তেওঁ নিৰ্মাণ কৰি আছে অট্টালিকা সদৃশ ঘৰ। আনকি তেওঁৰ টিনপাতৰ ঘৰতো এচি (AC) সংলগ্ন কৰি অত্যন্ত বিলাসী জীৱন অতিবাহিত কৰি আহিছিল বুলি স্থানীয় ৰাইজে জানিবলৈ দিছে। বৰ্তমান বৰপেটাৰোড আৰক্ষীয়ে আটকাধীন লোক দুজনক অধিক তথ্যৰ বাবে সোধা-পোছা অব্যাহত ৰাখিছে আৰু পলাতক আফজাল খানক কৰায়ত্ত কৰিবলৈ জাল পেলাইছে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

ভেৰগাঁৱত ভূপেন্দ্ৰ সংগীত আৰু ৰাভা নৃত্যৰ গ্ৰীষ্মকালীন কৰ্মশালা আৰম্ভ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৯ জুলাই ঃ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ওদালগুৰি জিলা প্ৰশাসনৰ সহযোগত ৪৫ নং ভেৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত ২ নং পুৰণি ভেৰগাঁৱ সৰ্বোদয় সংঘৰ প্ৰাংগণত আজিৰে পৰা বিধানসভা সমষ্টি ভিত্তিক গ্ৰীষ্মকালীন কৰ্মশালা ২০২৬ শুভাৰম্ভ কৰা হয়। সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ প্ৰতিছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে শুভাৰম্ভ কৰা কৰ্মশালাৰ মূল বিষয়বস্তু আছিল— ভূপেন্দ্ৰ সংগীত আৰু ৰাভা নৃত্যৰ কৰ্মশালা। অনুষ্ঠানটি শুভ উদ্বোধন কৰে ওদালগুৰি জিলা ভিত্তিক কৰ্মশালা ব্যৱস্থাপনা সমিতিৰ সদস্য কৰুণা ৰাভা আৰু কমোদ কছাৰীয়ে। উদ্বোধনী অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা যথেষ্ট সংখ্যক আগ্ৰহী ছাত্ৰ-ছাত্ৰীয়ে উল্লেখনীয়ভাৱে অংশগ্ৰহণ কৰে। কৰ্মশালাখনত প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰিবলৈ ভূপেন্দ্ৰ সংগীতৰ প্ৰশিক্ষক হিচাপে ধ্ৰুৱজিত ৰাভা আৰু উৎপল ৰাভা তথা ৰাভা নৃত্যৰ প্ৰশিক্ষক হিচাপে হৰিপ্ৰিয়া ৰাভা আৰু কংকনা ৰাভাই দায়িত্ব গ্ৰহণ কৰিছে। উদ্বোধনী অনুষ্ঠানত বিশেষ অতিথি হিচাপে জাবাংগা পথাৰ ভিচিডিচিৰ অধ্যক্ষ তুলিকা ৰাভা আৰু পুৰণি ভেৰগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক বলেন্দ্ৰ ৰাভা উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ যোগায়। কৰ্মশালাখনে স্থানীয় ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শাৰীৰিক, মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ, সাধনৰ লগতে সাংস্কৃতিক প্ৰতিভা বিকাশৰ ক্ষেত্ৰত এক ইতিবাচক ভূমিকা ল'ব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰিছে।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন